GEC S5-01(M/P)
Exam Code : ECP 5A/ECM 5A

ৰাজস্ব অৰ্থবিজ্ঞান

পঞ্চম ষাণ্মাসিক

অৰ্থ বিজ্ঞান

খণ্ড ঃ ১



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক মাধুর্য প্রসাদ বেজবৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নিচাৰ আহমেদ বৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° গৌতম মজুমদাৰ, অর্থনীতি বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ উৎপল ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৱিহণা যোগাইছে	ভাষান্তৰকাৰী
১	অধ্যাপক নিচাৰ আহমেদ বৰুৱা গুৱাহাটী বিশ্ববিদ্যালয় উৎপল ডেকা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ৰমেন শর্মা ডিমাকুছি জুনিয়ৰ কলেজ, ডিমাকুছি ড° গায়ত্রী মেধি (অৱসৰপ্রাপ্ত) বি. এইছ. বি. মহাবিদ্যালয়, সৰুপেটা
২, ৩, ৫, ৬, ৭	অধ্যাপক নিচাৰ আহমেদ বৰুৱা গুৱাহাটী বিশ্ববিদ্যালয়	ৰমেন শর্মা ডিমাকুছি জুনিয়ৰ কলেজ, ডিমাকুছি
৪, ৮	মৃন্ময়ী বৈশ্য মৰিগাঁও মহাবিদ্যালয়, মৰিগাঁও	ড° খনীন্দ্র চন্দ্র শর্মা (অৱসৰপ্রাপ্ত) গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী

সম্পাদনাঃ

বিষয়বস্তু সম্পাদনা ঃ **অধ্যাপক খুৰচেদ আলম** (অৱসৰপ্রাপ্ত), অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° গৌতম মজুমদাৰ, অর্থনীতি বিভাগ, কটন বিশ্ববিদ্যালয়
ড° চন্দ্রমা গোস্বামী, অর্থনীতি বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ভাষা সম্পাদনাঃ (মূল ইংৰাজী) ঃ **অধ্যাপক ৰবীন গোস্বামী** (অৱসৰপ্রাপ্ত), ইংৰাজী বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° মানৱ মেধি, ইংৰাজী বিভাগ,বড়োলেণ্ড বিশ্ববিদ্যালয়

(অসমীয়া) ঃ **ড° গায়ত্রী মেধি** (অৱসৰপ্রাপ্ত), অর্থনীতি বিভাগ, বি. এইছ. বি. মহাবিদ্যালয়, সৰুপেটা
ড° ভাস্কৰ শর্মা, অর্থনীতি বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° মৃণাল জ্যোতি গোস্বামী, অসমীয়া বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ **উৎপল ডেকা**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ **জুন, ২০১৯**
ISBN: 978-93-89123-82-1

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১০১৭,
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিছপুৰ, গুৱাহাটী - ৭৮১০০৬
Web : www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নম্বৰ

অধ্যায় ১ ঃ চৰকাৰী বিত্তৰ প্ৰকৃতি আৰু পৰিসৰ ৫-১৫

চৰকাৰী বিত্তৰ অৰ্থ আৰু পৰিসৰ; চৰকাৰী বিত্ত আৰু ব্যক্তিগত বিত্ত; চৰকাৰী দ্ৰব্য, ব্যক্তিগত দ্ৰব্য, ক্লাৱ দ্ৰব্য আৰু স্থানীয় ৰাজহুৱা দ্ৰব্য; চৰকাৰী দ্ৰব্য, মুক্ত ভোক্তা আৰু বজাৰ ব্যৰ্থতা, ৰাজহুৱা সম্পদ আৰু ট্ৰেজেদি অৰ কমনছ

অধ্যায় ২ ঃ চৰকাৰী ৰাজহ ১৬-২৩

চৰকাৰী ৰাজহৰ প্ৰাথমিক ধাৰণা ঃ চৰকাৰী ৰাজহৰ অৰ্থ, ৰাজহ আৰু অনা-ৰাজহ আয়ৰ মাজৰ পাৰ্থক্য, চৰকাৰী ৰাজহৰ প্ৰয়োজনীয়তা; চৰকাৰী ৰাজহৰ উৎসসমূহ ঃ কৰ ৰাজহ আৰু অনা-কৰ ৰাজহ

অধ্যায় ৩ ঃ কৰৰ পৰিচয় ২৪-৩৩

কৰৰ অৰ্থ আৰু বৈশিষ্ট্য; কৰ নীতিসমূহ; কৰৰ সঞ্চালন আৰু কৰৰ ভাৰ; প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ; প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ সুবিধা আৰু অসুবিধাসমূহ

অধ্যায় ৪ ঃ কিছুমান গুৰুত্বপূৰ্ণ কৰ ৩৪-৪৯

আয় কৰ, নিগম কৰ, মূলধন লাভ জনিত কৰ , ব্যয় কৰ, দান কৰ, বিক্ৰী কৰ, মূল্য সংযোগ কৰ , সামগ্ৰী আৰু সেৱা কৰ

অধ্যায় ৫ ঃ কৰ আৰু অৰ্থনীতি ৫০-৫৮

কৰ অনুপাত আৰু কৰ সামৰ্থ; কৰৰ প্ৰভাৱ ঃ উৎপাদনৰ ওপৰত, বিতৰণৰ ওপৰত, অৰ্থনৈতিক স্থিৰতাৰ ওপৰত

অধ্যায় ৬ ঃ কৰৰ প্ৰাথমিক নীতিসমূহ ৫৯-৬৮

কৰ ব্যৱস্থাত সমতাৰ ধাৰণা ঃ কৰৰ সুবিধা তত্ত্ব, কৰ বহনৰ সামৰ্থ তত্ত্ব; কৰৰ হাৰ অনুসূচী

অধ্যায় ৭ ঃ চৰকাৰী ব্যয় ৬৯-৭৯

চৰকাৰী ব্যয়ৰ অৰ্থ; চৰকাৰী ব্যয়ৰ নীতি; চৰকাৰী ব্যয়ৰ তত্ত্বসমূহ ঃ সৰ্বাধিক সামাজিক সুবিধা তত্ত্ব, সৰ্বাধিক সামূহিক উপকাৰিতা তত্ত্ব

অধ্যায় ৮ ঃ চৰকাৰী ব্যয়ৰ প্ৰভাব ৮০-৯২

চৰকাৰী ব্যয়ৰ প্ৰভাৱ ঃ উৎপাদনৰ ওপৰত, বিতৰণৰ ওপৰত, অৰ্থনৈতিক স্থিৰতাৰ ওপৰত; উন্নয়নশীল অৰ্থনীতিত চৰকাৰী ব্যয়ৰ ভূমিকা

পাঠ্যবিষয়ৰ পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক পাঠ্যক্রমৰ অধীনত শিক্ষার্থীয়ে অর্থবিজ্ঞান বিষয়টো সাধাৰণ অথবা গুৰু বিষয় হিচাপে লৈ অধ্যয়ন কৰিব পাৰে। পাঠ্যক্রমৰ অন্তর্গত এই পাঠ্যবিষয়টিৰ শিৰোনাম হ'ল *ৰাজস্ব অর্থবিজ্ঞান*। সাধাৰণ আৰু গুৰু দুয়োটা শাখাৰে ই এখন উমৈহতীয়া কাকত। পাঠ্যবিষয়টোৰ মুঠ পোন্ধৰটা অধ্যায়ক দুটা খণ্ডত ভগোৱা হৈছে। প্রথম খণ্ডত আঠটা আৰু দ্বিতীয় খণ্ডত সাতটা অধ্যায় সন্নিবিষ্ট কৰা হৈছে।

খণ্ড পৰিচয়

পাঠ্য বিষয়ৰ এইটো প্রথম খণ্ড আৰু ইয়াত আঠটা অধ্যায় সন্নিবিষ্ট কৰা হৈছে। প্রথম অধ্যায়টি ৰাজস্ব অর্থবিজ্ঞানৰ সৈতে জড়িত প্রাথমিক ধাৰণা সমূহ যেনে- চৰকাৰী বিত্তৰ অর্থ আৰু পৰিসৰ, ব্যক্তিগত বিত্ত আৰু চৰকাৰী বিত্তৰ মাজৰ পার্থক্য, চৰকাৰী দ্রব্য আৰু ব্যক্তিগত দ্রব্য আদিৰ বিষয়ে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়টি ত চৰকাৰী ৰাজহৰ ধাৰণাৰ অৱতাৰণা কৰা হৈছে। এই অধ্যায়টি অধ্যয়নৰ অন্তত চৰকাৰী ৰাজহৰ অর্থ, উৎস, প্রয়োজনীয়তা আৰু ৰাজহ আৰু অনা ৰাজহৰ পার্থক্য সম্পর্কে জানিব পাৰিব। তৃতীয় অধ্যায়ৰ জৰিয়তে আপুনি কৰৰ সৈতে পৰিচিত হ'ব। এই অধ্যায়টিত কৰৰ প্রাথমিক ধাৰণাসমূহ যেনে-কৰৰ অর্থ, বৈশিষ্ট্য, কৰ নীতিসমূহ, কৰৰ সঞ্চালন আৰু কৰৰ ভাৰৰ বিষয়ে আলোচনা কৰা হৈছে। প্রত্যক্ষ আৰু পৰোক্ষ কৰৰ মাজৰ প্রভেদ, সুবিধা আৰু অসুবিধাসমূহৰ বিষয়েও অধ্যায়টি পঢ়ি অৱগত হ'ব। চতুর্থ অধ্যায়ত কিছুমান গুৰুত্বপূর্ণ কৰ যেনে- আয় কৰ, নিগম কৰ, মূলধন লাভ জনিত কৰ, ব্যয় কৰ, দান কৰ, বিক্রী কৰ, মূল্য সংযোগ কৰ, সামগ্রী আৰু সেৱা কৰ সম্পর্কে বহলাই আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়টিয়ে অর্থনীতিত কৰৰ ভূমিকা সম্পর্কে আপোনাক আভাস দিব। ষষ্ঠ অধ্যায়টিয়ে কৰৰ প্রাথমিক নীতিসমূহ আয়ত্ব কৰাত আপোনাক সহায় কৰিব। সপ্তম অধ্যায়টিত চৰকাৰী ব্যয়ৰ বিষয়ে আলোচনা কৰা হৈছে। অধ্যায়টিৰ জৰিয়তে চৰকাৰী ব্যয়ৰ গুৰুত্বপূর্ণ নীতিসমূহৰ লগতে ইয়াৰ তত্ত্ব সম্পর্কেও জানিব পাৰিব। অষ্টম অধ্যায়টিৰ জৰিয়তে উৎপাদন, বিতৰণৰ আৰু অর্থনৈতিক স্থিৰতাৰ ওপৰত চৰকাৰী ব্যয়ৰ প্রভাৱ সম্পর্কে বহলাই ব্যাখ্যা কৰা হৈছে। এই অধ্যায়টিত উন্নয়নশীল অর্থনীতিত চৰকাৰী ব্যয়ৰ ভুমিকাৰ ওপৰতো আলোকপাত কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰে। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগে আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। 'অনুশীলনী' সমূহে আপোনাৰ অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে আপোনাক স্ব-পৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি অধ্যায়টিৰ শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ উত্তৰসমূহৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব।

অধ্যায় ১ ঃ চৰকাৰী বিত্তৰ প্ৰকৃতি আৰু পৰিসৰ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ চৰকাৰী বিত্তৰ অর্থ আৰু পৰিসৰ
১.৪ চৰকাৰী বিত্ত আৰু ব্যক্তিগত বিত্ত
১.৫ চৰকাৰী দ্ৰব্য, ব্যক্তিগত দ্ৰব্য, ক্লাৱ দ্ৰব্য আৰু স্থানীয় ৰাজহুৱা দ্ৰব্য
১.৬ চৰকাৰী দ্ৰব্য, মুক্ত ভোক্তা আৰু বজাৰ ব্যৰ্থতা
১.৬.১ ৰাজহুৱা সম্পদ আৰু ট্ৰেজেদি অৱ কমনছ (Tragedy of Commons)
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবৰ বাবে
১.৯ অগ্ৰগতিৰ খতিয়ান
১.১০ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- চৰকাৰী বিত্তৰ অর্থ আগবঢ়োৱাৰ লগতে ইয়াৰ পৰিসৰ সম্পর্কে আলোচনা কৰিব পাৰিব
- চৰকাৰী বিত্ত আৰু ব্যক্তিগত বিত্তৰ পার্থক্য নির্ণয় কৰিব পাৰিব
- চৰকাৰী দ্ৰব্যৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব আৰু ইয়াক ব্যক্তিগত দ্ৰব্যৰ পৰা পৃথক কৰিব পাৰিব
- কেনেকৈ চৰকাৰী দ্ৰব্য ব্যৱস্থাই বজাৰ ব্যৰ্থতা আনে তাক ব্যাখ্যা কৰিব পাৰিব।

১.২ পৰিচয়

এই অধ্যায়টোৱে অর্থবিজ্ঞানৰ এটা অতি গুৰুত্বপূর্ণ উপাংগ চৰকাৰী বিত্ত বিষয়টোৰ সৈতে পৰিচয় কৰাই দিব। কেনেকৈ চৰকাৰী বিত্তৰ সংজ্ঞাবোৰ সময়ৰ লগে লগে ক্ৰমবিকাশ হৈছে সেয়া পোন প্ৰথমে আলোচনা কৰা হৈছে। ইয়াৰ উপৰিও চৰকাৰী বিত্ত আৰু ব্যক্তিগত বিত্তৰ পার্থক্য নির্ণয়ৰ চেষ্টাও কৰা হৈছে। শেষত, চৰকাৰী দ্ৰব্য আৰু ব্যক্তিগত দ্ৰব্যৰ পার্থক্য দেখুওৱাৰ চেষ্টা কৰাৰ লগতে কেনেকৈ চৰকাৰী দ্ৰব্যৰ ক্ষেত্ৰত বজাৰ ব্যৰ্থতাৰ কথাযাৰ আহে তাকো ব্যাখ্যা কৰা হৈছে।

১.৩ চৰকাৰী বিত্তৰ অৰ্থ আৰু পৰিসৰ

চৰকাৰী বিত্তৰ অৰ্থঃ পৰম্পৰাগতভাৱে, চৰকাৰী বিত্তই চৰকাৰী কৰ্তৃপক্ষৰ ব্যয় আৰু পুঁজি সংগ্ৰহ নিয়ন্ত্ৰণ কৰা নীতিসমূহৰ অধ্যয়নকে বুজায়। চৰকাৰে ইয়াৰ ব্যয়ৰ বাবে বিত্তৰ যোগান ধৰিবলৈ কেনেদৰে সম্পদ সংগ্ৰহ কৰে ই সেই বিষয়েই আলোচনা কৰে। এই মত হ' ডেলটন (Hough Dalton) এ আগবঢ়োৱা চৰকাৰী বিত্তৰ সংজ্ঞাৰ সতে জড়িত য'ত তেওঁ এইদৰে উল্লেখ কৰিছে — *'চৰকাৰী বিত্ত, চৰকাৰী কৰ্তৃপক্ষসমূহৰ আয় আৰু ব্যয় আৰু এটাৰ আনটোৰ সমাযোজনৰ সৈতে জড়িত'*। উপৰোক্ত আলোচনাৰ পৰা আমি উল্লেখ কৰিব পাৰোঁ যে চৰকাৰী বিত্তই চৰকাৰৰ আয় আৰু ব্যয় আৰু দুয়োটাৰ মাজৰ সুৰুঙা কেনেকৈ নিষ্পত্তি কৰা হয় তাৰ অধ্যয়ন কৰে।

সেয়ে হ'লেও বিগত সময়ছোৱাত, চৰকাৰী বিত্ত বুলিলে চৰকাৰী ৰাজহ আৰু ব্যয়ৰ বাহিৰেও এক বিস্তৃত অধ্যয়নৰ ক্ষেত্ৰ এখনক বুজা যায়। সম্প্ৰতি ইয়াক ঃ

- সম্পদৰ কাম্য আবণ্টন,
- গ্ৰহণযোগ্য উন্নয়ন আৰু নিয়োগৰ স্তৰৰ সৈতে অৰ্থনৈতিক সুস্থিৰতা, তথা
- আয় আৰু সম্পদৰ সমবিতৰণৰ লগত জড়িত বিজ্ঞান হিচাপে স্বীকৃতি দিয়া হৈছে।

এইদৰে, চৰকাৰী বিত্তৰ তিনিটা আহিলা যথা— চৰকাৰী ৰাজহ, চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণ নিজে এক লক্ষ্য নহয়। বৰং এইবোৰ হ'ল জটিল অৰ্থনৈতিক উদ্দেশ্য যথা— কাম্য আবণ্টন, উচ্চ উন্নয়ন আৰু নিয়োগৰ সৈতে অৰ্থনৈতিক সুস্থিৰতা আৰু আয় আৰু সম্পদৰ অধিক সমবিতৰণ আদি লক্ষ্যত উপনীত হোৱা আহিলাহে মাথোন।

চৰকাৰী বিত্তৰ পৰিসৰ ঃ চৰকাৰী বিত্তৰ পৰিসৰ তলৰ শিতানসমূহত আলোচনা কৰা হৈছে—

- **চৰকাৰী ৰাজহৰ তত্ত্ব ঃ** চৰকাৰী বিত্তৰ এই ভাগে চৰকাৰী ৰাজহৰ সকলোবোৰ উৎসৰ আভাষ দিয়ে। চৰকাৰী ৰাজহৰ বিকল্প উৎসবোৰৰ মাজত উপযুক্ত বিকল্প নিৰ্বাচন কৰা বিভিন্ন নীতিসমূহহো ই উপস্থাপন কৰে।

  এই খণ্ডত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা হৈছে কৰ ৰাজহ (tax revenue)ৰ ওপৰত। ইয়াত বিশেষকৈ উৎকৃষ্ট কৰ ব্যৱস্থাপনাৰ বৈশিষ্ট্যসমূহ আৰু ইয়াক নিৰ্দ্ধাৰণ কৰা বিভিন্ন নীতিসমূহ আলোচনা কৰা হ'ব। ইয়াৰ উপৰিও বিভিন্ন প্ৰকাৰৰ কৰ, এইবোৰৰ সুবিধা, অসুবিধাসমূহ আৰু অৰ্থনীতিত ইয়াৰ প্ৰভাৱৰ ওপৰতো আলোকপাত কৰা হ'ব।

- **চৰকাৰী ব্যয়ৰ তত্ত্ব ঃ** চৰকাৰী ৰাজহ তত্ত্বৰ তুলনাত, চৰকাৰী ব্যয় তত্ত্বই কিছু বছৰ আগতেহে ইয়াৰ যথোপযুক্ত স্বীকৃতি লাভ কৰিছে। ইয়াত চৰকাৰী ব্যয়ৰ নীতি আৰু তত্ত্বসমূহ আৰু লগতে উৎপাদন, বিতৰণ আৰু সুস্থিৰতাৰ ক্ষেত্ৰত চৰকাৰী ব্যয়ৰ প্ৰভাৱৰ আলোচনা অন্তৰ্ভুক্ত কৰা হয়।

ইয়াৰোপৰিও এই খণ্ডত, ৰাজস্ব বিজ্ঞানৰ আহিলা হিচাপে কাম্য আবণ্টন, আৰ্থিক সুস্থিৰতা আৰু সমবিতৰণ আদিৰ দৰে বিভিন্ন অৰ্থনৈতিক উদ্দেশ্যত উপনীত হোৱাৰ ক্ষেত্ৰত চৰকাৰী ব্যয়ৰ কাৰ্যকৰিতাও বিশ্লেষণ কৰা হয়।

- **চৰকাৰী ঋণ আৰু ঋণ পৰিচালনা ঃ** চৰকাৰী ঋণৰ আলোচনাত চৰকাৰী ঋণৰ বিভিন্ন উৎস চিনাক্ত কৰা হৈছে। চৰকাৰী ঋণৰ বিভিন্ন পদ্ধতি আৰু চৰকাৰী ঋণ পৰিশোধৰ বিভিন্ন উপায় আৰু আহিলাসমূহৰ ওপৰতো দৃষ্টিপাত কৰা হয়। ইয়াৰোপৰিও বিত্তীয় নীতি হিচাপে চৰকাৰী ঋণৰ কাৰ্যকাৰিতা আৰু চৰকাৰী ঋণ পৰিচালনাৰ উপায় আৰু আহিলাসমূহৰ বিষয়েও বিশ্লেষণ কৰা হব।
- **যুক্তৰাষ্ট্ৰীয় বিত্ত ঃ** চৰকাৰী বিত্তৰ এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ল যুক্তৰাষ্ট্ৰীয় বিত্ত। যুক্তৰাষ্ট্ৰীয় বিত্তৰ বিষয়বস্তুৱে যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ বিভিন্ন স্তৰ যেনে— কেন্দ্ৰীয়, ৰাজ্য আৰু স্থানীয় চৰকাৰৰ মাজত সম্পদ বণ্টন নিৰ্দ্ধাৰণ কৰা নীতিসমূহ সামৰি লয়। ই বিত্তীয় প্ৰবাহ, বিত্তীয় ভাৰসাম্যহীনতা আৰু ইয়াৰ সংশোধনৰ ওপৰতো নজৰ দিয়ে।

জানি থোৱা ভাল



- চৰকাৰী বিত্ত চৰকাৰী কৰ্তৃপক্ষৰ আয় আৰু ব্যয়ৰ কেনেকৈ দুয়োটাৰে মাজত সমাযোজন কৰা হয় তাৰ সৈতে জড়িত। কিন্তু কেনেকৈ এই কাৰ্যসমূহ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক উদ্দেশ্যসমূহত উপনীত হোৱাত ব্যৱহাৰ কৰিব পাৰি তাৰ সৈতেহে ই অধিক জড়িত।
- চৰকাৰী কৰ্তৃপক্ষৰ উল্লেখিত অৰ্থনৈতিক উদ্দেশ্যসমূহ সম্পদৰ কাম্য আবণ্টন, উচ্চ উন্নয়ন আৰু নিয়োগৰ সৈতে আৰ্থিক সুস্থিৰতা আৰু আয়ৰ কাম্য বিতৰণৰ লগত সম্পৰ্কিত।
- তিনিটা মুখ্য বিত্তীয় আহিলা হ'ল— কৰ, চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণ।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক

(ক) চৰকাৰী বিত্ত হ'ল চৰকাৰী ৰাজহ আৰু চৰকাৰী ব্যয়ৰ অধ্যয়ন মাথো। (শুদ্ধ/অশুদ্ধ)

(খ) যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ বিভিন্ন স্তৰৰ মাজত সম্পদ বণ্টন নিৰ্দ্ধাৰণ কৰা যুক্তৰাষ্ট্ৰীয় বিত্তৰ বিষয়বস্তু। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ২ ঃ চৰকাৰী বিত্তৰ তিনিটা আহিলা কি কি? (২০ টা শব্দৰ ভিতৰত)

.....

.....

১.৪ চৰকাৰী বিত্ত আৰু ব্যক্তিগত বিত্ত

চৰকাৰী বিত্ত আৰু ব্যক্তিগত (বেচৰকাৰী) বিত্তৰ মাজত ভালেমান সাদৃশ্য আছে যদিও ইহঁত বহুক্ষেত্ৰতেই বিসদৃশ। এতিয়া আমি দুয়োটাৰে সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ আলোচনা কৰিম।

সাদৃশ্যসমূহ ঃ

- **মানুহৰ অভাৱ পূৰণ ঃ** বেচৰকাৰী বিত্ত ব্যক্তিগত অভাৱ পূৰণৰ সৈতে জড়িত। একেদৰে চৰকাৰী বিত্তই সামাজিক অভাৱ পূৰণ কৰে। এতেকে দুয়োবিধ বিত্তই মানুহৰ অভাৱ পূৰণৰ প্ৰচেষ্টা চলায়।
- **সীমিত সম্পদ আৰু অসংখ্য উদ্দেশ্য ঃ** ব্যক্তি আৰু চৰকাৰী কৰ্তৃপক্ষ দুয়োপক্ষই সীমিত সম্পদ আৰু অসংখ্য উদ্দেশ্যৰ সমস্যাৰ সন্মুখীন হয়। সেয়েহে দুয়ো ক্ষেত্ৰতে সীমিত সম্পদৰ সৰ্বাধিক কাম্য ব্যৱহাৰৰ প্ৰচেষ্টা চলোৱা হয়।
- **ঘাটি পূৰণ ঃ** যেনেকৈ ব্যক্তিগত ঋণ চলিত আয়ৰ ওপৰত ব্যয়ৰ ঘাটি পূৰাবলৈ লোৱা হয়, চৰকাৰী ঋণ লোৱা হয় চৰকাৰী ব্যয় আৰু চৰকাৰী ৰাজহৰ সুৰুঙাৰ জোৰা মাৰিবলৈ।

বৈসাদৃশ্যসমূহ ঃ

- **পৰিসৰ ঃ** ব্যক্তিগত বিত্ত ব্যক্তিগত পৰিয়ালৰ ব্যক্তিগত ঋণৰ জৰিয়তে ব্যক্তিগত আয়-ব্যয়ৰ নিষ্পত্তি আদিতে সীমাবদ্ধ, আৰু ইয়াক সম্পূৰ্ণ ব্যক্তিগত স্বাৰ্থত সম্পন্ন কৰা হয়। আনহাতে, চৰকাৰী বিত্তৰ জৰিয়তে চৰকাৰী বাজেটক এক মাধ্যম হিচাবে লৈ চৰকাৰী ব্যয় আৰু চৰকাৰী ৰাজহক সমাযোজন কৰিব বিচৰা হয়। চৰকাৰী বিত্তৰ আন এটা উল্লেখযোগ্য দিশ হ'ল ই একে সময়তে বিভিন্ন সামাজিক উদ্দেশ্যত উপনীত হোৱাৰ চেষ্টা চলায়।
- **আয়তন ঃ** চৰকাৰী বিত্তৰ লেনদেনৰ আয়তন বৃহৎ, কাৰণ ইয়াৰ সম্পদৰ উৎসসমূহ শিথিল আৰু ইয়াক প্ৰয়োজন মতে হ্ৰাস-বৃদ্ধি কৰিব পাৰি। আনহাতে, বিত্তীয় সম্পদৰ সীমিত উৎসৰ দ্বাৰা ব্যক্তিগত বিত্তৰ বিত্তীয় লেনদেন সীমাবদ্ধ।
- **আয়-ব্যয়ৰ সমাযোজন ঃ** ব্যক্তিগত বিত্তৰ ক্ষেত্ৰত আয়ৰ সৈতে ব্যয় সমাযোজন কৰিব বিচৰা হয়। আনহাতে চৰকাৰী বিত্তত প্ৰত্যাশিত চৰকাৰী ব্যয়ৰ সৈতে চৰকাৰী আয় সমাযোজন কৰা হয়। ইয়াৰ কাৰণ হ'ল ব্যক্তিগত আয় সীমাবদ্ধ আৰু প্ৰত্যাশিত আনহাতে চৰকাৰী বিত্তৰ ক্ষেত্ৰত চৰকাৰী ব্যয় প্ৰত্যাশিত আৰু শিথিল চৰকাৰী ৰাজহ সেইমতে সমাযোজন কৰিব পাৰি।

  আকৌ, ব্যক্তিয়ে কেৱল অন্যৰ পৰা ঋণ লয় অৰ্থাৎ ঋণ হ'ল বাহ্যিক। কিন্তু চৰকাৰী বিত্তৰ ক্ষেত্ৰত চৰকাৰী কৰ্তৃপক্ষই নিজ চৰকাৰৰ পৰা ঋণ ল'ব পাৰে লগতে বিদেশী ৰাষ্ট্ৰ আৰু আন্তৰ্জাতিক বিত্তীয় প্ৰতিষ্ঠানৰ পৰাও ঋণ ল'ব পাৰে। এইদৰে

চৰকাৰী ঋণ আভ্যন্তৰীণ আৰু বাহ্যিক দুয়োটাই হ'ব পাৰে।

- **মুদ্ৰা ছপা ঃ** প্ৰয়োজন হ'লে চৰকাৰী কৰ্তৃপক্ষই ইয়াৰ নিয়মীয়া ৰাজহ বৃদ্ধিৰ বাবে নতুন মুদ্ৰা ছপা কৰাৰ ব্যৱস্থাও কৰিব পাৰে। ব্যক্তিগত বিত্তৰ ক্ষেত্ৰত এই বিকল্প খোলা নাথাকে।

জানি থোৱা ভাল



➢ আয়তকৈ ব্যয় অধিক হ'লে চৰকাৰী বিত্ত আৰু ব্যক্তিগত বিত্ত দুয়োক্ষেত্ৰত ঋণ ল'ব লগা হয়।

➢ চৰকাৰী বিত্ত আৰু ব্যক্তিগত বিত্ত দুয়োবিধৰে কাৰ্যাৱলীৰ পৰিণতি হ'ল সঞ্চয়, বিনিয়োগ আৰু মূলধন গঠন। গতিকে দুয়োটাই প্ৰত্যক্ষভাৱে জাতীয় আয় বৃদ্ধিত অৰিহণা যোগায়।

➢ ব্যক্তিগত বিত্ত ব্যক্তিগত লাভৰ বাবে ব্যৱহৃত হয়, আনহাতে চৰকাৰী বিত্ত বৃহত্তৰ সামাজিক স্বাৰ্থত ব্যৱহৃত হয়।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰকঃ

(ক) চৰকাৰী কৰ্তৃপক্ষ আৰু বেচৰকাৰী গোট উভয়ৰে নতুন মুদ্ৰা ছপা কৰাৰ সুবিধা থাকে।(শুদ্ধ/অশুদ্ধ)

(খ) আয় আৰু ব্যয়ৰ ঘাটি চৰকাৰী ঋণৰ দ্বাৰা পূৰা কৰা হয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৪ ঃ চৰকাৰী আৰু ব্যক্তিগত বিত্তৰ মাজৰ যিকোনো দুটা সাদৃশ্য উল্লেখ কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১.৫ চৰকাৰী দ্ৰব্য, ব্যক্তিগত দ্ৰব্য, ক্লাৱ দ্ৰব্য আৰু স্থানীয় ৰাজহুৱা দ্ৰব্য

ব্যক্তিগত দ্ৰব্যৰ দুটা উল্লেখযোগ্য বৈশিষ্ট্য আছে। সেই দুটা হ'ল এইবোৰৰ ভোগৰ ক্ষেত্ৰত প্ৰতিদ্বন্দী ভোক্তাৰ অৱস্থিতি; লগতে এইবোৰৰ ভোগৰ পৰা ভোক্তা এজনক বাৰণ কৰিব পাৰি। প্ৰতিদ্বন্দ্বীৰ অৱস্থিতি বোলা কথাষাৰে ইয়াকে বুজায় যে, কোনো এটা দ্ৰব্য এজন গ্ৰাহকে ভোগ কৰা কথাষাৰে অন্য এজন গ্ৰাহকৰ বাবে সেই দ্ৰব্যবিধৰ সিমানখিনি পৰিমাণে নাইকিয়া হোৱাটোকে বুজায়। অৰ্থাৎ, স্পষ্টতঃ আমি ক'ব পাৰোঁ যে, সকলোবোৰ

বেচৰকাৰী দ্ৰব্যৰ ভোগৰ ক্ষেত্ৰত উপভোক্তাসমূহ এজনে আন এজনৰ প্ৰতিদ্বন্দ্বী হিচাপে অৱতীৰ্ণ হয়, আৰু এই সমগ্ৰ প্ৰক্ৰিয়াটো নিয়ন্ত্ৰিত হয় দৰ ব্যৱস্থাটোৰ জৰিয়তে। যিজন উপভোক্তাই দ্ৰব্যবিধৰ মূল্য পৰিশোধ কৰে, তেৱেই তাক ভোগ কৰে; লগতে তেওঁ যিখিনি পৰিমাণে ভোগ কৰে অন্য এজন গ্ৰাহকৰ বাবে সেই পৰিমাণখিনি নাইকিয়া হৈ পৰে। ধৰা হওঁক মিঠাই দোকানৰ মিঠাই, বা ৰেষ্টুৰেণ্ট এখনৰ এবিধ খাদ্য। গতিকে, সহজতে ক'ব পাৰি যে, দৰ ব্যৱস্থাটোৱে বেচৰকাৰী দ্ৰব্য এবিধৰ ভোগ কৰাৰ পৰা বাৰণ কৰিব পাৰে; অৰ্থাৎ তেওঁক ভোগকাৰ্যৰ পৰা বহিৰ্ভূত কৰি ৰাখে। চৰকাৰী দ্ৰব্যৰ ক্ষেত্ৰত অৱশ্যে এই দুয়োটা কথাই প্ৰযোজ্য নহয়। এইবোৰ দ্ৰব্যৰ ক্ষেত্ৰত এজন উপভোক্তাই কৰা ভোগে আনজন উপভোক্তাৰ বাবে দ্ৰব্যবিধৰ উপলব্ধতা কোনো ধৰণে কম নকৰে, অৰ্থাৎ এইবোৰ অপ্ৰতিদ্বন্দ্বী। অৰ্থাৎ ইয়াক সকলোৱে সমান পৰিমাণে ভোগ কৰাৰ সুবিধা পায়। যেনে ধৰক, ৰাস্তাত জ্বলি থকা 'ষ্ট্ৰীট্ লাইট' এটা। এই দ্ৰব্যবিধৰ আনটো উল্লেখযোগ্য বৈশিষ্ট্য হৈছে - ইয়াৰ ভোগৰ পৰা উপভোক্তা এজনক বাৰণ কৰিব নোৱাৰি। বাটৰুৱা এজনে কোনো পইচা নভৰাকৈ ষ্ট্ৰীট্ লাইটৰ পোহৰখিনি পাব পাৰে। ঠিক তেনেদৰে বান নিয়ন্ত্ৰণ আঁচনি এখনৰ কথাকে লওঁচোন। আঁচনিখনৰ বাবদ পইচা নিদিলে কোনোবা এজনৰ ঘৰটি বাৰু অকলেই - বানপানীৰ কৱলত পৰিব নেকি, যি ক্ষেত্ৰত অঞ্চলটোৰ আনসকল সুৰক্ষিত হৈ থাকে। অৰ্থাৎ আঁচনিখনৰ সুফল সকলোৱে ভোগ কৰে।

ক্লাৱ দ্ৰব্যবোৰ (Club goods) আৰু স্থানীয় ৰাজহুৱা দ্ৰব্যবোৰ (Local public goods) হ'ল চৰকাৰী বা ৰাজহুৱা দ্ৰব্যৰ অন্তৰ্ভুক্ত। ক্লাৱ দ্ৰব্যবোৰৰ ভোগৰ পৰা যথেষ্ট পৰিমাণে ব্যক্তিক বিৰত ৰাখিব পাৰি (highly excludable) আৰু ইয়াৰ উপভোগ হ'ল অপ্ৰতিদ্বন্দী অথবা আংশিকভাৱে প্ৰতিদ্বন্দী। চেটেলাইট (Satellite) দুৰদৰ্শন, বে-চৰকাৰী পাৰ্ক, চলচিত্ৰ, থিয়েটাৰ আদি ক্লাৱ দ্ৰব্যৰ উদাহৰণ। ইয়াৰ বিপৰীতে স্থানীয় ৰাজহুৱা দ্ৰব্যবোৰ অকল সীমিত ভৌগলিক ভূ-খণ্ডৰ ভিতৰতহে উপলব্ধ হয় আৰু এনে দ্ৰব্যবোৰ অকল সেই নিৰ্দিষ্ট ভূ-খণ্ডৰ লোকেহে উপভোগ কৰিব পাৰে। স্থানীয় ৰাজহুৱা দ্ৰব্যৰ উদাহৰণ হিচাপে দুৰদৰ্শনৰ সংকেট ব্যৱস্থাৰ কথা উনুকিয়াব পাৰি, কাৰণ ইয়াৰ সংক্ৰমন (Transmitter) প্ৰক্ৰিয়া অকল সীমিত দুৰত্বৰ মাজতহে উপলব্ধ হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

ক) ব্যক্তিগত দ্ৰব্যৰ ভোগৰ পৰা উপভোক্তাক বাৰণ কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

খ) চৰকাৰী বিদ্যালয়ত শিক্ষাদান চৰকাৰী দ্ৰব্যৰ এক উদাহৰণ। (শুদ্ধ /অশুদ্ধ)

প্ৰশ্ন ৬ ঃ খালী ঠাই পূৰ কৰক

ক) চৰকাৰী দ্ৰব্যবোৰ ..... আৰু এইবোৰৰ পৰা উপভোক্তা এজনক বাৰণ কৰিব নোৱাৰি।

খ) ব্যক্তিগত দ্ৰব্যবোৰৰ ভোগ....., কাৰণ এইবোৰৰ বাবদ যিয়ে..... তেঁওক ভোগৰ পৰা বাৰণ কৰিব পাৰি।

১.৬ চৰকাৰী দ্ৰব্য, মুক্ত ভোক্তা আৰু বজাৰ ব্যৰ্থতা

বজাৰ কৌশলে বেচৰকাৰী/ব্যক্তিগত দ্ৰব্যৰ ক্ষেত্ৰতহে ইয়াৰ কাৰ্যকলাপ ভালকৈ চলাব পাৰে। ইয়াত, ভোক্তাই বিভিন্ন দ্ৰব্য সামগ্ৰীৰ বাবে ডাক (bid) মাৰে আৰু উৎপাদনকাৰীয়ে আটাইতকৈ বেছি ডাকৰ গৰাকীলৈ দ্ৰব্য বিক্ৰী কৰে। যি ভোক্তাই উচ্চতম ডাক দি সামগ্ৰী কিনাত কৃতকাৰ্য হয়, তেওঁ সামগ্ৰীটোৰ ওপৰত একচেটিয়া অধিকাৰ লাভ কৰে। এনেকুৱা বেচৰকাৰী দ্ৰব্য প্ৰতিদ্বন্দ্বী (rival) (এজন ভোক্তাৰ দ্বাৰা ভোগ কৰা হৈছে মানে অন্য সম্ভাব্য ভোক্তাৰ বাবে ই উপলব্ধ নহয়) আৰু বহির্ভূত (exclusive) (যিয়ে দৰ নিদিয়ে তেওঁক ইয়াৰ ভোগৰ পৰা বঞ্চিত কৰিব পাৰি।

বেচৰকাৰী দ্ৰব্যৰ বিপৰীতে চৰকাৰী দ্ৰব্য অপ্ৰতিদ্বন্দ্বী (non rival) আৰু অবহির্ভূত (non exclusive) দুয়োটাই। অপ্ৰতিদ্বন্দ্বী বুলিলে কোনো এজনৰ দ্বাৰা এটা দ্ৰব্যৰ ভোগে অন্যান্য ভোক্তাৰ বাবে দ্ৰব্যটোৰ পৰ্যাপ্ততা হ্ৰাস নকৰে আৰু অবহির্ভূত বুলিলে কোনোবাই অস্বীকাৰ কৰিলেও দ্ৰব্যটোৰ উপভোগৰ পৰা কাকো বিৰত ৰখাটো অসম্ভৱ।

চৰকাৰী দ্ৰব্যৰ প্ৰদত্ত এই দুটা বৈশিষ্ট্যৰ বাবে ভোক্তাই দ্ৰব্যৰ যোগান ধৰোতালৈ মূল্য আদায় দিয়াৰ পৰা বিৰত থাকিব। ইয়াৰ কাৰণ হ'ল, প্ৰত্যেকজন ভোক্তাই জানে যে সেই দ্ৰব্যৰ ভোগে আনৰ বাবে দ্ৰব্যটোৰ প্ৰাচুৰ্যতাত কোনো পাৰ্থক্য নানে আৰু তেওঁ মূল্য দিবলৈ অস্বীকাৰ কৰিলেও কোনেও তেওঁক দ্ৰব্যটো ভোগৰ পৰা বঞ্চিত কৰিব নোৱাৰে।

এইদৰে, চৰকাৰী দ্ৰব্য যেনে 'ষ্ট্ৰীট্ লাইট' বান নিয়ন্ত্ৰণ প্ৰকল্প, প্ৰদূষণ নিয়ন্ত্ৰণ প্ৰকল্প ইত্যাদিৰ ভোগৰ ক্ষেত্ৰত সকলো ভোক্তাই মুক্ত ভোক্তা (free-rider) হোৱাৰ চেষ্টা কৰিব । মুক্ত ভোক্তা বুলিলে এনে এজন লোকক বুজায় যিয়ে বিভিন্ন সম্পদ, দ্ৰব্য সামগ্ৰী নাইবা সেৱা সমূহ উপভোগ কৰাৰ বিনিময়ত সেইবোৰৰ বাবে কোনো ধৰণৰ মূল্য প্ৰদান নকৰে। এনে মুক্ত ভোক্তাৰ সংখ্যা বৃহৎ হাৰত বৃদ্ধি পালে সম্পদ সমূহ, দ্ৰব্য সামগ্ৰী নাইবা সেৱা সমূহৰ ভোগৰ বাবে সু-বন্দোবস্ত কৰাত অসুবিধাৰ সৃষ্টি হয় । সাধাৰণতে এনে সমস্যা ৰাজহুৱা বস্তুৰ ক্ষেত্ৰতহে উদ্ভৱ হয়, কাৰণ এনেবোৰ দ্ৰব্যৰ ব্যৱহাৰৰ পৰা ব্যক্তিক বিৰত ৰাখিব নোৱাৰি।

আয়ৰ কোনো প্ৰতিশ্ৰুতি অবিহনে বেচৰকাৰী যোগানকাৰীয়ে চৰকাৰী দ্ৰব্য উৎপাদন নকৰে আৰু যোগানো নধৰে। যিহেতু ক্ৰেতা-বিক্ৰেতাৰ মাজৰ যোগসূত্ৰ দৰ ইয়াত নাথাকে। পৰিমাণস্বৰূপে বজাৰ ব্যৰ্থতা (market failure) ই দেখা দিয়ে; যিহেতু বজাৰে এই শ্ৰেণীৰ দ্ৰব্যৰ ব্যৱস্থা কৰিব নোৱাৰে। চৰকাৰী কৰ্তৃপক্ষই চৰকাৰী বাজেটৰ জৰিয়তে চৰকাৰী দ্ৰব্যৰ যোগান নিশ্চিত কৰিলে এনে অৱস্থাবোৰৰ সমাধান সম্ভব হ'ব।

১.৬.১ ৰাজহুৱা সম্পদ আৰু ট্ৰেজেদি অৱ কমনছ (Tragedy of Commons)

সাধাৰণতে বেছিভাগ ৰাজহুৱা সম্পদ (Common resources) ক ৰাজহুৱা বস্তু হিচাপে গণ্য কৰিব পাৰি কিয়নো এই দ্ৰব্যবোৰত অবহিৰ্ভূত বা অবৰ্জিত (Non-excludable) আৰু অপ্ৰতিদ্বন্দ্বী (Non-rivalry) - এই দুটা বৈশিষ্ট্য আছে। ১৯৬৮ চনত গাৰেট হার্ডিন (Garret Hardin) নামৰ ব্যক্তি এজনে ৰাজহুৱা সম্পদ ধ্বংস কৰা আৰু ইয়াৰ ধ্বংসৰ পৰিমাণ হ্ৰাস কৰাৰ সম্ভাৱনাক লৈ বিশেষভাৱে প্ৰভাৱান্বিত হোৱা এটা ধাৰণা আগবঢ়াইছিল যাক 'ট্ৰেজেদি অৱ কমনছ' (Tragedy of Commons) বুলি কোৱা হয়। এই ধাৰণামতে, জনসাধাৰণে এইটো কথা জানে যে ৰাজহুৱা সম্পদৰ ভোগৰ নামত হোৱা অত্যাধিক ধ্বংসযজ্ঞই ভৱিষ্যতে তেওঁলোকৰ নিজৰ স্বাৰ্থতহে আঘাত হানিব, তথাপিও তেওঁলোকে ৰাজহুৱা সম্পদবোৰৰ এনে ধ্বংসযজ্ঞ চলাই গৈ থাকে। (এই বিষয়ে আমি পৰৱৰ্তী ষান্মাসিকৰ প্ৰধান পাঠ্যক্ৰমৰ পৰিৱেশ অৰ্থবিজ্ঞান পাঠ্য বিষয়টিত বহলাই আলোচনা কৰিম।)

জানি থোৱা ভাল



- চৰকাৰী দ্ৰব্য অপ্ৰতিদ্বন্দ্বী আৰু অবহিৰ্ভূত।
- চৰকাৰী দ্ৰব্যৰ ব্যৱস্থাত বজাৰ ব্যৰ্থতাই দেখা দিয়ে, যিহেতু সকলো ভোক্তাই মুক্তভোক্তা হ'ব খোজে।
- 'ষ্ট্ৰীট্ লাইট', বান নিয়ন্ত্ৰণ প্ৰকল্প, প্ৰতিৰক্ষা আদি চৰকাৰী দ্ৰব্যৰ উদাহৰণ।
- বেচৰকাৰী দ্ৰব্যৰ উদাহৰণ হ'ল মটৰগাড়ী, কাপোৰ, খাদ্য, শিক্ষা আদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৭ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) বেচৰকাৰী দ্ৰব্য ব্যৱস্থাত বজাৰ কৌশলে দক্ষভাৱে কাম কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) চৰকাৰী দ্ৰব্যসমূহ বজাৰ দৰত বেচা কিনা কৰা হয়। (শুদ্ধ /অশুদ্ধ)

প্ৰশ্ন ৮ ঃ চৰকাৰী দ্ৰব্যৰ 'অপ্ৰতিদ্বন্দ্বিতা আৰু অবহিৰ্ভূত' বুলিলে কি বুজে? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চৰকাৰে ইয়াৰ ব্যয়ৰ বাবে বিত্তৰ যোগান ধৰিবলৈ কেনেদৰে সম্পদ সংগ্ৰহ কৰে চৰকাৰী বিত্তই তাৰ অধ্যয়ন কৰে। ইয়াৰোপৰিও চৰকাৰী বিত্তই ঃ
  - সম্পদৰ কাম্য আবণ্টন
  - গ্ৰহণযোগ্য উন্নয়ন আৰু নিয়োগৰ স্তৰেৰে অৰ্থনৈতিক সুস্থিৰতা আৰু
  - আয় আৰু সম্পদৰ সমবিতৰণ আদিৰ সৈতেও জড়িত।
- চৰকাৰী বিত্তৰ পৰিসৰৰ অন্তৰ্ভুক্ত বিষয়বোৰ হ'ল—
  - চৰকাৰী ৰাজহ তত্ত্ব,
  - চৰকাৰী ব্যয় তত্ত্ব,
  - চৰকাৰী ঋণ আৰু ঋণ পৰিচালনা, আৰু
  - যুক্তৰাষ্ট্ৰীয় বিত্ত
- চৰকাৰী বিত্ত আৰু বেচৰকাৰী বিত্তৰ মাজত বহুতো সাদৃশ্য আৰু বহুতো বৈসাদৃশ্য আছে।
- চৰকাৰী দ্ৰব্যৰ দুই বৈশিষ্ট্য 'অপ্ৰতিদ্বন্দ্বিতা আৰু অবহিৰ্ভূত' ই বজাৰ ব্যৰ্থতাৰ সূত্ৰপাত কৰে।



১.৮ অধিক জানিবৰ বাবে

১) Bhatia, H.L. (2005).*Public Finance*. New Delhi: Vikas Publishing

House Pvt. Ltd.

২) Lekhi, R.K. (2001).*Public Finance and Fiscal Policy*. Ludhiana: Kalyani Publishers.

৩) Menkar, V.G. and Sarma, L.S. (2001). *Public Finance : Theory and Practice*. Mumbai: Himalaya Publishing House.

৪) Prakash, O. (2008).*Public Economics : Theory and Practice*. Jalandhar: Vishal Publishing House.

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ, *ৰাজস্ব অৰ্থবিজ্ঞান* , যোৰহাট : ইউনিকা প্ৰকাশন।

১.৯ অগ্ৰগতিৰ খতিয়ান

১ **নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) অশুদ্ধ (খ) শুদ্ধ

২ **নং প্ৰশ্নৰ উত্তৰ ঃ** চৰকাৰী বিত্তৰ তিনিটা আহিলা হ'ল - চৰকাৰী ৰাজহ, চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণ।

৩ **নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) অশুদ্ধ (খ) শুদ্ধ

৪ **নং প্ৰশ্নৰ উত্তৰ ঃ** বেচৰকাৰী বিত্ত আৰু চৰকাৰী বিত্তৰ মাজত দুটা উল্লেখযোগ্য সাদৃশ্য হ'ল -

- দুয়োটাৰে ক্ষেত্ৰত সীমাবদ্ধতাৰ কথা আহি পৰে। দুয়োবিধ বিত্ত কোনো নিৰ্দিষ্ট উদ্দেশ্য সাপেক্ষেহে ব্যৱহৃত হয়।
- দুয়োটা ক্ষেত্ৰতে আয় আৰু ব্যয়ৰ জোৰা মাৰিবলৈ ঋণৰ সহায় লোৱা হয়।

৫ **নং প্ৰশ্নৰ উত্তৰ ঃ** ক) শুদ্ধ খ) শুদ্ধ

৬ **নং প্ৰশ্নৰ উত্তৰ ঃ** ক) অপ্ৰতিদ্বন্দ্বী খ) বাধাযুক্ত, মূল্য পৰিশোধ নকৰে

৭ **নং প্ৰশ্নৰ উত্তৰ ঃ** ক) শুদ্ধ খ) অশুদ্ধ

৮ **নং প্ৰশ্নৰ উত্তৰ ঃ** কোনো এজন ভোক্তাই চৰকাৰী দ্ৰব্য এটা ভোগ কৰিলে দ্ৰব্যটোৰ পৰ্যাপ্ততা আন ভোক্তাৰ বাবে হ্ৰাস নোহোৱাটোক অপ্ৰতিদ্বন্দ্বিতা বোলা হয়। আকৌ, কোনো এটা চৰকাৰী দ্ৰব্য ভোক্তাই দৰ দিবলৈ অস্বীকাৰ কৰিলেও দ্ৰব্যটো ভোগৰ পৰা বিৰত ৰখা অসম্ভৱ ইয়াকে অবহিৰ্ভূত বোলা হয়।

১.১০ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰকাৰী বিত্ত বুলিলে কি বুজায়?

প্ৰশ্ন ২ ঃ বজাৰ ব্যৰ্থতা বুলিলে কি বুজায়?

প্ৰশ্ন ৩ ঃ বজাৰ ব্যৰ্থতাৰ পৰিণাম সম্পৰ্কে আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰকাৰী বিত্তৰ পৰিসৰ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ চৰকাৰী বিত্ত আৰু ব্যক্তিগত বিত্তৰ সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ চৰকাৰী দ্ৰব্যৰ দুটা বিশেষ বৈশিষ্ট্য আলোচনা কৰক। চৰকাৰী দ্ৰব্যৰ ব্যৱস্থাত কেনেকৈ বজাৰ ব্যৰ্থতা উদ্ভৱ হয় ব্যাখ্যা কৰক।

*** **** ***

অধ্যায় ২ ঃ চৰকাৰী ৰাজহ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩চৰকাৰী ৰাজহৰ প্ৰাথমিক ধাৰণা
২.৩.১ চৰকাৰী ৰাজহৰ অৰ্থ
২.৩.২ ৰাজহ আৰু অনা-ৰাজহ আয়ৰ মাজৰ পাৰ্থক্য
২.৩.৩ চৰকাৰী ৰাজহৰ প্ৰয়োজনীয়তা
২.৪ চৰকাৰী ৰাজহৰ উৎসসমূহ ঃ কৰ ৰাজহ আৰু অনা-কৰ ৰাজহ
২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৬ অধিক জানিবৰ বাবে
২.৭ অগ্ৰগতিৰ খতিয়ান
২.৮ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- চৰকাৰী ৰাজহৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- ৰাজহ আৰু অনা ৰাজহ আয়ৰ পাৰ্থক্য নিৰূপণ কৰিব পাৰি
- চৰকাৰী ৰাজহৰ প্ৰয়োজনীয়তা মূল্যায়ন কৰিব পাৰিব
- চৰকাৰী ৰাজহৰ উৎসসমূহ চিনাক্ত কৰিব পাৰিব।

২.২ পৰিচয়

ৰাষ্ট্ৰ এখন পৰিচালনা কৰিবলৈ আৰু ইয়াৰ বিভিন্ন কাম-কাজ চলাবলৈ সম্পদৰ প্ৰয়োজন। এই সম্পদৰ উৎসসমূহ হ'ল চৰকাৰী আয়। ৰাজহৰ যোগেদি অথবা ঋণৰ যোগেদি চৰকাৰী আয় সংগ্ৰহ কৰিব পাৰি। সম্পদ সংগ্ৰহৰ বিভিন্ন পদ্ধতিয়ে ৰাষ্ট্ৰৰ বিত্ত আৰু অৰ্থনীতিৰ ওপৰত বিভিন্ন ধৰণে প্ৰভাৱ বিস্তাৰ কৰে। এই অধ্যায়ত আমি সম্পদ সংগ্ৰহৰ বিভিন্ন উপায় আৰু আহিলাবোৰ চিনাক্ত কৰিম আৰু লগতে এইবোৰক বিভিন্ন শ্ৰেণীত ভাগ কৰিম।

২.৩ চৰকাৰী ৰাজহৰ প্ৰাথমিক ধাৰণা

এই শাখাটোত চৰকাৰী ৰাজহৰ লগত জড়িত প্ৰাথমিক ধাৰণাসমূহ যেনে- চৰকাৰী

ৰাজহৰ অর্থ, ৰাজহ আৰু অনা-ৰাজহ আয়ৰ পার্থক্য আৰু চৰকাৰী ৰাজহৰ প্রয়োজনীয়তা আদিৰ বিষয়ে অধ্যয়ন কৰা হৈছে।

২.৩.১ চৰকাৰী ৰাজহৰ অর্থ

চৰকাৰী ৰাজহ চৰকাৰী আয়ৰ এটা অংশ গঠন কৰে। ই ৰাষ্ট্রৰ বাবে সম্পদ সংগ্রহৰ এক গুৰুত্বপূর্ণ উৎস। চৰকাৰী ৰাজহৰ জৰিয়তে ঋণৰ পৰিমাণ বৃদ্ধি নকৰাকৈ ৰাষ্ট্রই পুঁজি সংগ্রহ কৰে। সহজ ভাষাত ক'বলৈ গ'লে চৰকাৰী ৰাজহ হিচাবে সংগ্রহ কৰা পুঁজি হ'ল ৰাষ্ট্রৰ আয় আৰু সেয়ে ইয়াক ঘূৰাই দিয়াৰ প্রয়োজন নহয়।

চৰকাৰী ৰাজহৰ আন এক বৈশিষ্ট্য হ'ল ই পৌনঃপুনিক প্রকৃতিৰ। এইদৰে চৰকাৰী ৰাজহ বছৰৰ পিছত বছৰ সংগ্রহ কৰা হয় আৰু সেয়েহে ই ৰাষ্ট্রৰ বাবে এক নির্ভৰযোগ্য আৰু অক্ষয় পুঁজিৰ উৎস হৈ পৰে।

চৰকাৰী ৰাজহক কৰ ৰাজহ আৰু অনা-কৰ ৰাজহত শ্রেণী বিভাগ কৰিব পাৰি। এই অধ্যায়টিৰ **২.৪** নং শাখাটোত সেই বিষয়ে বহলাই আলোচনা কৰিম।

২.৩.২ ৰাজহ আৰু অনা-ৰাজহ আয়ৰ মাজৰ পার্থক্য

চৰকাৰী আয়ক ৰাজহ আয় (revenue receipt) আৰু অনা-ৰাজহ আয় (non-revenue receipt) হিচাবে শ্রেণীবিভাগ কৰা হয়। ৰাজহ আয়ে আনুষংগিক ঋণ দাবী বৃদ্ধি নকৰাকৈ ৰাষ্ট্রৰ বিত্তীয় সম্পদ বৃদ্ধি কৰে। আগতে ব্যাখ্যা কৰি অহাৰ দৰে চৰকাৰী ৰাজহৰ পৰা সংগ্রহ কৰা পুঁজিসমূহ ৰাষ্ট্রৰ হাততেই থাকে, সেয়েহে ইয়াক ঘূৰাই দিব নালাগে আৰু ইয়াৰ বাবে কোনো সুদ দিব নালাগে। তদুপৰি আমি ইতিমধ্যে কৈ আহিছোঁ যে ৰাজহ আয় হ'ল পৌনঃপুনিক প্রকৃতিৰ, যাৰ ফলস্বৰূপে ৰাষ্ট্রৰ বাবে ই এক নিয়মীয়া পুঁজিৰ উৎস হৈ পৰে। চৰকাৰী ৰাজহ নিয়মীয়া প্রকৃতিৰ হোৱা বাবে আৰু ঋণ দাবী নথকা বাবে ই ৰাষ্ট্র পৰিচালনাৰ বাবে এক অতি গ্রহণযোগ্য উৎস প্রদান কৰে।

ৰাজহ আয় কৰ ৰাজহ (tax receipt) বা অনা-কৰ ৰাজহ (non-tax receipt) দুয়োধৰণৰ হ'ব পাৰে।

আনহাতে অনা-ৰাজহ আয় (মূলধন আয় বুলিও কোৱা হয়) সৰহভাগ চৰকাৰী ঋণ, ক্ষুদ্র সঞ্চয়, ঋণ পৰিশোধ ইত্যাদি ৰূপত ৰাষ্ট্রৰ ৰাজকোষলৈ প্রবাহিত হয়। অনা-ৰাজহ আয়ৰ ক্ষেত্রত ৰাষ্ট্রৰ বিত্তীয় সম্পদৰ বৃদ্ধি ঘটে; কিন্তু, এই বৃদ্ধিৰ লগে লগে ৰাষ্ট্রৰ ঋণ দাবীও বাঢ়ি যায়। আন কথাত, অনা-ৰাজহ আয় হিচাবে সংগ্রহ কৰা পুঁজি অইনৰ হাতত থাকে। যিহেতু এইবোৰ কেৱল ধাৰ

কৰিহে অনা হয়, এই পুঁজিবোৰ সুদসহ পৰিশোধ কৰিব লগা হয়। সেয়েহে অনা-ৰাজহ আয়ৰ দ্বাৰা ৰাষ্ট্ৰৰ ৰাজকোষৰ প্ৰকৃত উন্নতি নহয়; যিহেতু এইবোৰ কেৱল ব্যৱহাৰযোগ্য পুঁজিহে বৃদ্ধি কৰে, য'ত আনুষংগিক ঋণ দাবীও বৃদ্ধি হয়।

ইয়াৰ উপৰিও, অনা-ৰাজহ আয় সাধাৰণতে পৌনঃপুনিক প্ৰকৃতিৰ নহয়। ইয়াৰ অৰ্থ হ'ল যে এইবোৰে ৰাষ্ট্ৰৰ বাবে এক নিয়মীয়া বা নিৰ্ভৰযোগ্য পুঁজিৰ উৎস নহয়। অনা-ৰাজহ আয়ে ৰাষ্ট্ৰৰ ঋণ দাবী বৃদ্ধি কৰে; আৰু যিহেতু ই পৌনঃপুনিক নহয়, এনে পুঁজিৰ উৎস অৰ্থনীতিৰ বাবে দীৰ্ঘকালত গ্ৰহণযোগ্য নহয়।

২.৩.৩ চৰকাৰী ৰাজহৰ প্ৰয়োজনীয়তা

আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে আন যিকোনো অৰ্থনৈতিক গোটৰ দৰে, ৰাষ্ট্ৰকো ইয়াৰ কাৰ্যাৱলী পৰিচালনা কৰিবলৈ সম্পদৰ প্ৰয়োজন হয়। এই সম্পদসমূহ অৰ্থনীতিৰ বিভিন্ন উৎসৰ পৰা আৰু বিভিন্ন উপায়ে সংগ্ৰহ কৰা হয়।

সকলোবোৰ উৎসৰ ভিতৰত কৰ ৰাজহ হৈছে ৰাষ্ট্ৰৰ পুঁজি সংগ্ৰহৰ ক্ষেত্ৰত সবাতোকৈ গুৰুত্বপূৰ্ণ উৎস। কৰ ৰাজহ (অনাকৰ ৰাজহ আৰু মূলধন আয়ৰ লগত) সংগ্ৰহ কৰা হয় ৰাষ্ট্ৰৰ আৰ্থিক আৰু সামাজিক উদ্দেশ্যত উপনীত হ'ব লগা বিভিন্ন কাৰ্যাৱলীৰ বিত্ত যোগান ধৰিবলৈ।

বিভিন্ন অৰ্থনৈতিক উদ্দেশ্যৰ ভিতৰত সম্ভাব্য সৰ্বাধিক উন্নয়নৰ হাৰত উপনীত হ'বৰ বাবে সম্পদৰ সবাতোকৈ কাম্য আৱণ্টন কৰিবলৈ ৰাজহ আয় ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰিও অৰ্থনৈতিক উত্থান পতনৰ সময়ত দৰৰ স্থিৰতা ৰক্ষা কৰিবলৈ উপযুক্ত কৰ কৌশল অৱলম্বন কৰা হয়।

চৰকাৰী ৰাজহৰ আহিলাসমূহ প্ৰায়ে ***সাম্যবাদী সমাজ*** (Egalitarian Society)ৰ সামাজিক উদ্দেশ্যত উপনীত হোৱাৰ বিত্তীয় আহিলা হিচাবে ব্যৱহাৰ কৰা হয়। এইদৰে, ৰাষ্ট্ৰৰ বাবে সম্পদ সংগ্ৰহৰ উপৰিও চৰকাৰী ৰাজহ আহিলাই এক অধিক সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰো পথ প্ৰশস্ত কৰে। ওপৰত উল্লেখ কৰাৰ দৰে, যদিও বেছিভাগ চৰকাৰী ব্যয়কেই চৰকাৰী ঋণৰ (মূলধন আয়) দ্বাৰা বিত্তৰ যোগান ধৰিব পাৰি, তথাপিও ই এক গ্ৰহণযোগ্য বিকল্প নহয়। দীৰ্ঘকালত যিকোনো ব্যয়ৰ আঁচনি গ্ৰহণযোগ্য হ'ব পাৰে যদিহে ইয়াক চৰকাৰী ৰাজহৰ দ্বাৰা সামৰি লোৱা হয়। প্ৰকৃততে, এই কথাষাৰেই চৰকাৰী ৰাজহৰ আটাইতকৈ গুৰুত্বপূৰ্ণ তাৎপৰ্যটো ব্যাখ্যা কৰে।



সাম্যবাদী সমাজ —

এক সমাজ ব্যৱস্থা য'ত প্ৰত্যেক ব্যক্তিকে সমান গুৰুত্ব আৰোপ কৰা হয়। এই সমাজ ব্যৱস্থা মতে, প্ৰত্যেক ব্যক্তিয়ে জীৱনত সম-অধিকাৰ আৰু সম-সুবিধা ভোগ কৰা উচিত



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) মূলধন আয় হ'ল অনা-ৰাজহ আয়ৰ অন্য এক পৰিভাষা। (শুদ্ধ/অশুদ্ধ)

(খ) চৰকাৰী ৰাজহে ৰাষ্ট্ৰৰ ঋণ দাবী বৃদ্ধি কৰে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ২ ঃ ৰাজহ আয় আৰু মূলধন আয়ৰ পার্থক্য নির্ণয় কৰক। চৰকাৰী ব্যয়ৰ বাবে কোনটো অধিক বহনক্ষম (Sustainable) উৎস? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

জানি থোৱা ভাল



এক আদর্শ অৱস্থাত, পৌনঃপুনিক ৰাষ্ট্ৰীয় ব্যয়ৰ বিত্তৰ যোগান ধৰা উচিত ৰাজহ আয়ৰ দ্বাৰা আৰু অপৌনঃপুনিক ব্যয়ৰ বিত্তৰ যোগান ধৰা উচিত মূলধন আয়ৰ দ্বাৰা।

২.৪ চৰকাৰী ৰাজহৰ উৎসসমূহ ঃ কৰ ৰাজহ আৰু অনা-কৰ ৰাজহ

চৰকাৰী ৰাজহ হ'ল ৰাষ্ট্ৰৰ উপার্জন যাক অর্থনীতিটোৰ বিভিন্ন উৎসৰ পৰা সংগ্রহ কৰা হয়। বহলভাৱে, চৰকাৰী ৰাজহক কৰ ৰাজহ (tax-revenue) আৰু অনা-কৰ ৰাজহ (non-tax revenue) হিচাবে শ্রেণী বিভাগ কৰা হৈছে।

- **কৰ ৰাজহ ঃ** কৰ ৰাজহ হ'ল ৰাষ্ট্ৰৰ দ্বাৰা কৰ আৰোপৰ জৰিয়তে সংগ্রহ কৰা ৰাজহ। প্রকৃততে ইয়ে ৰাষ্ট্ৰৰ ৰাজহৰ সবাতোকৈ গুৰুত্বপূর্ণ উৎস।

  কৰ হ'ল ৰাষ্ট্ৰৰ প্রতি নাগৰিকৰ এক বাধ্যতামূলক বৰঙণি য'ত কৰদাতা আৰু চৰকাৰী কর্তৃপক্ষৰ মাজত কোনো প্রত্যক্ষ সুবিধা দাবীৰ সম্পর্ক নাথাকে। এইদৰে কৰৰ দুটা মৌলিক বৈশিষ্ট্য হ'ল—

  - ই হ'ল এক বাধ্যতামূলক বৰঙণি।
  - কৰ আদায়ৰ বিপৰীতে কৰদাতাই কোনো প্রত্যক্ষ সুবিধা দাবী কৰিব নোৱাৰে।

  কৰ ৰাজহক প্রত্যক্ষ কৰ (direct tax) আৰু পৰোক্ষ কৰ (indirect tax)ত

ভাগ কৰিব পাৰি। প্ৰত্যক্ষ কৰৰ মুখ্য প্ৰকাৰকেইটা হ'ল আয়কৰ (income tax), নিগম কৰ (corporation tax) আৰু উপভোগ কৰ (consumption tax)। প্ৰথম দুটা কৰ আয়ৰ ওপৰত আৰোপ কৰা হয়, আনহাতে তৃতীয়টো কৰ আৰোপ কৰা হয় ব্যয়ৰ ওপৰত। ইয়াৰ উপৰিও, সম্পত্তিৰ ক্ষেত্ৰটো প্ৰত্যক্ষ কৰ আৰোপ কৰা হয়। ইয়াৰ আন উল্লেখযোগ্য প্ৰকাৰবোৰ হ'ল - মৃত্যুকৰ (death duty), উপহাৰ কৰ আৰু মাটিৰ খাজনা। আনহাতে, পৰোক্ষ কৰ সাধাৰণতে বিক্ৰীৰ বাবে আগবঢ়োৱা দ্ৰব্য সামগ্ৰী আৰু সম্পদৰ ওপৰত আৰোপ কৰা হয়। উল্লেখযোগ্য পৰোক্ষ কৰৰ প্ৰকাৰবোৰ হ'ল— বিক্ৰী কৰ (sales tax), আবকাৰী শুল্ক (excise duty), আমদানি-ৰপ্তানি শুল্ক (custom duty) আৰু মূল্য সংযোজিত কৰ (VAT)। (বিভিন্ন প্ৰকাৰৰ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ বিষয়ে আমি অধ্যায় ৪ত বহলাই আলোচনা কৰিম)

- **অনাকৰ ৰাজহ** (non-tax revenue) ঃ কৰৰ উপৰিও অনা-কৰ ৰাজহও ৰাষ্ট্ৰৰ ৰাজহৰ আন এক গুৰুত্বপূৰ্ণ উৎস। প্ৰধান অনা-কৰ ৰাজহসমূহ তলত বহলভাৱে শ্ৰেণীবিভাগ কৰি চমুকৈ ব্যাখ্যা কৰা হ'ল ঃ
  - **বাণিজ্যিক ৰাজহ ঃ** বাণিজ্যিক কৰ চৰকাৰী ৰাজহৰ অন্তৰ্ভুক্ত। চৰকাৰে আগবঢ়োৱা সেৱা আৰু সামগ্ৰীৰ বাবদ এনে ধৰণৰ কৰ আদায় কৰা হয়। এই ধৰণৰ ৰাজহ তলত দিয়া ৰূপত আহৰণ কৰা হয়।
    - চৰকাৰী উদ্যোগৰ পৰা লাভ কৰা লাভৰ অংশ আৰু
    - চৰকাৰে আগবঢ়োৱা চৰকাৰী উপযোগিতা সামগ্ৰী আৰু সেৱাৰ বাবদ আদায় লোৱা কৰ।
  - **প্ৰশাসনিক আয়** (administrative revenue) ঃ চৰকাৰে প্ৰশাসনিক আন্তঃগাঁথনিৰ জৰিয়তে জনসাধাৰণক বিভিন্ন সেৱা আগবঢ়ায় যথা অসামৰিক আৰু আৰক্ষী প্ৰশাসন, কৃষি আৰু আনুষংগিক সেৱা, পৰিবহন আৰু যোগাযোগ, শিক্ষা, চিকিৎসা আৰু অন্যান্য সেৱা ইত্যাদি। যিহেতু এইবোৰ প্ৰশাসনিক সেৱা, ইয়াৰ পৰা আহৰণ কৰা ৰাজহক প্ৰশাসনিক ৰাজহ বুলি কোৱা হয়।

প্ৰশাসনিক ৰাজহ মাচুল, অনুজ্ঞাপত্ৰ, অনুমতি পত্ৰ (permit), জৰিমনা, বিলোপ (forfeitures) আৰু বিশেষ ধৰণৰ শুল্ক আদিৰ পৰা সংগ্ৰহ কৰা হয়। ইয়াৰোপৰি, অনা-কৰ প্ৰশাসনিক ৰাজহ সাহায্য (Grants) উপঢৌকন (Gifts) আৰু উত্তৰাধিকাৰীহীন সম্পত্তিৰ **বাজেয়াপ্ত কৰা** (eseheats) ৰ জৰিয়তেও আহৰণ কৰা হয়।



বাজেয়াপ্ত কৰা — উত্তৰাধিকাৰী নথকাকৈ মৃত্যুবৰণ কৰা ব্যক্তিৰ সম্পত্তিৰ ওপৰত ৰাষ্ট্ৰই কৰা দাবী

- **মুদ্ৰা আৰু ঋণৰ পৰা লাভ কৰা আয় ঃ** চৰকাৰে ধাতু মুদ্ৰা আৰু কাগজীমুদ্ৰা ছপাৰ পৰাও আয় আহৰণ কৰে। ইও এক গুৰুত্বপূৰ্ণ অনাকৰ ৰাজহ।

ইয়াৰ উপৰিও চৰকাৰে আগবঢ়োৱা ঋণৰ ওপৰত আহৰণ কৰা সুদেও অনা-কৰ ৰাজহ গঠন কৰে।

জানি থোৱা ভাল



অনা-ৰাজহ আয় বা মূলধন আয়ৰ উৎসসমূহ হ'ল - চৰকাৰী ঋণ, ভূমি সম্পদ, ক্ষুদ্ৰ সঞ্চয় আদি

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) আয়কৰ আৰু নিগম কৰ পৰোক্ষ কৰৰ উদাহৰণ। (শুদ্ধ/অশুদ্ধ)

(খ) উপঢৌকন আৰু সাহায্য অনা-কৰ ৰাজহৰ উদাহৰণ। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৪ ঃ চৰকাৰী ৰাজহৰ বিভিন্ন উৎসসমূহ উল্লেখ কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰ এখন পৰিচালনা কৰিবলৈ আৰু ইয়াৰ বিভিন্ন কাম-কাজ চলাবলৈ সম্পদৰ প্ৰয়োজন হয়।
- চৰকাৰী আয়ক ৰাজহ আয় আৰু অনা-ৰাজহ আয় (মূলধন আয়)ত শ্ৰেণী বিভাগ কৰিব পাৰি।
- চৰকাৰী ৰাজহে ঋণ দাবী বৃদ্ধি নকৰাকৈ ৰাষ্ট্ৰৰ পুঁজি বৃদ্ধি কৰে।
- ৰাষ্ট্ৰৰ পুঁজিৰ উৎসৰ আহিলা হিচাবে কাম কৰাৰ উপৰিও চৰকাৰী ৰাজহক বিত্তীয় আহিলা ৰূপেও ব্যৱহাৰ কৰা হয়।
- চৰকাৰী ৰাজহ কৰ-ৰাজহ আৰু অনা-কৰ ৰাজহ হিচাপে সংগ্ৰহ কৰা হয়।



২.৬ অধিক জানিবৰ বাবে

১) Bhatia, H.L. (2006).*Public Finance*. New Delhi: Vikas Publishing House Pvt. Ltd.

২) Lekhi, R.K. (2001).*Public Finance and Fiscal Policy*. Ludhiana: Kalyani

Publishers.

৩) Menkar, V.G. and Sarma, L.S. (2001). *Public Finance : Theory and Practice*. Mumbai: Himalaya Publishing House.

৪) Prakash, O. (2008).*Public Economics : Theory and Practice*. Jalandhar: Vishal Publishing House.

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ, *ৰাজস্ব অৰ্থবিজ্ঞান* , যোৰহাট : ইউনিকা প্ৰকাশন।

২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজহ আয়ে আনুষঙ্গিক ঋণ দাবী বৃদ্ধি নকৰাকৈ ৰাষ্ট্ৰৰ বিত্তীয় সম্পদ বৃদ্ধি কৰে। মূলধন আয়েও ৰাষ্ট্ৰৰ সম্পদ বৃদ্ধি কৰে, কিন্তু ইয়াৰ সৈতে ঋণৰ পৰিমাণো বৃদ্ধি পায়।

যদিও বেছিভাগ চৰকাৰী ব্যয়েই চৰকাৰী ঋণৰ দ্বাৰা কৰিব পাৰি, কিন্তু এই বিকল্পটো দীঘলীয়া সময়ৰ বাবে গ্ৰহণযোগ্য নহয়। গতিকে ৰাজহ আয়ৰ জৰিয়তে চৰকাৰী ব্যয় কৰিবলৈ যত্নপৰ হোৱা উচিত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বহল অৰ্থত চৰকাৰী ৰাজহক কৰ ৰাজহ আৰু অনাকৰ ৰাজহ হিচাবে ভাগ কৰিব পাৰি। কৰ ৰাজহক আকৌ প্ৰত্যক্ষ কৰ আৰু পৰোক্ষ কৰ হিচাবে ভাগ কৰা হৈছে। প্ৰত্যক্ষ কৰৰ উৎসসমূহ হ'ল— আয়কৰ, নিগম কৰ আৰু উপভোক্তা কৰ। সেইদৰে পৰোক্ষ কৰৰ মূল উৎসসমূহ হ'ল— বিক্ৰী কৰ, আবকাৰী শুল্ক, আমদানি-ৰপ্তানি শুল্ক আৰু মূল্য সংযোজিত কৰ।

অনাকৰ ৰাজহৰ উল্লেখযোগ্য উৎসসমূহ হ'ল— বাণিজ্যিক ৰাজহ, প্ৰশাসনিক আয় আৰু ঋণ।

২.৮ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক

(ক) ৰাজহ আয় (খ) মূলধন আয় (গ) কৰ ৰাজহ

প্ৰশ্ন ২ ঃ চৰকাৰী ৰাজহৰ গুৰুত্ব আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাজহ আয় আৰু মূলধন আয়ৰ পাৰ্থক্য নিৰূপণ কৰক। চৰকাৰী ব্যয়ৰ বাবে

কোনটো অধিক বহনক্ষম?

প্ৰশ্ন ২ ঃ কৰ ৰাজহ আৰু অনাকৰ ৰাজহৰ বিভিন্ন উৎসসমূহ আলোচনা কৰক।

*** **** ***

অধ্যায় ৩ ঃ কৰৰ পৰিচয়

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ কৰৰ অর্থ আৰু বৈশিষ্ট্য

৩.৪ কৰ নীতিসমূহ

৩.৫ কৰৰ সঞ্চালন আৰু কৰৰ ভাৰ

৩.৬ প্রত্যক্ষ আৰু পৰোক্ষ কৰ

৩.৬.১ প্রত্যক্ষ কৰৰ সুবিধা আৰু অসুবিধাসমূহ

৩.৬.২ পৰোক্ষ কৰৰ সুবিধা আৰু অসুবিধাসমূহ

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবৰ বাবে

৩.৯ অগ্রগতিৰ খতিয়ান

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কৰৰ সংজ্ঞা দিব পাৰিব আৰু ইয়াৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰিব পাৰিব
- কৰ নীতিসমূহ আলোচনা কৰিব পাৰিব
- প্রত্যক্ষ আৰু পৰোক্ষ কৰৰ পার্থক্য নির্ণয় কৰিব পাৰিব
- কৰৰ সঞ্চালন আৰু কৰৰ ভাৰৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

কৰ হ'ল চৰকাৰী ৰাজহৰ এক প্রাথমিক উৎস আৰু বিত্তীয় নীতিত ব্যৱহৃত এক জটিল আহিলা। ইয়াৰ কিছুমান একক বৈশিষ্ট্য আছে আৰু ইয়াক কার্যকৰীভাৱে আৰোপ কৰিবলৈ নির্দিষ্ট পূর্বচর্তৰ প্রয়োজন। কৰ প্রত্যক্ষ বা পৰোক্ষ হ'ব পাৰে আৰু দুয়োবিধৰে সুবিধা আৰু অসুবিধা আছে।

৩.৩ কৰৰ অর্থ আৰু বৈশিষ্ট্যসমূহ

কৰ হ'ল চৰকাৰী কর্তৃপক্ষৰ দ্বাৰা ইয়াৰ জনসাধাৰণৰ ওপৰত আৰোপ কৰা এক বাধ্যতামূলক বৰঙণি, যাৰ কোনো প্রত্যক্ষ প্রতিদান নাথাকে। কৰৰ তলত দিয়া বৈশিষ্ট্যসমূহ

আছে—

- **বাধ্যতামূলক বৰঙণি ঃ** কৰ হ'ল এক বাধ্যতামূলক বৰঙণি। ইয়াৰ অর্থ এয়ে যে যি ব্যক্তি বা ব্যক্তিসমূহৰ ওপৰত কৰ আৰোপ কৰা হৈছে, তেওঁ বা তেওঁলোকে ইয়াক পৰিশোধ কৰাটো বাধ্যতামূলক। কৰ পৰিশোধ কৰিবলৈ অস্বীকাৰ কৰাটো একধৰণৰ বিচাৰযোগ্য অপৰাধ বুলি গণ্য কৰা হয় আৰু ইয়াৰ বাবে ন্যায়িক ব্যৱস্থা আছে।
- **বিনিময় বিহীন ঃ** কৰ পৰিশোধে ৰাষ্ট্ৰৰ পৰা কৰ দাতালৈ কোনো প্রত্যক্ষ প্রতিদান নিশ্চিত নকৰে। কৰৰ জৰিয়তে সংগ্রহ কৰা সম্পদ সাধাৰণ ৰাইজলৈ চৰকাৰী ব্যয় হিচাপে বিতৰণ কৰা হয় আৰু এই বিতৰণত কোনো কৰদাতাই কোনোধৰণৰ অধিকাৰ দাবী কৰিব নোৱাৰে।
- **ৰাজকোষীয় আহিলা ঃ** চৰকাৰী ৰাজহৰ উৎস হোৱাৰ উপৰিও কৰ বাঞ্ছিত উদ্দেশ্যত উপনীত হোৱাত আৰু অবাঞ্ছিতবোৰ প্রতিৰোধ কৰাতো ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, সুৰা আৰু ধূমপানৰ ক্ষেত্রত উচ্চ হাৰৰ কৰ আৰোপ কৰা হয়। আনহাতে, অত্যাৱশ্যকীয় সামগ্রীৰ উপভোগ সুচল কৰাৰ উদ্দেশ্যে ইয়াৰ ওপৰত কৰ উঠাই দিয়া হয়।

৩.৪ কৰ নীতিসমূহ

কৰ নীতিসমূহে এক সুস্থ কৰ ব্যৱস্থাপনাৰ নির্দেশ কৰে। আৰম্ভণিতে আদাম স্মিথে চাৰিটা কৰ নীতি আগবঢ়াইছিল। কিন্তু পাছৰ অর্থবিজ্ঞানীসকলে এই কৰ নীতিসমূহৰ লগত আৰু কেইটামান যোগ দিছে।

- **সমতাৰ নীতি** (Canon of Equity) ঃ সমতাৰ নীতিৰ চর্ত হ'ল যে কৰৰ বোজা সমভাৱে বিতৰণ হোৱা উচিত। ইয়াৰ বাবে ব্যক্তিৰ কৰ বহন সামর্থ অনুসৰি কৰ আৰোপ কৰা হয়। এইদৰে, সমতাৰ নীতি মতে, সমাজৰ দুখীয়া শ্রেণীৰ তুলনাত ধনী শ্রেণীয়ে অধিক কৰৰ বোজা বহন কৰা উচিত।
- **নিশ্চয়তাৰ নীতি** (Canon of Certainty) ঃ নিশ্চয়তাৰ নীতি অনুসৰি, পৰিশোধ কৰিব লগা কৰৰ পৰিমাণটো নিশ্চিত হ'ব লাগে। ইয়াৰ অর্থ হ'ল, কৰৰ পৰিমাণ, পৰিশোধৰ সময়, পৰিশোধৰ ধৰণ কৰদাতাক স্পষ্টভাৱে জনাব লাগে আৰু প্রত্যেক জনসাধাৰণে সেই বিষয়ে জ্ঞাত হ'ব লাগে। নিশ্চয়তাৰ নীতিয়ে কৰদাতাক কিমান কৰ আৰু কেতিয়া পৰিশোধ কৰিব লাগিব সেই সম্পর্কে নিশ্চিত কৰে। ইয়াৰ উপৰিও ৰাষ্ট্র খনেও কিমান পৰিমাণৰ কৰ সংগ্রহ কৰিবলৈ আশা কৰিছে সেই সম্পর্কে নিশ্চিত হয়।
- **সুবিধাৰ নীতি** (Canon of Convenience) ঃ সুবিধাৰ নীতি অনুসৰি, কৰ পৰিশোধৰ সময় আৰু ধৰণ এনে ভাবে ধার্য কৰিব লাগে যাতে কৰদাতাৰ অসুবিধা সর্বনিম্ন হয়। আদাম স্মিথৰ ভাষাত, *'প্রত্যেক কৰেই এনে ভাৱে নির্দ্ধাৰিত হ'ব লাগে— যাতে কৰ পৰিশোধৰ সময় বা ধৰণ সর্বাধিক সুবিধাজনক হয়।'* উদাহৰণস্বৰূপে, ফচল পোৱাৰ

সময়তহে কৃষি কৰ সংগ্রহ কৰিব লাগে, যিহেতু কৰদাতাৰ বাবে এই সময় সর্বাধিক সুবিধাজনক। একেদৰে, দৰমহা পোৱা ব্যক্তিসকলৰ বাবে দৰমহা পোৱাৰ সময়ত উৎসতে ইয়াক কাটি ৰখাটো হ'ল সর্বাধিক সুবিধাজনক।

- **মিতব্যয়িতাৰ নীতি** (Canon of Economy) ঃ মিতব্যয়িতাৰ নীতি অনুসৰি, কৰ সংগ্রহ কৰোঁতে হোৱা ব্যয় সর্বনিম্ন হ'ব লাগে। এইদৰে এক সুস্থ কৰ ব্যৱস্থাৰ বাবে কৰ সংগ্রহৰ ব্যয় নিম্নতম হোৱাটো প্রয়োজন।

  আদাম স্মিথৰ মতে, *'প্রতিটো কৰ এনে হ'ব লাগে যাতে জনসাধাৰণৰ পৰা নূন্যতম কৰ সংগ্রহ কৰিও ৰাষ্ট্রৰ ৰাজকোষলৈ বুজন পৰিমাণে জমা কৰিব পৰা যায়।'* এইদৰে যিবোৰ কৰৰ সংগ্রহ ব্যয় অত্যাধিক, তেনে কৰ উঠাই দিয়া উচিত।

  আদাম স্মিথে উপর্যুক্ত চাৰিটা কৰ নীতি আগবঢ়াইছে। ৰাজস্ব বিজ্ঞানত বহুলভাৱে গৃহীত আৰু কেইটামান কৰ নীতি তলত আলোচনা কৰা হ'ল—

- **উৎপাদনশীলতাৰ নীতি** (Canon of Productivity) ঃ ৰাজহ সংগ্রহক কৰ আৰোপৰ প্রাথমিক উদ্দেশ্য হিচাবে লোৱা এই নীতি অনুসৰি, আৰোপ কৰা কৰ উৎপাদনশীল হ'ব লাগে। এই নীতি মতে, কম ৰাজহ সংগ্রহ হোৱা বহুত কৰ আৰোপ কৰাতকৈ উৎপাদনশীল কম সংখ্যক কৰ আৰোপ কৰাই শ্রেয়।

- **সৰলতাৰ নীতি** (Canon of Simplicity) ঃ কৰ ব্যৱস্থাপনাৰ গাঁথনি আৰু ইয়াৰ বিধি বিধানসমূহ সর্বসাধাৰণ মানুহেও সহজে বুজি পোৱাকৈ সৰল হ'ব লাগে। এনে নীতিয়ে কৰদাতাসকলক কোনো অসুবিধা নোহোৱাকৈ কৰ পৰিশোধ কৰাত সহায় কৰিব আৰু অনিচ্ছাকৃত কৰ ফাঁকিও প্রতিৰোধ কৰে।

- **স্থিতিস্থাপকতাৰ নীতি** (Canon of Elasticity) ঃ এই নীতি অনুসৰি, কৰ ব্যৱস্থাপনা স্থিতিস্থাপক বা নমনীয় প্রকৃতিৰ হোৱা উচিত। সেই মতে, অর্থনীতিৰ উত্থান-পতনৰ লগত সংগতি ৰাখি কৰ ৰাজহো হ্রাস বৃদ্ধি কৰি সংগ্রহ কৰিব লাগে।

- **বহুমুখীতাৰ নীতি** (Canon of Diversity) ঃ এই নীতি অনুসৰি, কৰ ব্যৱস্থাপনা বৃহৎ সংখ্যক আৰু বহু প্রকাৰৰ দ্বাৰা বৈচিত্র পূর্ণ হোৱা উচিত। এফালে ই দেশৰ সকলো শ্রেণীৰ জনসাধাৰণকে কৰ ব্যৱস্থাৰ ভিতৰলৈ আনে; আনফালে ই দেশক বিকল্প ৰাজহৰ উৎসৰ ব্যৱস্থা কৰি দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) কৰ হ'ল 'প্রত্যক্ষ বিনিময়' ব্যৱস্থাৰ অধীনৰ এক বাধ্যতামূলক বৰঙণি। (শুদ্ধ/অশুদ্ধ)

(খ) কৰ হ'ল তিনিটা প্রাথমিক ৰাজকোষীয় আহিলাৰ এটা। (শুদ্ধ/অশুদ্ধ)

(গ) সমতাৰ নীতি অনুসৰি, পৰিশোধ কৰিব লগা কৰ নিশ্চিত হোৱা উচিত। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ২ ঃ আদাম স্মিথে আগবঢ়োৱা চাৰিটা প্ৰাথমিক কৰ নীতি উল্লেখ কৰক। (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৩.৫ কৰৰ সঞ্চালন আৰু কৰৰ ভাৰ

কৰৰ ভাৰ (incidence of tax) সেইজন ব্যক্তিৰ ওপৰত পৰে, যিয়ে কৰৰ প্ৰত্যক্ষ মৌদ্ৰিক বোজা বহন কৰে। কিন্তু যিজন ব্যক্তিয়ে প্ৰাথমিক মৌদ্ৰিক বোজা বহন কৰে, সেই ব্যক্তিজনৰ ওপৰতে কৰৰ ভাৰ নপৰিবও পাৰে। এয়া সম্ভৱ হয় যেতিয়া কৰ আৰোপ কৰা ব্যক্তিজনে সফলভাৱে কৰৰ বোজাটো আন এজনলৈ সঞ্চালন কৰিব পাৰে। এইদৰে, ইয়াত প্ৰথম ব্যক্তিজনৰ ওপৰত কৰ সংঘাত (impact of tax) পৰিছে; আনহাতে দ্বিতীয় ব্যক্তিজন যালৈ কৰ সঞ্চালন কৰা হৈছে তেওঁৰ ওপৰত কৰৰ ভাৰ পৰিছে। সাধাৰণতে, কৰৰ সম পৰিমাণে কোনো এটা সামগ্ৰীৰ দৰ বৃদ্ধি কৰি কৰ সঞ্চালন (Shifting of tax) কৰা হয়। গতিকে, কৰ সংঘাতে কৰৰ প্ৰাথমিক বোজাৰ কথাটো সূচায়। আনহাতে, আন এজন ব্যক্তিলৈ কৰৰ বোজা হস্তান্তৰ কৰা প্ৰক্ৰিয়াক কৰ সঞ্চালন (shifting of tax) বুলি কোৱা হয়। শেষত, যি ব্যক্তিয়ে চূড়ান্তভাৱে কৰৰ বোজা বহন কৰে, তেওঁৰ ওপৰত কৰৰ ভাৰ (burden of tax) পৰে। এইদৰে, কৰৰ ভাৰ হ'ল কৰৰ প্ৰত্যক্ষ মৌদ্ৰিক বোজাৰ শেষ জিৰণিৰ ঠাই।

৩.৬ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ

কৰ প্ৰত্যক্ষ কৰ আৰু পৰোক্ষ কৰ হিচাবে শ্ৰেণী বিভাগ কৰিব পাৰি।

প্ৰত্যক্ষ কৰ সঞ্চালন কৰিব নোৱাৰি। এইদৰে, প্ৰত্যক্ষ কৰৰ ক্ষেত্ৰত কৰ সংঘাত আৰু কৰৰ বোজা একেজন ব্যক্তিৰ ওপৰত পৰে। আয়কৰ প্ৰত্যক্ষ কৰৰ এক দৃষ্টান্তমূলক উদাহৰণ, যিহেতু ইয়াৰ কৰ সংঘাত আৰু কৰৰ বোজা একেজন ব্যক্তিৰ ওপৰতে পৰে। এয়া এইবাবেই, কাৰণ আয়কৰৰ সঞ্চালন অসম্ভৱ।

আনহাতে, পৰোক্ষ কৰ হ'ল এনে কৰ যাক সঞ্চালন কৰিব পাৰি। এইদৰে পৰোক্ষ কৰৰ ক্ষেত্ৰত কৰ সংঘাত পৰে তেওঁৰ ওপৰত, যিয়ে সফলভাৱে কৰৰ বোজা আন এজনলৈ সঞ্চালন কৰিব পাৰে। পৰোক্ষ কৰৰ এটি দৃষ্টান্তমূলক উদাহৰণ হ'ল বিক্ৰী কৰ। ইয়াত, কৰৰ

প্ৰাথমিক বোজা (কৰ সংঘাত) সামগ্ৰীৰ ব্যৱসায়ীজনৰ ওপৰত পৰে। কিন্তু ব্যৱসায়ীজনে সামগ্ৰীৰ মূল্যৰ লগত কৰৰ পৰিমাণ যোগ দি কৰৰ বোজাটো গ্ৰাহকলৈ সঞ্চালন কৰে। এইক্ষেত্ৰত যদিও ব্যৱসায়ীৰ ওপৰত কৰ সংঘাত পৰিছে, তেওঁ ইয়াৰ ভাৰ গ্ৰাহকলৈ সঞ্চালন কৰিছে।

সাধাৰণতে, ব্যৱহৃত প্ৰত্যক্ষ কৰ সমূহ হ'ল— আয়কৰ, সম্পদ কৰ, উপহাৰ কৰ, সম্পত্তি কৰ ইত্যাদি। আনহাতে, পৰোক্ষ কৰৰ উদাহৰণ হ'ল— বিক্ৰী কৰ, আৱকাৰী শুল্ক, আমদানি কৰ, ৰপ্তানি কৰ, আমোদ কৰ ইত্যাদি।

৩.৬.১ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ সুবিধা আৰু অসুবিধাসমূহ

সুবিধা ঃ প্ৰত্যক্ষ কৰৰ তলত দিয়া সুবিধাসমূহ আছে—

- **সমতাপূৰ্ণ ঃ** প্ৰত্যক্ষ কৰ সমতাপূৰ্ণ, কাৰণ ই ধনী শ্ৰেণীৰ ওপৰত বেছিকৈ পৰে। ইয়াৰ কাৰণ হ'ল এয়ে যে প্ৰত্যক্ষ কৰ সামৰ্থৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত, য'ত ধনী শ্ৰেণীয়ে বেছি কৰ দিব লাগে আৰু দুৰ্বল শ্ৰেণীয়ে তুলনামূলকভাৱে কম কৰ পৰিশোধ কৰিব লাগে। প্ৰকৃততে, এক নিৰ্দিষ্ট স্তৰৰ আয় আৰু সম্পদৰ তলত বাস কৰা লোকক কৰ ৰেহাই দিয়া হয়।
- **বিতৰণমূলক ন্যায় ঃ** প্ৰত্যক্ষ কৰ প্ৰগতিশীল প্ৰকৃতিৰ। ইয়াৰ অৰ্থ হ'ল যে দুখীয়া শ্ৰেণীতকৈ ধনী শ্ৰেণীৰ ওপৰত ইয়াৰ বোজা তুলনামূলকভাৱে বেছিকৈ পৰে। যিহেতু সৰহভাগ চৰকাৰী ব্যয় দুখীয়া শ্ৰেণীক উদ্দেশ্য কৰিয়েই কৰা হয়, প্ৰত্যক্ষ কৰে সমাজৰ আপেক্ষিকভাৱে দুখীয়া শ্ৰেণীটোৰ সপক্ষে আয়ৰ পুনৰ বিতৰণ কৰে।
- **নিশ্চয়তা ঃ** প্ৰত্যক্ষ কৰে নিশ্চয়তাৰ নীতি পূৰণ কৰে, যিহেতু ই ৰাষ্ট্ৰক আগন্তুক বৰ্ষত আহৰণ কৰিব লগা সম্পদৰ পৰিমাণ আগতিয়াকৈ অনুমান কৰাত সক্ষম কৰি তোলে। একেদৰে, কৰদাতায়ো কিমান পৰিমাণৰ কৰ, কোন সময়ত পৰিশোধ কৰিব লাগিব সেই সম্পৰ্কে জ্ঞাত থাকে।
- **স্থিতিস্থাপকতা ঃ** প্ৰত্যক্ষ কৰ স্থিতিস্থাপক, যিহেতু কৰৰ পৰিসৰ হ্ৰাস বৃদ্ধিৰ দ্বাৰা ইয়াৰ পৰিমাণ হ্ৰাস-বৃদ্ধি কৰিব পাৰি। ইয়াৰ উপৰিও প্ৰত্যক্ষ কৰৰ দ্বাৰা সংগৃহীত ৰাজহৰ পৰিমাণ অৰ্থনীতিৰ উত্থান পতন অনুসৰি বঢ়াব বা কমাব পাৰি।
- **মিতব্যয়িতা আৰু সুবিধা ঃ** প্ৰত্যক্ষ কৰৰ সংগ্ৰহ আৰু প্ৰশাসন মিতব্যয়ী। ই যিহেতু প্ৰগতিশীল প্ৰকৃতিৰ, প্ৰত্যক্ষ কৰৰ জৰিয়তে সংগ্ৰহৰ ব্যয় বৃদ্ধি নকৰাকৈ ৰাজহ বৃদ্ধি কৰিব পাৰি। প্ৰত্যক্ষ কৰ সংগ্ৰহ কৰিবলৈ সুবিধা, যিহেতু দৰমহা ভোগীসকলৰ পৰা উৎসতে ইয়াক সংগ্ৰহ কৰা হয়। ইয়াৰ উপৰিও দৰমহাৰ জৰিয়তে উপাৰ্জন নকৰা সকলে এক বিশেষ সময়ৰ ভিতৰত কৰ পৰিশোধ

কৰিব পাৰে, যিয়ে দক্ষতা বৃদ্ধি কৰে।

অসুবিধা ঃ প্ৰত্যক্ষ কৰৰ সুবিধা থকা সত্বেও ই কেতবোৰ অসুবিধাৰো সন্মুখীন নোহোৱা নহয়। সেইবোৰ হ'ল—

- **অজনপ্ৰিয় ঃ** প্ৰত্যক্ষ কৰ কৰদাতাই মোটামুটি হিচাপত এবাৰতেই দিব লাগে বাবে ই জনপ্ৰিয় নহয়। যিসকল কৰদাতাই কম কমকৈ গোটেই বছৰ জুৰি উপাৰ্জন কৰে, ই সেইবোৰ কৰদাতাক অসুবিধাত পেলায়।

  আয় আৰু সম্পদৰ বিশদ বিৱৰণৰ প্ৰয়োজনৰ উপৰিও কৰ প্ৰতিদান পূৰণ কৰিব লগাটোৱে কৰদাতাৰ ওপৰত অতিৰিক্ত বোজাৰ সৃষ্টি কৰে, যাৰ বাবে প্ৰত্যক্ষ কৰ অপ্ৰিয়।
- **কৰ ফাঁকি ঃ** প্ৰত্যক্ষ কৰ সাধাৰণতে প্ৰগতিশীল প্ৰকৃতিৰ হয়। ই বহু কৰদাতাক আয় আৰু সম্পদৰ অৱমূল্যায়নৰ দ্বাৰা কৰ ফাঁকি দিবলৈ উৎসাহিত কৰে। যিহেতু কেৱল সৎ মানুহখিনিয়েহে প্ৰত্যক্ষ কৰৰ সম্পূৰ্ণ বোজা বহন কৰে। সেয়ে প্ৰত্যক্ষ কৰ হ'ল 'সততাৰ কিস্তি' (premium or honesty)।
- **আনুমানিক ঃ** প্ৰত্যক্ষ কৰ সাধাৰণতে প্ৰগতিশীল প্ৰকৃতিৰ আৰু সামৰ্থৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু কৰ বহনৰ সামৰ্থৰ বস্তুনিষ্ঠ জোখৰ অনুপস্থিতিত কৰৰ হাৰ আনুমানিকভাৱে নিৰ্দ্ধাৰণ কৰা হয়। ইয়াতেই কৰ দাতাৰ কৰ সামৰ্থৰ অৱমূল্যায়ন বা অধিমূল্যায়নৰ জোৰদাৰ সম্ভাৱনা আহি পৰে।
- **দুখীয়া দেশৰ বাবে অপৰ্যাপ্ত ঃ** দুখীয়া আৰু অনুন্নত দেশসমূহত জনসংখ্যাৰ বৃহৎ অংশই দুখীয়া আৰু প্ৰত্যক্ষ কৰৰ অব্যাহতি সীমাৰ ভিতৰত থাকে। মুষ্টিমেয় সমৰ্থবান কৰদাতাৰ প্ৰত্যক্ষ কৰৰ ৰাজহ চৰকাৰী কৰ্তৃপক্ষৰ প্ৰয়োজন পূৰণ কৰাৰ বাবে পৰ্যাপ্ত নহয়।

জানি থোৱা ভাল



➢ প্ৰত্যক্ষ কৰ সাধাৰণতে আয় আৰু সম্পদৰ ওপৰত আৰোপ কৰা হয়। আনহাতে পৰোক্ষ কৰ দ্ৰব্য আৰু সেৱাৰ ওপৰত আৰোপ কৰা হয়।

➢ প্ৰত্যক্ষ কৰ প্ৰগতিশীল প্ৰকৃতিৰ আৰু সীমাবদ্ধ পৰিসৰৰ। আকৌ পৰোক্ষ কৰৰ পৰিসীমা বিস্তৃত, যদিও ই নিম্নমুখী প্ৰকৃতিৰ।

৩.৬.২ পৰোক্ষ কৰৰ সুবিধা আৰু অসুবিধাসমূহ

সুবিধাসমূহ ঃ পৰোক্ষ কৰৰ তলত দিয়া সুবিধাসমূহ আছে—

- **বিস্তৃত পৰিসৰৰ ঃ** পৰোক্ষ কৰে জনসংখ্যাৰ বৃহৎ অংশক সামৰি লয়। দুখীয়া দেশবোৰে প্রত্যক্ষকৰ ব্যৱস্থাটোৰ দ্বাৰা দেশৰ জনসংখ্যাৰ বৃহৎ অংশক সামৰি ল'ব নোৱাৰে; সেয়েহে এইবোৰ দেশত পৰোক্ষ কৰ অতি গুৰুত্বপূর্ণ। প্রকৃততে তেনে বহু দেশত পৰোক্ষ কৰৰ দ্বাৰা সংগৃহীত ৰাজহে প্রত্যক্ষ কৰ ৰাজহক অতিক্রম কৰে।
- **সুবিধাজনক আৰু জনপ্রিয় ঃ** পৰোক্ষ কৰ দ্রব্য আৰু সেৱা কার্যৰ দৰত সোমাই থাকে আৰু সামান্য পৰিমাণে পৰিশোধ কৰিব লাগে। যিহেতু কৰৰ বোজাটো বিস্তৃত সময়ৰ বাবে প্রসাৰিত হৈ থাকে বাবে জনসাধাৰণে ইয়াক সুবিধাজনক বুলি ভাৱে আৰু সেয়ে ই জনপ্রিয়।
- **কৰ ফাঁকি ঃ** যিহেতু পৰোক্ষ কৰ দ্রব্য আৰু সেৱাকার্যৰ দৰত সোমাই থাকে, ইয়াক ফাঁকি দিয়াটো কঠিন। পৰোক্ষ কৰ ফাঁকি দিয়াৰ একমাত্র উপায় হ'ল ভোগ বন্ধ কৰা। পৰোক্ষ কৰ ক'লা ব্যৱসায়ৰ দ্বাৰা ফাঁকি দিয়া হয়, যাক সক্রিয় নিৰীক্ষণ ব্যৱস্থাৰ দ্বাৰা ৰোধ কৰিব পাৰি।
- **সমাজ কল্যাণ ঃ** ক্ষতিকাৰক দ্রব্য যেনে সুৰা, ধূমপান আদিৰ ওপৰত পৰোক্ষ কৰ বেছিকৈ আৰোপ কৰি ইয়াৰ উপভোগ কমাব পাৰি। আনহাতে গাখীৰ, ঔষধ আদি প্রয়োজনীয় সামগ্রীৰ ক্ষেত্রত পৰোক্ষ কৰ কমকৈ প্রয়োগ কৰি এইবোৰৰ ভোগৰ মাত্রা বঢ়াব পাৰি।

অসুবিধা ঃ পৰোক্ষ কৰৰ উল্লেখযোগ্য অসুবিধাসমূহ হ'ল—

- **ক্রমহ্রাসমান প্রকৃতিৰ আৰু অসমতাপূর্ণ ঃ** সমাজত কোনো ধনী দুখীয়াৰ শ্রেণীবিভাগ নকৰাকৈ সকলো শ্রেণীৰ লোকে একে সমানে পৰোক্ষ কৰ দিব লাগে। তুলনামূলকভাৱে, কম আয় হেতুকে ধনী শ্রেণীৰ তুলনাত দুখীয়া শ্রেণীৰ ওপৰত এই কৰৰ প্রকৃত বোজা বেছি পৰে। সেয়েহে পৰোক্ষ কৰক ক্রমহ্রাসমান আৰু অসমতাপূর্ণ বুলি কোৱা হয়।
- **সংগ্রহৰ অনিশ্চয়তা ঃ** পৰোক্ষ কৰৰ দ্বাৰা সংগৃহীত ৰাজহৰ পৰিমান জনসাধাৰণৰ ভোগ ব্যয়ৰ ওপৰত নির্ভৰ কৰে। সেয়েহে ইয়াৰ দ্বাৰা সংগ্রহ হ'ব পৰা ৰাজহৰ পৰিমাণ সঠিকভাৱে আগতিয়াকৈ অনুমান কৰাটো কঠিন। ইয়াৰ উপৰিও, কৰ আৰোপৰ ফলত দৰ বৃদ্ধি হ'লে একেবিধ সামগ্রীৰ চাহিদা কমি যাবও পাৰে। সেয়েহে, এনে দ্রব্যৰ বাবে সংগ্রহ কৰিব পৰা পৰোক্ষ কৰ নির্দ্ধাৰণ কৰাটো কঠিন।
- **অধিক সংগ্রহ ব্যয় ঃ** পৰোক্ষ কৰৰ সংগ্রহ ব্যয় অধিক, যিহেতু ইয়াৰ সংগ্রহৰ

বাবে এক ব্যাপক কৰ ব্যৱস্থা পৰিচালনা কৰিব লগা হয়। সেয়ে মিতব্যয়িতাৰ নীতিয়ে পৰোক্ষ কৰৰ ক্ষেত্ৰত কাম নিদিয়ে।

- **মুদ্রাস্ফীতি ঃ** পৰোক্ষ কৰৰ এটা মুখ্য অসুবিধা হ'ল এই যে ই অৰ্থনীতিত মুদ্রাস্ফীতিৰ সৃষ্টি কৰে। পৰোক্ষ কৰে যেনেকৈ দ্ৰব্যৰ দৰ বঢ়ায়, অৰ্থনীতিত তেনেকৈ মুদ্রাস্ফীতি বাঢ়ে। প্ৰকৃততে কৰ আৰোপিত দ্ৰব্যৰ উচ্চ দৰে দৰ বৃদ্ধিৰ কাৰক হিচাবে কাম কৰে আৰু পৰিণামস্বৰূপে উৎপাদন ব্যয় বৃদ্ধিয়ে পুনৰ মূল্য বৃদ্ধি কৰে। সেয়েহে পৰোক্ষ কৰে মূল্য বৃদ্ধিৰ এক শৃংখল সৃষ্টি কৰি ব্যয়জনিত মুদ্রাস্ফীতিৰ সৃষ্টি কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) কৰৰ ভাৰ হ'ল কৰৰ প্ৰত্যক্ষ মৌদ্ৰিক বোজাৰ শেষ জিৰণিৰ ঠাই। (শুদ্ধ/অশুদ্ধ)

(খ) প্ৰত্যক্ষ কৰ এজন ব্যক্তিৰ পৰা আন এজনলৈ সঞ্চালন কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

(গ) পৰোক্ষ কৰৰ এটা সুবিধা হ'ল এই যে ই জনসংখ্যাৰ বৃহৎ অংশ একোটা সামৰি লয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৪ ঃ পৰোক্ষ কৰে কৰ ফাঁকি কেনেকৈ কম কৰে? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কৰ হ'ল চৰকাৰী ৰাজহৰ এক প্ৰাথমিক উৎস।
- কৰ হ'ল চৰকাৰী কৰ্তৃপক্ষলৈ এক বাধ্যতামূলক বৰঙণি, যাৰ কোনো প্ৰত্যক্ষ প্ৰতিদান নাথাকে।
- আৰম্ভণিতে চাৰিটা কৰ নীতি আছিল আৰু পাছলৈ অধিক কৰ নীতি যোগৰ দ্বাৰা ইয়াৰ প্ৰসাৰ ঘটিছে।
- কৰৰ সংঘাত হ'ল কৰৰ প্ৰাথমিক মৌদ্ৰিক বোজা। এই প্ৰধান বোজা সঞ্চালন প্ৰক্ৰিয়াৰ দ্বাৰা হস্তান্তৰ কৰা হয়। কৰৰ ভাৰ হ'ল কৰৰ চূড়ান্ত মৌদ্ৰিক বোজা।

- প্ৰত্যক্ষ কৰ সঞ্চালন কৰিব নোৱাৰি; আনহাতে, পৰোক্ষ কৰৰ সঞ্চালন সম্ভৱ।
- প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োবিধ কৰৰ নিজস্ব সুবিধা আৰু অসুবিধা আছে।

৩.৮ অধিক জানিবৰ বাবে

১) Bhatia, H.L. (2005).*Public Finance*. New Delhi: Vikas Publishing House Pvt. Ltd.

২) Lekhi, R.K. (2001).*Public Finance and Fiscal Policy*. Ludhiana: Kalyani Publishers.

৩) Menkar, V.G. and Sarma, L.S. (2001). *Public Finance : Theory and Practice*. Mumbai: Himalaya Publishing House.

৪) Prakash, O. (2008).*Public Economics : Theory and Practice*. Jalandhar: Vishal Publishing House.

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ, *ৰাজস্ব অৰ্থবিজ্ঞান* , যোৰহাট : ইউনিকা প্ৰকাশন।

৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ(খ) শুদ্ধ (গ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ আদাম স্মিথে আগবঢ়োৱা প্ৰাথমিক কৰ নীতিকেইটা হ'ল—

- সমতাৰ নীতি,
- নিশ্চয়তাৰ নীতি,
- সুবিধাৰ নীতি, আৰু
- মিতব্যয়িতাৰ নীতি,

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পৰোক্ষ কৰ দ্ৰব্য আৰু সেৱাৰ দৰৰ লগত অন্তৰ্ভুক্ত হৈ থাকে আৰু সেয়ে ইয়াক ফাঁকি দিয়াটো কঠিন। পৰোক্ষ কৰ ফাঁকি দিয়াৰ একমাত্ৰ উপায় হ'ল ভোগ বন্ধ কৰা। কিন্তু ক'লা ব্যৱসায়ৰ জৰিয়তে পৰোক্ষ কৰো ফাঁকি দিব পাৰি।

৩.১০ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কৰৰ সংঘাত, কৰৰ সঞ্চালন আৰু কৰৰ ভাৰৰ ধাৰণা ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ প্ৰত্যক্ষ কৰ আৰু পৰোক্ষ কৰৰ পাৰ্থক্য নিৰূপণ কৰক।

প্ৰশ্ন ৩ ঃ কৰৰ অৰ্থ আৰু মূল বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কৰ নীতিসমূহ উল্লেখ কৰি ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ পৰোক্ষ কৰৰ সুবিধা আৰু অসুবিধাসমূহৰ সৈতে প্ৰত্যক্ষ কৰৰ সুবিধা আৰু অসুবিধাৰ তুলনা কৰক।

*** **** ***

অধ্যায় ৪ ঃ কিছুমান গুৰুত্বপূৰ্ণ কৰ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ আয় কৰ
৪.৪ নিগম কৰ
৪.৫ মূলধন লাভ জনিত কৰ
৪.৬ ব্যয় কৰ
৪.৭ দান কৰ
৪.৮ বিক্রী কৰ
৪.৯ মূল্য সংযোজিত কৰ
৪.১০ সামগ্রী আৰু সেৱা কৰ
৪.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১২ অধিক জানিবৰ বাবে
৪.১৩ অগ্রগতিৰ খতিয়ান
৪.১৪ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কৰৰ গুৰুত্বপূৰ্ণ প্রকাৰবোৰ ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ কৰৰ মাজত তুলনা কৰিব পাৰিব
- এবিধ কৰৰ তুলনাত আনবিধ কৰৰ শ্রেষ্ঠতা নিৰূপন কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ কৰৰ উৎসসমূহৰ বিষয়ে জানিব পাৰিব।

৪.২ পৰিচয়

যিকোনো এখন দেশৰ জনসাধাৰণে স্থানীয়, আঞ্চলিক বা জাতীয় চৰকাৰলৈ কোনো প্রতিদানৰ আশা নকৰাকৈ আগবঢ়োৱা বাধ্যতামূলক বৰঙণিয়েই হৈছে কৰ। আয়, সম্পত্তি আৰু বিনিময়ৰ মুদ্রাগতমূল্যৰ ওপৰত কৰ ধার্য্য কৰা হয়। চৰকাৰী ব্যয়ৰ বাবে কৰ হৈছে চৰকাৰী ৰাজহৰ গুৰুত্বপূৰ্ণ উৎস। কৰ প্রদান নকৰিলে কৰদাতাক আইনগত ভাবে শাস্তি বিহিব পৰা যায়। কৰবোৰক দুই প্রকাৰত ভাগ কৰা হয়, প্রত্যক্ষকৰ আৰু পৰোক্ষ কৰ। কেইবিধমান গুৰুত্ব পূৰ্ণ কৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

৪.৩ আয়কৰ (INCOME TAX)

প্রত্যক্ষ কৰবোৰৰ ভিতৰত আয় কৰ অন্যতম। প্রত্যক্ষ কৰৰ কেন্দ্রীয় পৰিষদ (Central Board of Direct Taxation) ৰ মতে ভাৰত চৰকাৰে প্রত্যেক ব্যক্তিৰ আয়ৰ ওপৰত কৰ ধার্য্য কৰে। আয় কৰ পৰিচালনাৰ ব্যৱস্থাবলী ১৯৬৯ চনৰ আয়কৰ আইনত সামৰি লোৱা হৈছে। অৱশ্যে ইয়াক ধার্য্য কৰোতে এটা নিৰ্দ্দিষ্ট স্তৰৰ আয়লৈ কৰ ৰেহাই দিয়া হয়। আকৌ কৰ যোগ্য আয়ৰ বেলেগ বেলেগ মাত্রাৰ ক্ষেত্রত দিব লগা কৰৰ হাৰ বেলেগ বেলেগ হোৱা দেখা যায়। ব্যক্তিৰ উপার্জিত আয় (লভ্যাংশ, সুদ আৰু ভাৰা বা খাজানা) ৰ ওপৰত আয়কৰ ধার্য্য কৰা হয়। অৱশ্যে ভাৰত বর্ষত আয়কৰ ব্যৱস্থাটো কেন্দ্রীয় চৰকাৰৰ অধীনত থাকে। ভাৰতবর্ষৰ সংবিধানে ৰাজ্যচৰকাৰবোৰক আয় কৰ ধার্য্যৰ বাবে অধিকাৰ দিয়া নাই। ভাৰতবর্ষৰ সংবিধানৰ ৭ নং অনুচ্ছেদ অনুসৰি কৃষিৰ আয়ৰ বাহিৰে আন যিকোনো আয়ৰ ওপৰত কৰ ধার্য্য কৰিবলৈ কেন্দ্রীয় চৰকাৰক ক্ষমতা প্রদান কৰিছে।

আয়কৰ দুইপ্রকাৰৰ হ'ব পাৰে- ব্যক্তিগত আয় কৰ (Personal Income Tax) আৰু নিগম আয় কৰ (Corporation Income Tax)। আয় কৰ বুলিলে সাধাৰণতে ব্যক্তিগত আয় কৰকে বুজোৱা হয়। ব্যক্তিগত আয় কৰ হৈছে ব্যক্তি এজনৰ আয়ৰ ওপৰত ধার্য্য কৰা কৰ। ইয়াত ব্যক্তি বুলিলে এজন ব্যক্তিগত মানুহ, সাধাৰণ অংশীদাৰী ব্যৱস্থা , আৰু অবিভক্ত সম্পত্তি এটাক বুজোৱা হয়। সাধাৰণতে কৰ দিবলগা ব্যক্তি এজনে বিত্তীয় বছৰ এটাত তেওঁ দিবলগা কৰ পৰিশোধ কৰাৰ প্রমাণ পত্র (Income Tax Return) বিভাগীয় কর্ত্তৃপক্ষৰ ওচৰত প্রদান কৰিব লাগে।

জানি থোৱা ভাল



ব্যক্তি এজনৰ বা ব্যৱসায় প্রতিষ্ঠানৰ আয় বা লাভৰ ওপৰত ধার্য্য কৰা কৰকে আয় কৰ বোলে। অৱশ্যে আয় কৰ ধার্য্য কৰোতে এটা নিৰ্দ্দিষ্ট আয়ৰ স্তৰলৈ ব্যক্তিসকলক কৰ ৰেহাই দিয়া হয় । আকৌ আয়ৰ স্তৰ বা মাত্রাৰ ওপৰত ভিত্তি কৰি কৰৰ হাৰ বেলেগ বেলেগ হোৱা দেখা যায়। আয় কৰক- ব্যক্তিগত আয়কৰ আৰু নিগমকৰ হিচাপে শ্রেণীবিভাগ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ কৰ বুলিলে কি বুজায় ? (প্রায় ৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ২ ঃ আয় কৰৰ সংজ্ঞা আগবঢ়াওক (প্রায় ৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) কৰক প্রত্যক্ষ আৰু পৰোক্ষ এই দুই ভাগত ভাগ কৰা হয়। (শুদ্ধ/অশুদ্ধ)

(খ) আয় কৰক ব্যক্তিগত আয়কৰ আৰু নিগম কৰ হিচাপে ভাগ কৰা হয়। (শুদ্ধ/অশুদ্ধ)

৪.৪ নিগম কৰ (CORPORATE TAX)

ব্যক্তিসকলে সকলো ধৰণৰ আয় প্রত্যক্ষ ভাবে নাপায়। সমাজখনৰ উপার্জনৰ এক বৃহৎ অংশৰ আয় আহে যৌথ ব্যৱসায় প্রতিষ্ঠানৰ পৰা যিবোৰ ব্যৱসায় প্রতিষ্ঠানক সাধাৰণ কথাত ব্যৱসায়িক নিগম বুলি কোৱা হয়। এই ব্যৱসায়িক নিগমবোৰৰ মালিকীস্বত্ব অংশীদাৰ সকলৰ হাতত থাকে। নিগম কৰ সাধাৰণতে কোম্পানীবোৰৰ কৰ যোগ্য লাভ আৰু আন আন লাভৰ ওপৰত লগোৱা হয়। ব্যৱসায় সংগঠন একোটাৰ কৰ যোগ্য লাভৰ ওপৰত নিগম কৰ ধার্য্য কৰা হয়। কৰ যোগ্য লাভ হৈছে কোম্পানী বা সংগঠনৰ আয়ৰ পৰা হোৱা লাভ। ব্যক্তিগত আৰু ৰাজহুৱা যিবোৰ ব্যৱসায় প্রতিষ্ঠান ভাৰতবর্ষত ১৯৫৬ চনৰ কোম্পানী আইনৰ অধীনত পঞ্জীয়নভূক্ত তেনে ব্যৱসায় প্রতিষ্ঠানবোৰহে নিগম কৰ দিবলৈ দায়বদ্ধ। ভাৰতবর্ষত নিগম কৰ কেৱল কেন্দ্রীয় চৰকাৰেহে ধার্য্য কৰিব পাৰে।

নিগমবোৰে সিহঁতৰ উপার্জিত আয় লগে লগে অংশীদাৰসকলক বিতৰণ নকৰিবও পাৰে। আয়ৰ পৰা হোৱা লাভৰ এটা অংশ ব্যৱসায় সংগঠনবোৰে পুনৰ বিনিয়োগৰ বাবে ৰাখিবপাৰে। লাভ কৰা আয় অংশীদাৰ সকলৰ মাজত লভ্যাংশ হিচাপে বিতৰণ কৰা হয়।দেশবোৰে নিগমবোৰৰ শুদ্ধ লাভৰ ওপৰত কৰ লগাব পাৰে। নিগম বোৰে বিতৰণ কৰা লভ্যাংশৰ ওপৰত অংশীদাৰ সকলৰ ওপৰত কৰ লগাব পাৰে। এনে কৰবোৰক মূলধন লাভ জনিত কৰ (Capital gain tax) বুলি জনা যায়।

জানি থোৱা ভাল



নিগম কৰ হৈছে এখন দেশৰ চৰকাৰে কোম্পানীবোৰৰ লাভৰ ওপৰত ধ্যার্য্য কৰা কৰ। ই এনে এবিধ কৰ যিটো কোম্পানীবোৰৰ শুদ্ধ আয়ৰ ওপৰত ধার্য্য কৰা হয়। অংশীদাৰ সকলৰ মাজত বিতৰণ কৰা লাভজনক আয়কে লভ্যাংশ বুলি কোৱা হয়।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন ৪ ঃ নিগম কৰ বুলিলে কি বুজায় ? (প্রায় ৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৪.৫ মূলধন লাভ জনিত কৰ (CAPITAL GAIN TAX)

সম্পত্তি এবিধৰ মূল্য সদায় একে নাথাকে। সময়ৰ লগে লগে তাৰ মূল্য বৃদ্ধি বা হ্রাস পায়। সম্পত্তি বিধৰ মূল্য বৃদ্ধিৰ সৈতে মূলধন জনিত লাভো বৃদ্ধি পায়। মূলধন লাভ জনিত কৰ বুলিলে মূলধন জাতীয় সম্পদৰ মূল্যবৃদ্ধিৰ ওপৰত লগোৱা কৰক বুজায়। আন কথাত কবলৈ হলে মূলধনজাতীয় সম্পদ ক্রয় মূল্যৰ তুলনাত তাৰ বর্তমান চলিত মূল্যৰ বৃদ্ধিৰ পৰিমানক মূলধনৰ লাভ (Capital gains) বুলি কোৱা হয়। মূলধনৰ লাভৰ উৎস হৈছে ষ্টক, বণ্ড, মূল্যবান ধাতু আৰু সম্পত্তি বিক্রীৰ পৰা হোৱা আয় । পৰিসম্পদ এবিধ উত্তৰাধিকাৰী সূত্রে লাভ কৰাটোক Capital gains বুলি কোৱা নহয়, কাৰণ এনেক্ষেত্রত পৰিসম্পদ বিধৰ বিক্রী বা হস্তান্তৰ নঘটে। সকলো দেশে মূলধনৰ লাভ জনিত কৰ ব্যৱস্থা প্রয়োগ নকৰে আৰু সৰহভাগ দেশৰ ব্যক্তি আৰু নিগমৰ ক্ষেত্রত এনে কৰৰ হাৰ বেলেগ বেলেগ হোৱা দেখা যায়। মূলধন লাভ জনিত কৰৰ প্রধান সুবিধা হৈছে ই সমতাৰ নীতিৰ ওপৰত প্রতিষ্ঠিত আৰু ইয়াক প্রতিচক্রীয় ব্যৱস্থা হিচাবে ব্যৱহাৰ কৰিব পৰা যায় । যিহেতু ধনী শ্রেণীৰ লোক সকলকহে এনেকৰ ধার্য্য কৰাৰ বাবে লক্ষ্য হিচাপে লোৱা হয় সেয়েহে ইয়াক এবিধ অতিমাত্র প্রগতিশীল কৰ ব্যৱস্থা বুলি বিবেচনা কৰা হয়। কিন্তু এইবিধ কৰৰ কিছুমান অসুবিধাও আছে। প্রথমতে এই বিধ কৰে নিশ্চয়তাৰ নীতি পূৰণ নকৰে। দ্বিতীয়তে ই বিপদ বহনৰ প্রতিও নিৰুৎসাহী কৰে। তৃতীয়তে প্রশাসনিক দিশতো এনেকৰৰ ক্ষেত্রত অসুবিধা আহি পৰে।

জানি থোৱা ভাল



মূলধন জাতীয় পৰিসম্পদৰ বৰ্দ্ধিত মূল্যৰ ওপৰত ধার্য্য কৰা কৰকে মূলধন লাভ জনিত কৰ বুলি কোৱা হয়। আন কথাত মূলধন জাতীয় পৰিসম্পদৰ ক্রয় মূল্যৰ উপৰিও চলিত দৰ বা মূল্য বৃদ্ধি পোৱাতোৱেই হৈছে মূলধন জাতীয় লাভ। মূলধন জাতীয় লাভৰ উৎস হৈছে ষ্টক, বণ্ড, মূল্যবান ধাতু আৰু সম্পত্তিৰ বিক্রীৰ পৰা হোৱা লাভৰ পৰিমান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ মূলধন লাভ জনিত কৰৰ সংজ্ঞা আগবঢ়াওক। (প্রায় ৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৬ ঃ কেইবিধমান গুৰুত্বপূর্ণ মূলধন জনিত লাভৰ উৎসৰ নাম উল্লেখ কৰক। (প্রায় ২০ টা শব্দৰ ভিতৰত)

.....

.....

৪.৬ ব্যয় কৰ (EXPENDITURE TAX)

বহুতো লিখকে ব্যয় কৰক আয় কৰৰ বিকল্প বুলি মত প্রকাশ কৰে। বিখ্যাত অর্থনীতিবিদ আলফ্রেড মার্চেল (Alfred Marshall) আৰু জে. এচ. মিল (J. S. Mill) এ ব্যয় কৰক আয় কৰতকৈ শ্রেষ্ঠ বুলি গণ্য কৰিছিল। জে. এচ মিলৰ মতে ব্যয় কৰৰ ক্ষেত্রত সঞ্চয়ক ৰেহাই দিয়া হয় আৰু মার্চেলৰ মতে কৰ আদায় দিয়া ক্ষমতা পৰিমাপৰ ক্ষেত্রত ই বেছি সুবিধাজনক। ব্যক্তি একোজনৰ সর্ব্বমুঠ উপভোগ্য ব্যয়ৰ ওপৰত বিক্রী কৰ ধার্য্য কৰা হয়। ব্যক্তিগত ব্যয়ৰ ওপৰত এই বিধ কৰ ধার্য্য কৰা হয় আৰু ব্যক্তিগৰাকীয়ে যেতিয়া উপভোগৰ উদ্দেশ্যে তেওঁৰ আয় খৰচ কৰে তেতিয়া এনে কৰ সংগ্রহ কৰ হয়। ই পৰোক্ষ কৰৰ ভাগ এটা আৰু সামগ্রী বা সেৱাৰ বিক্রী দৰৰ লগত ইয়াক সংযুক্ত কৰা হয় আৰু সামগ্রী আৰু সেৱাৰ গ্রাহকসকলে ইয়াৰ বোজা বহন কৰে। ই আনুপাতিক বা প্রগতিশীল কৰো হব পাৰে। আনুপাতিক কৰে এনে এটা কৰ ব্যৱস্থাক বুজায় যিটো কৰ ব্যৱস্থাত প্রত্যেক কৰদাতাই আয়ৰস্তৰ নির্বিশেষে একেটা হাৰত কৰ প্রদান কৰে। আনহাতে প্রগতিশীল কৰ ব্যৱস্থা বুলি এনে এটা কৰ ব্যৱস্থাক বুজোৱা হয় যিটো কৰ ব্যৱস্থাত

উচ্চ আয়ৰ কৰদাঁতাই উচ্চহাৰত কৰ আদায় দিয়ে। আয়ৰ ওপৰত ধার্য্যকৰা বিভিন্ন কৰৰ লগতে ব্যয় কৰো চৰকাৰে ৰাজহসংগ্রহৰ পৰিমাণ বৃদ্ধি কৰিবলৈ আৰু দেশখনৰ অর্থব্যৱস্থাত ব্যয়ৰ পৰিমাণ নিয়ন্ত্রণৰ ব্যৱস্থা হিচাপে ব্যৱহাৰ কৰে। ব্যয় কৰৰ এটা সুবিধা হৈছে এয়ে যে ই বিনিয়োগ আৰু সঞ্চয়ৰ ওপৰত পৰা ব্যক্তিগত আয়কৰৰ সাম্ভাব্য অশুভ প্রভাববোৰ দূৰ কৰে। কিন্তু এনে ধৰণৰ কৰ প্রশাসন কৰাটো যথেষ্ট অসুবিধাজনক হোৱা দেখা যায়।

জানি থোৱা ভাল



ব্যয় কৰ এনে এবিধ কৰ যিটো ব্যক্তি এজনৰ মুঠ উপভোগ ব্যয়ৰ ওপৰত ধার্য্য কৰা হয়। ব্যক্তিগত ব্যয়ৰ ওপৰত এনে কৰ ধার্য্য কৰা হয় আৰু উপভোগ কার্য্যৰ উদ্দেশ্যে ব্যয় কৰা আয়ৰ পৰা ইয়াক সংগ্রহ কৰা হয়। ই এবিধ পৰোক্ষ কৰ যিটো সামগ্রী আৰু সেৱাৰ বিক্রী দামৰ লগত সংযুক্ত হৈ থাকে আৰু এনে সামগ্রী ও সেৱাৰ গ্রাহকসকলে কৰৰ বোজা বহন কৰে। ই আনুপাতিক বা প্রগতিশীল কৰৰ দৰে হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ ব্যয় কৰ বুলিলে কি বুজায় ? (প্রায় ৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৮ ঃ আয় কৰৰ তুলনাত ব্যয় কৰ কি কাৰণত শ্রেষ্ঠ বুলি গণ্য কৰা হয় ? চমুকৈ লিখক (প্রায় ৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৯ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

ব্যয় কৰ সমানুপাতিক বা প্রগতিশীল হ'ব পাৰে। (শুদ্ধ/অশুদ্ধ)

.....

৪.৭ দান কৰ (GIFT TAX)

এজন মানুহে আন এজন মানুহক দিয়া যি কোনো মূল্যবান বস্তুৰ বাবে দাতাঁজনৰ ওপৰত দান কৰ ধার্য্য কৰা হয়। এজন ব্যক্তিয়ে আন এজন ব্যক্তিলৈ হস্তান্তৰ কৰা মুদ্রা বা সম্পত্তিৰ ওপৰত এইবিধ কৰ ধার্য্য কৰা হয়। দান কৰা বস্তুবিধৰ বাবে দান দিয়া ব্যক্তিজন অর্থাৎ দাতাঁই দান লওতা ব্যক্তিজনৰ পৰা প্রতিদান হিচাপে সমমূল্যৰ একো বস্তু লাভ নকৰে। দান কৰা ব্যক্তিজনক জীৱিতকালতে অথবা মৃত্যুৰ পিছতহে সম্পত্তি বিধৰ হস্তান্তৰ হ'ব পাৰে। দাতাঁজনৰ জীৱিত অৱস্থাতে সম্পত্তিৰ হস্তান্তৰ হলে তাক উপহাৰ বুলি কোৱা হয়, আনহাতে দাতাঁ জনৰ মৃত্যুৰ পিছত সম্পত্তিৰ হস্তান্তৰ হোৱাক দান বুলি কোৱা হয়। দাতাঁজনৰ জীৱিত কালত হস্তান্তৰ হোৱা সম্পত্তিৰ ওপৰত ধার্য্য কৰা কৰক উপহাৰ কৰ বুলি কোৱা হয় ,আনহাতে দাতাঁৰ মৃত্যুৰ পিচত হস্তান্তৰ হোৱা সম্পত্তিৰ ওপৰত ধার্য্য কৰা কৰক মৃত্যু শুল্ক বুলি কোৱা হয় । উপহাৰ কৰ দাতাঁই নিজে দিবলগীয়া হয় বা দান লাভ কৰা ব্যক্তিজনে দাতাঁজনৰ হৈ দান কৰ হিচাপে লাভ কৰা সম্পত্তিৰ মূল্যৰ এটা শতাংশ দিব লগা হয়।

ভাৰতবর্ষৰ দৰে দেশ এখনত সাধাৰণতে মানুহবোৰে তেওঁলোকৰ ভালপোৱাৰ নিদর্শন হিচাপে তেওঁৰ পৰিয়ালৰ সদস্যবোৰক উপহাৰৰ মাধ্যমত দান দিয়ে। এনে উপহাৰবোৰ নগদ টকা, আ-অলংকাৰ অথবা স্থাৱৰ - অস্থাৱৰ সম্পত্তিও হ'ব পাৰে। ভাৰত চৰকাৰৰ আয়কৰ বিধি অনুসৰি দাঁতাজনৰ বিশেষ আত্মীয়ৰ ক্ষেত্রত কৰমুক্ত উপহাৰৰ ব্যৱস্থাও আছে। এনে আত্মীয় সকল হৈছে মাক - বাপেক, স্বামী-স্ত্রী, স্বামী বা স্ত্রীৰ ভায়েক ভনীয়েক, একে মাক বাপেকৰ সতি-সন্ততি (ভাই-ভনী) ইত্যাদি । ১৯৬১ চনৰ আয় কৰ আইন অনুসৰি যদি লাভ কৰা উপহাৰৰ মূল্য বছৰি ৫০,০০০ টকাৰ ওপৰত হয় তেনে হলে তাক লাভ কৰা ব্যক্তিজনৰ কৰযোগ্য আয় হিচাপে গণ্য কৰা হয়। এনে কিছুমান উপহাৰ আছে যিবোৰৰ মূল্য যিমানেই নহওক তাৰ ওপৰত কৰ লগাব নোৱাৰে উদাহৰণ স্বৰূপে পদোন্নতিৰ দৰে লাভ কৰা উপহাৰ ।

জানি থোৱা ভাল



এজন মানুহে যেতিয়া আন এজন মানুহক মূল্যবান কোনো এবিধ বস্তু দিয়ে (দান কৰে) তেতিয়া দান দিয়া ব্যক্তিজন অর্থাৎ দাঁতাজনৰ ওপৰত দান কৰ ধার্য্য কৰা হয়। আন কথাত দাতাঁজনে অন্য ব্যক্তিৰ পৰা প্রতিদান হিচাপে একো নোপোৱাকৈয়ে আন এজন ব্যক্তিলৈ হস্তান্তৰ কৰা টকা-পইচা বা সম্পত্তিৰ মূলধনৰ ওপৰত ধার্য্য কৰা কৰেই হৈছে দানকৰ। দানকৰ সাধাৰণতে দাতাঁজনে দিব লাগে যাদিও দানপোৱা ব্যক্তিজনেও দাঁতাজনৰ হৈ দানকৰৰ এটা শতাংশ দিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১০ ঃ দান কৰৰ সংজ্ঞা আগবঢ়াওক (প্রায় ৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ১১ ঃ শুদ্ধনে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) দান কৰ দাতাঁই দিব লাগে আৰু দান লাভ কৰা ব্যক্তি জনে ইয়াৰ এটা শতাংশ দিব পাৰে। (শুদ্ধ/অশুদ্ধ)

(খ) এজন ব্যক্তিৰ জীৱিত কালতে যদি সম্পত্তিৰ হস্তান্তৰ কৰে তেনে হলে তাক উপহাৰ বোলে। (শুদ্ধ/অশুদ্ধ)

৪.৮ বিক্রী কৰ (SALES TAX)

বিক্রী কৰ এবিধ পৰোক্ষ কৰ, সামগ্রী আৰু সেৱা বিক্রী কৰাৰ বাবে কোনো এক নিয়ন্ত্রক বা প্রশাসন ব্যৱস্থাক এনে কৰ পৰিশোধ কৰা হয়। আন কথাত কবলৈ গলে ই এক প্রকাৰ উপভোগৰ বাবে প্রদান কৰা কৰ , উপভোক্তা সকলে ক্রয় কৰা সামগ্রী আৰু সেৱাৰ খুচুৰা বিক্রীৰ অৱস্থাত এনে কৰ ধার্য্য কৰা হয়। উপভোক্তাই আদায় দিয়া এনে কৰ খুচুৰা সামগ্রীৰ বিক্রেতাই কৰ কর্ত্তৃপক্ষক জমা দিয়ে। বিক্রীকৰ বস্তু / সামগ্রী বা সেৱা বিক্রীৰ সময়ত ধার্য কৰা হয়। খুচুৰা দৰৰ বিক্রেতা সকলে ইয়াক সংগ্রহ কৰি চৰকাৰক আদায় কৰি দিয়ে। বেলেগ বেলেগ প্রশাসন ব্যৱস্থাই বেলেগ বেলেগ বিক্রীকৰ ধার্য্য কৰে, সেয়েহে বহুসময়ত বিক্রী কৰ ওপৰা ওপৰিকৈ ধার্য্যকৰা হয় । দেশখনৰ কেন্দ্রীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ আৰু স্থানীয় চৰকাৰে বা পৌৰ নিগম প্রশাসনে প্রত্যেকেই নিজাববীয়াকৈ বিক্রীকৰ ধার্য্য কৰে। ৰাজ্যচৰকাৰে ধার্য্য কৰা বিক্রীকৰৰ উপৰিও দেশৰ কেন্দ্রীয় আৰু আঞ্চলিক কর্ত্তৃপক্ষই এনে কৰ ধার্য্য কৰিব পাৰে । বিভিন্ন দেশত বিভিন্ন প্রকাৰৰ বিক্রীকৰ ব্যৱস্থা থকাৰ লগতে কিছুমান সার্বজনীন বিক্রী কৰৰো প্রচলন থকা দেখা যায়। সেইবোৰ হল খুচুৰা বিক্রী কৰ, পাইকাৰী বিক্রী কৰ, নির্মাতা বা উৎপাদনকাৰীৰ বিক্রী কৰ, ব্যৱহাৰৰ কৰ আৰু মূল্য সংযোজিত কৰ ইত্যাদি। অর্থনৈতিক সহযোগিতা আৰু উন্নয়ন সংস্থা (Organization for Economic Cooperation and Development চমুকৈ OECD)ৰ মতে বিভিন্ন কৰ ব্যৱস্থৰ ভিতৰত বিক্রী কৰ হৈছে এবিধ কম ক্ষতিকাৰক কৰ, আৰু ই দেশখনৰ উন্নয়ন

আৰু বিনিয়োগৰ ওপৰত কম প্ৰভাৱ পেলায়। বিক্ৰীকৰৰ এটা অসুবিধা হৈছে ই ক্ৰমহ্ৰাসমান প্ৰকৃতিৰ। কাৰণ ইয়াৰ যোজাৰ ভাৰ নিম্ন আয়ৰ শ্ৰেণীৰ লোকৰ ওপৰত বেছিকৈ পৰে।

জানি থোৱা ভাল



বিক্ৰী কৰ এবিধ পৰোক্ষ কৰ যিবিধ কৰ সামগ্ৰী আৰু সেৱাৰ বিক্ৰীৰ বাবে কোনো এক নীতি নিৰ্দ্ধাৰক বা প্ৰশাসনীয় কৰ্ত্তৃপক্ষক পৰিশোধ কৰা হয়। আন কথাত ই এবিধ উপভোগ সংক্ৰান্তৰ কৰ। খুচুৰা বিক্ৰীৰ পৰ্য্যায়ত উপভোগৰ উদ্দেশ্যে ক্ৰয় কৰা বস্তু/সামগ্ৰী বা সেৱাৰ ওপৰত লগোৱা এইবিধ কৰ গ্ৰাহকে পৰিশোধ কৰে আৰু সামগ্ৰী বা সেৱাৰ খুচুৰা বিক্ৰেতাই কৰ পৰিচালনা কৰি কৰ্ত্তৃপক্ষক এই কৰ পৰিশোধ কৰে। সামগ্ৰী আৰু সেৱাৰ বিক্ৰীৰ সময়ত ধাৰ্য্য কৰা বিক্ৰীকৰ খুচুৰা বিক্ৰেতাৰ দ্বাৰা সংগ্ৰহ কৰি চৰকাৰক প্ৰদান কৰা হয়।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ১২ ঃ বিক্ৰী কৰ বুলিলে কি বুজায়? (প্ৰায় ৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন ১৩ ঃ সকলো দেশতে প্ৰচলন থকা বিক্ৰি কৰৰ প্ৰকাৰবোৰৰ নাম লিখক। (প্ৰায় ৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৪.৯ মূল্য সংযোজিত কৰ (VALUE ADDED TAX)

মূল্য সংযোজিত কৰ বা চমুকৈ ক'বলৈ গ'লে 'ভেট্' (VAT) এক প্ৰকাৰৰ পৰোক্ষ কৰ, উৎপাদনৰ বিভিন্ন স্তৰত ইয়াক আৰোপ কৰা হয়। প্ৰকৃত বা আচল উৎপাদনকাৰীয়ে ক্ৰেতা বা গ্ৰাহকক সামগ্ৰীবিধ বিনিময় বা হস্তান্তৰ কৰাৰ সময়ত এইবিধ কৰ পৰিশোধ কৰে। সাধাৰণ কথাত কবলৈ গ'লে 'ভেট্' এনে এবিধ কৰ যাক বস্তু আৰু সেৱাবোৰৰ সংযোজিত মূল্যৰ ওপৰত

আৰোপ কৰা হয়। সংযোজনৰ বিভিন্ন স্তৰত এই কৰ সংগ্রহ কৰা হয়। বস্তু ৰা সেৱা এবিধৰ উৎপাদন প্রক্রিয়াৰ বিভিন্ন স্তৰত সংযোজিত মূল্যৰ ওপৰত নির্দ্ধৰণ কৰা ই এক বহুস্তৰীয় কৰ ব্যৱস্থা। এই কৰ ব্যৱস্থাত কোনো ৰেহাইৰ ব্যৱস্থা নাই আৰু উৎপাদিত বস্তুবিধৰ উৎপাদনৰ বিভিন্ন স্তৰত ইয়াক ধার্য্য কৰা হয়।

যোৱা তিনিটা দশক জুৰি পৃথিৱীত ১৩০ খনতকৈও অধিক দেশত 'ভেট্' (VAT)ৰ প্রচলন হৈ আহিছে। যিহেতু বস্তু আৰু সেৱাৰ ওপৰত ইয়াক আদায় দিয়া হয় সেয়েহে ই দেশখনৰ মুঠ ঘৰুৱা উৎপন্ন (GDP)ৰ এটা অংশ হৈ পৰে। শেহতীয়া ভাবে 'ভেট্' প্রয়োগ কৰা দেশবোৰৰ ভিতৰত ভাৰতবর্ষও এখন। ২০০৫ চনৰ ১ এপ্রিলৰ পৰা ভাৰতবর্ষত ইয়াৰ প্রচলন হৈছে । দেশখনত প্রচলিত বিক্রী কৰ বিধিবোৰ ২০০৫ চনৰ 'ভেট্' আইন ৰ লগত সংযোগ কৰা হৈছে। ভাৰতবর্ষৰ ৰাজ্যবোৰৰ ভিতৰত হাৰিয়ানাত ২০০১ চনৰ ১ এপ্রিল তাৰিখত 'ভেট্' ব্যৱস্থা গ্রহণ কৰা হৈছিল। তাৰপিছত ২০১৪ চনৰ ১ জুন তাৰিখ পর্য্যন্ত আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ আৰু লাক্ষাদ্বীপৰ বাহিৰে ভাৰতবর্ষৰ সকলোবোৰ ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলত 'ভেট্' প্রয়োগ কৰা হৈছে।

জানি থোৱা ভাল



মূল্য সংযোজিত কৰ হৈছে সাধাৰণতে বস্তু সামগ্রীৰ ওপৰত ধার্য্যকৰা এক প্রকাৰৰ পৰোক্ষ কৰ। সাধাৰণ কথাত কবলৈ হলে 'ভেট্' এনে এবিধ কৰ যাক বস্তু সামগ্রী আৰু সেৱাবোৰৰ সংযোজিত মূল্যৰ ওপৰত লগোৱা হয় । বস্তু /সামগ্রীৰ মূল্য সংযোজনৰ ইয়াক সংগ্রহ কৰা হয়। উৎপাদিত সামগ্রীবিধৰ উৎপাদন প্রক্রিয়াৰ প্রতিটো স্তৰত সংযোজিত মূল্যৰ ওপৰত নির্দ্ধাৰণ কৰা ই এক প্রকাৰৰ বহুস্তৰীয় কৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১৪ ঃ 'ভেট্' ৰ সংজ্ঞা আগবঢ়াওক (প্রায় ৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ১৫ ঃ শুদ্ধনে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) 'ভেট' মুঠ ঘৰুৱা উৎপন্নৰ এটা অংশ। (শুদ্ধ / অশুদ্ধ)
(খ) পশ্চিম বঙ্গ ভাৰতবর্ষৰ প্রথম 'ভেট্' গ্রহণ কৰা ৰাজ্য। (শুদ্ধ / অশুদ্ধ)
প্রশ্ন ১৬ ঃ ভাৰতবর্ষত কোন চনৰ পৰা 'ভেট' প্রচলন কৰা হৈছিল?

৪.১০ সামগ্রী আৰু সেৱা কৰ (GST)

সামগ্রী আৰু সেৱা কৰ বস্তু / সামগ্রী আৰু সেৱাৰ উৎপন্ন বা নির্মাণ, বিক্রী আৰু উপভোগৰ ওপৰত ধার্য্য কৰা ই এক বিস্তৃত প্রকাৰৰ কৰ ব্যৱস্থা।এইবিধ কৰ পৃথিৱীৰ সৰহভাগ দেশতে ধার্য্য কৰা দেখা যায় আৰু এই কৰৰ হাৰ শতকৰা ১৫ ভাগৰ পৰা ২০ ভাগৰ ভিতৰত থকা দেখা যায়। ২০১৪ চনৰ ২৫ ডিচেম্বৰ তাৰিখে ভাৰতৰ সেই সময়ৰ বিত্ত মন্ত্রী অৰুণ জেটলীয়ে লোক সভাত এই কৰ নির্দ্ধাৰণৰ প্রস্তাব দাঙি ধৰে। চৰকাৰী ভাবে ইয়াক ভাৰতৰ সংবিধানৰ ১২২ তম সংশোধনী বিল বুলি জনা যায়। ২০১৭ চনৰ ১ জুলাইৰ পৰা এই কৰ ব্যৱস্থা কার্য্যকৰী কৰা হয়। ভাৰতবর্ষৰ GST কাউন্সিলৰ সভাপতি হৈছে ভাৰত চৰকাৰৰ কেন্দ্রীয় বিত্ত মন্ত্রী গৰাকী। ইয়াৰ আন আন সদস্য সকল হৈছে - কেন্দ্রীয় চৰকাৰৰ বিত্ত বিভাগৰ ৰাজ্যিক মন্ত্রী গৰাকী আৰু প্রত্যেক ৰাজ্যৰ বিত্তমন্ত্রী সকল। ই এনে এবিধ কৰ যাৰ মাজত ১২ বিধ পৰোক্ষ কৰ আৰু ২৩ বিধ উপকৰ যেনে উপভোগৰ ওপৰত কেন্দ্রীয় চৰকাৰে লগোৱা পৰোক্ষ কৰ অন্তর্ভূক্ত হয়। উদাহৰণ স্বৰূপে -আবকাৰী শুল্ক, সেৱাকৰ আৰু লগতে ৰাজ্য চৰকাৰে লগোৱা মূল্য সংযোজিত কৰ (VAT), সীমাশুল্ক, প্রবেশ কৰ,বিলাসী কৰ আদি এনে কৰৰ ভিতৰত অন্তর্ভূক্ত হৈ থাকে। যোগান শৃঙ্খলত শেষৰ ব্যৱসায়ীজনে দাবী কৰা GST ৰ বোজা শেহান্ত গ্রাহকজনে বহন কৰিব লাগে। কৰ সংগ্রহৰ বাবে GST ক পাঁচটা কৰ স্তৰত ভাগ কৰা হয়। সেইবোৰ হৈছে - 0% , 5%. 12%,18% আৰু 28% । কিন্তু পেট্রোলিয়ামজাত সামগ্রী, নিচাযুক্ত পানীয়, বিদ্যুৎ আদি GST ৰ অধীনত নপৰে। আগৰ হাৰ বোৰতে ৰাজ্য চৰকাৰে বেলেগে এইবোৰৰ ওপৰত কৰ লগায়। এইবোৰৰ উপৰিও মূল্যবান আৰু অর্দ্ধ মুল্যবান শিল (Stone)ৰ ওপৰত ২.৫% আৰু সোণৰ ওপৰত ৩% হাৰত এই কৰ লগোৱা হয়। ২৮% GST ৰ ওপৰত ২২% শতাংশ উপকৰ বা শুল্ক কেইবিধমান সামগ্রী, যেনে- শীতল পানীয় ,বিলাসী গাড়ী আৰু ধপাত জাতীয় সামগ্রীৰ ওপৰত ধার্য্য কৰা হয়। GST আর্হিৰ কৰবোৰৰ প্রশাসনৰ ক্ষেত্রত কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰ উভয়ৰে ভূমিকা আছে। একমাত্র এখন ৰাজ্যৰ ভিতৰত হোৱা আদান প্রদানৰ ক্ষেত্রত কেন্দ্রীয় GST (CGST) কেন্দ্রীয় চৰকাৰে ধার্য্য কৰে আৰু ৰাজ্যিক GST (CGST) ৰাজ্য চৰকাৰবোৰে লগায় বা ধার্য্য কৰে। কিন্তু আন্তঃৰাজ্যিক আদান প্রদান আৰু আমদানীকৃত সামগ্রী আৰু সেৱাবোৰৰ ক্ষেত্রত এবিধ অখণ্ড GST (IGST) কেন্দ্রীয় চৰকাৰে ধার্য্য কৰে। প্রতিবেদন অনুসৰি ২০১৮ চনৰ চেপ্টেম্বৰ মাহত সর্বমুঠ GSTৰ পৰিমান আছিল ৯৪,৪৪২ কোটি টকা। ইয়াৰ ভিতৰত CGST হ'ল১৫,৩১৮ কোটি টকা আৰু SGST হ'ল ২১,০৬১ কোটি টকা আৰু IGST হ'ল ৫০,০৭০ কোটি টকা।

জানি থোৱা ভাল



GST বা সামগ্রী আৰু সেৱা কৰ হৈছে এবিধ বিস্তৃত কৰ। সামগ্রী আৰু সেৱাবোৰৰ নির্মাণ, বিক্রী আৰু উপভোগৰ ওপৰত এইবিধ কৰ ধার্য্য কৰা হয়। চৰকাৰী ভাবে ইয়াক সংবিধানৰ ১২২ তম সংশোধনী বিল ২০১৪ বুলি অভিহিত কৰা হয়। ই এনে এবিধ কৰ যাৰ ভিতৰত আবকাৰী শুল্ক,ক্ষতিপূৰণ কৰ (Countervailing duty), সেৱাকৰ আদিৰ দৰে কেন্দ্রীয় চৰকাৰে ধার্য্য কৰা ১৭ বিধ পৰোক্ষকৰ, ২৩ বিধ উপকৰ আৰু লগতে ৰাজ্য চৰকাৰে ধার্য্য কৰা মূল্য সংযোজিত কৰ, সীমাশুল্ক, প্রৱেশ কৰ, বিলাসৰ কৰ আদি সন্নিবিষ্ট হৈ থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১৭ ঃ GST ৰ সংজ্ঞা আগবঢ়াওক। (প্রায় ৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ১৮ ঃ ভাৰতবর্ষত GST কেতিয়া প্রৱর্তন কৰা হৈছিল আৰু কেতিয়াৰ পৰা ই কার্য্যকৰী হৈছিল? (প্রায় ৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ১৯ ঃ কিমানজন মানুহ লৈ GST কাউন্সিল গঠন কৰা হয় ?

.....



৪.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যিকোনো এখন দেশৰ জনসাধাৰণে কোনো প্রতিদানৰ আশা নকৰাকৈ চৰকাৰ (স্থানীয় আঞ্চলিক বা কেন্দ্রীয়)লৈ আগবঢ়োৱা বাধ্যতামূলক বৰঙনিয়ে হৈছে কৰ। চৰকাৰৰ বাবে ই ৰাজহ সংগ্রহৰ প্রধান উৎস। কৰবোৰক প্রত্যেক্ষ কৰ আৰু পৰোক্ষকৰ হিচাপে শ্রেণী বিভাগ কৰিব পাৰি।
- আয় কৰ মানে হৈছে ব্যক্তি বা ব্যৱসায় প্রতিষ্ঠানৰ আয় বা লাভৰ ওপৰত লগোৱা কৰ। অৱশ্যে এনে কৰ লগাওতে এটা নির্দ্দিষ্ট স্তৰৰ আয়লৈ ৰেহাই দিয়া হয়।
- নিগম কৰ বা কর্পৰেট কৰ কোম্পানী বা আন লাভ উপার্জনকাৰী অনুষ্ঠানৰ লাভৰ ওপৰত

ধার্য্য কৰা হয়। এনে কৰ কোম্পানী অথবা অনুষ্ঠান বোৰৰ কৰ যোগ্য লাভৰ ওপৰত ধার্য্য কৰা হয়।

- মূলধন জনিত লাভৰ কৰ বুলিলে মূলধনজাতীয় পৰিসম্পদৰ বর্দ্ধিত মূল্যৰ ওপৰত লগোৱা কৰক বুজোৱা হয়। আন কথাত মূলধনজাতীয় পৰিসম্পদৰ ক্রয়মূল্যৰ তুলনাত বর্দ্ধিত চলিতমূল্যই হৈছে মূলধন জনিত লাভ।
- ব্যয়কৰ এনে এবিধ কৰ যি বিধ এজন ব্যক্তিৰ মুঠ উপভোগ্য ব্যয়ৰ ওপৰত ধার্য্য কৰা হয়। ব্যক্তিগত ব্যয়ৰ ওপৰত এই বিধ কৰ ধার্য্য কৰা হয় আৰু যেতিয়া ব্যক্তি এজনে তেওঁৰ আয় উপভোগৰ উদ্দেশ্যে খৰচ কৰে তেতিয়া এনে কৰ সংগ্রহ কৰে। ই এক প্রকাৰৰ পৰোক্ষ কৰ যি বিধ কৰ বস্তু- সামগ্রী আৰু সেৱাৰ বিক্রী দৰৰ লগত সংযুক্ত হৈ থাকে আৰু এনে সামগ্রী আৰু সেৱাৰ গ্রাহক সকলে কৰৰ বোজা বহন কৰে।
- দান কৰ এবিধ কৰ যিবিধ কৰ এনে এজন ব্যক্তিৰ ওপৰত ধার্য্য কৰা হয় যিজনে আন কোনো ব্যক্তিক মূল্যবান বস্তু দান কৰে। দাঁতাজনে সমমূল্যৰ কোনো প্রতিদান নোলোৱাকৈ আন এজন ব্যক্তিলৈ হস্তান্তৰ কৰা আয় আৰু সম্পত্তিৰ ওপৰত এই বিধ কৰ লগোৱা হয়।
- বিক্রীকৰ এবিধ পৰোক্ষ কৰ যিবিধ কৰ, কোনো এক নিয়ন্ত্রণকাৰী বা চৰকাৰী কর্ত্তৃপক্ষক বস্তু আৰু সেৱা বিক্রীৰ বাবে আদায় দিয়া হয়। আন কথাত ই এবিধ উপভোগ কৰ। খুচুৰা দৰস্তৰত ক্রয় কৰা সামগ্রী আৰু সেৱাৰ ওপৰত এই বিধ কৰ ধার্য্য কৰা হয়। গ্রাহকে আদায় দিয়া এনে কৰ খুচুৰা দৰৰ বিক্রেতাই কৰ কর্ত্তৃপক্ষক প্রদান কৰে।
- মূল্য সংযোজিত কৰ সহজকথাত 'ভেট্' কৰ বস্তু সামগ্রীৰ ওপৰত লগোৱা এক প্রকাৰৰ পৰোক্ষ কৰ, প্রকৃত উৎপাদনকাৰী এজনে পৰিবর্ত্তি ত সামগ্রী বিধৰ ওপৰত বা চুড়ান্ত গ্রাহকক হস্তান্তৰ কৰা সামগ্রীৰ ওপৰত লগোৱা এই বিধ কৰ কর্ত্তৃপক্ষক আদায় দিয়ে। সাধাৰণ কথাত কবলৈ হলে 'ভেট্' হৈছে বস্তু আৰু সেৱাবোৰৰ সংযোজিত মূল্যৰ ওপৰত ধার্য্য কৰা এবিধ কৰ।
- GST বা সামগ্রী আৰু সেৱাৰ কৰ হৈছে বস্তু / সামগ্রী আৰু সেৱাবোৰৰ নির্মাণ, বিক্রী আৰু উপভোগৰ ওপৰত ধার্য্য কৰা কৰ। ই হ'ল এক প্রকাৰৰ বিস্তৃত কৰ ব্যৱস্থা। চৰকাৰীভাবে ইয়াক ১২২ তম সংবিধান সংশোধনী বিল ২০১৪ বুলি জনা যায়। ই এনে একমাত্র কৰ যাৰ ভিতৰত আবকাৰী শুল্ক, সেৱাকৰ আদিৰ দৰে কেন্দ্রীয় চৰকাৰে ধার্য্য কৰা ১৭ বিধ পৰোক্ষ কৰ, ২৩ বিধ উপকৰ কৰ আৰু লগতে ৰাজ্যচৰকাৰে লগোৱা মূল্য সংযোজিত কৰ, সীমাশুল্ক, প্রৱেশ কৰ, বিলাসৰ কৰ আদি সন্নিবিষ্ট হৈ থাকে।

৪.১২ অধিক জানিবৰ বাবে

১) Choudhury, R. K and Chakraborty, R. C. (2016). *Public Finance and Fiscal Policy.* Ludhiana: Kalyani Publishers.

২) Lekhi, R. K. (2002). *Public Finance.* Ludhiana: Kalyani Publishers.

৩) Mithani, D. M. (2001). *Money, Banking, International Trade and Public Finance.* Mumbai: Himalaya Publishing House.

৪.১৩ অগ্রগতিৰ খতিয়ান

১ **নং প্রশ্নৰ উত্তৰঃ** যিকোনো দেশৰ স্থানীয় ,আঞ্চলিক বা কেন্দ্রীয় চৰকাৰলৈ কোনো প্রতিদানৰ আশা নকৰাকৈ বাধ্যতামূলক ভাবে দেশখনৰ জনসাধাৰণে আগবঢ়োৱা বৰঙণিয়েই হৈছে কৰ। কৰদাতাঁ এজনে লাভ কৰা টকাৰ ওপৰত কৰ ধার্য্য কৰা হয়। চৰকাৰী ব্যয়ৰ বাবে ব্যৱহাৰ কৰা ৰাজহুৱা পুজিৰ বা চৰকাৰী ৰাজহৰ ই এটা প্রধান উৎস।

২ **নং প্রশ্নৰ উত্তৰঃ** আয় কৰ হৈছে কোনো এজন ব্যক্তি বা ব্যৱসায় প্রতিষ্ঠানৰ আয় বা লাভৰ ওপৰত ধার্য্য কৰা কৰ। অৱশ্যে এনে কৰ ধার্য্য কৰোতে এটা নির্দ্দিষ্ট স্তৰলৈ আয় কৰা লোক সকলক কৰৰ পৰা ৰেহাই দিয়া হয়। আয়ৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি আয় কৰৰ হাৰ বেলেগ বেলেগ হোৱা দেখা যায়।

৩ **নং প্রশ্নৰ উত্তৰঃ** (ক) শুদ্ধ (খ) শুদ্ধ

৪ **নং প্রশ্নৰ উত্তৰঃ** নিগম কৰ হৈছে কোম্পানী আৰু অন্যান্য সংগঠন বা প্রতিষ্ঠানৰ কৰযোগ্য লাভৰ ওপৰত লগোৱা এবিধ কৰ। কৰযোগ্য আয়ৰ ওপৰত যি অতিৰিক্ত লাভ কোম্পনী বোৰে উপার্জন কৰে সেইটো কৰযোগ্য লাভৰ ভিতৰত অন্তর্ভূক্ত হৈ থাকে। ভাৰতবর্ষৰ ১৯৫৬ চনৰ আইনৰ অধীনত পঞ্জীয়নভূক্ত ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ আটাইবোৰ কোম্পানী বা ব্যৱসায় প্রতিষ্ঠানসমূহে নিগমকৰ আদায় দিয়াৰ ক্ষেত্রত দায়ৱদ্ধ হোৱাতো পৰিলক্ষিত হৈ আহিছে।

৫ **নং প্রশ্নৰ উত্তৰঃ** মূলধনজনিত লাভৰ কৰ বুলিলে সাধাৰণতে মূলধনজাতীয় পৰিসম্পদৰ বর্দ্ধিত মূল্যৰ ওপৰত ধার্য্য কৰা কৰক বুজায়, আন কথাত কবলৈ গলে মূলধন বা পৰিসম্পদ এবিধৰ ক্রয় মূল্যৰ তুলনাত চলিত মূল্য বা বর্দ্ধিত দামৰ পৰিমাণৰ ওপৰত মূলধনী লাভৰ কৰ ধার্য্য কৰা হয়। মূলধনী লাভৰ উৎস হৈছে- ষ্টক,বণ্ড, মূল্যবান ধাতু আৰু সম্পত্তি বিক্রীৰ পৰা হোৱা আয়। যেতিয়া পৰিসম্পদ এবিধ বিক্রী বা হস্তান্তৰ নহয় তেতিয়া মূলধনী লাভৰ সৃষ্টি নহয়।

৬ **নং প্রশ্নৰ উত্তৰঃ** কেইবিধমান মূলধন জনিত লাভৰ উৎস হৈছে ষ্টক বণ্ড, মূল্যবানধাতু আৰু সম্পত্তি বিক্রীৰ পৰাহোৱা আয়।

৭ **নং প্রশ্নৰ উত্তৰঃ** ব্যয় কৰ এনে এবিধ কৰ যিবিধ কৰ এজন ব্যক্তিৰ মুঠভোগ্য ব্যয়ৰ ওপৰত ধার্য্য কৰা হয়। ব্যক্তিৰ ব্যয়ৰ ওপৰত এইবিধ কৰ লগোৱা হয় আৰু ব্যক্তি জনে যেতিয়া তেওঁৰ উপার্জিত ধন উপভোগৰ বাবে ব্যৱহাৰ কৰে তেতিয়া ব্যয় কৰ সংগ্রহ কৰা হয়। ই পৰোক্ষ কৰৰ এটা প্রকাৰ আৰু বস্তু আৰু সেৱাৰ বিক্রি দৰৰ লগত এই বিধ কৰা যোগ কৰা হয় আৰু এনে সামগ্রীবোৰৰ উপভোক্তসকলে কৰৰ বোজা বহন কৰে।

৮ নং **প্রশ্নৰ উত্তৰঃ** বিখ্যাত অর্থনীতিবিদ আলফ্রেড মার্চেল আৰু জে. এচ, মিলে ব্যয় কৰক আয় কৰতকৈ শ্রেষ্ঠ বুলি বিবেচনা কৰিছিল। মিলৰ মতে ব্যয় কৰৰ ক্ষেত্রত সঞ্চয়ক ৰেহাই দিয়া হয় আৰু মার্চেলৰ মতে এই কৰৰ জড়িয়তে নাগৰিক এজনৰ বা কৰ দাতাঁৰ কৰ প্রদান কৰিব পৰা সামর্থ্যৰ ভাল হিচাপ পাব পৰা যায়।

৯ নং **প্রশ্নৰ উত্তৰঃ** শুদ্ধ

১০ নং **প্রশ্নৰ উত্তৰঃ** দান কৰ এনে এবিধ কৰ যি বিধ কৰ ব্যক্তি এজনে আন এজন ব্যক্তিক দিয়া মূল্যবান বস্তুৰ ওপৰত লগোৱা হয়। আন কথাত ই অর্থ বা সম্পত্তিৰ ওপৰত লগোৱা এবিধ কৰ যি অর্থ সম্পত্তি এজন মানুহৰ পৰা আন এজনলৈ হস্তান্তৰ হওঁতে দাতাঁজনে গ্রহণ কৰোতাজনৰ পৰা বিনিময়ত সমমূল্যৰ কোনো বস্তু লাভ নকৰে। সম্পত্তি বিধৰ হস্তান্তৰ মালিকজনৰ জীৱিতকালত অথবা মৃত্যুৰ পিছতো হ'ব পাৰে।

১১ নং **প্রশ্নৰ উত্তৰঃ** (ক) শুদ্ধ (খ) শুদ্ধ

১২ নং **প্রশ্নৰ উত্তৰঃ** বিক্রী কৰ এবিধ পৰোক্ষ কৰ যিটো কোনো এক নীতিনিয়ন্ত্রক বা পৰিচালনা কর্ত্তৃপক্ষক সামগ্রী আৰু সেৱাবোৰৰ বিক্রীৰ বাবে দিয়া হয়। আন কথাত ই এবিধ উপভোগ বিষয়ৰ কৰ, খুচুৰা দ ৰৰ স্তৰত সামগ্রী আৰু সেৱা বোৰ ক্রয় কৰাৰ সময়ত ইয়াক ধার্য্য কৰা হয় আৰু খুচুৰা দৰৰ ব্যৱসায়ীসকলে কৰ কর্ত্তৃপক্ষক এই কৰ আদায় কৰি দিয়ে।

১৩ নং **প্রশ্নৰ উত্তৰঃ** সকলোদেশতে প্রচলন থকা সার্বজনীন প্রকাৰৰ বিক্রীকৰবোৰ হৈছে- খুচুৰা বিক্রী কৰ, পাইকাৰী বিক্রী কৰ, নির্মাণকাৰীৰ বিক্রীকৰ, ব্যৱহাৰ কৰ আৰু মূল্য সংযোজিত কৰ।

১৪ নং **প্রশ্নৰ উত্তৰঃ** মূল্যসংযোজিত কৰ বা চমুকৈ 'ভেট্' হৈছে সামগ্রীৰ ওপৰত লগোৱা এক প্রকাৰৰ পৰোক্ষ কৰ। প্রকৃত উৎপাদনকাৰীয়ে পৰিবর্তিত সামগ্রী বিধৰ ওপৰত বা সামগ্রী বিধ উপভোগ কৰা প্রকৃত উপভোক্তালৈ সামগ্রী বিধ হস্তান্তৰ কৰোতে এইবিধ কৰ আদায় দিয়ে। ভাৰতবর্ষত ১ এপ্রিল ২০০৫ চনৰ পৰা 'ভেট্' প্রচলন কৰা হৈছিল।

১৫ নং **প্রশ্নৰ উত্তৰঃ** ক) শুদ্ধ (খ) অশুদ্ধ

১৬ নং **প্রশ্নৰ উত্তৰঃ** ভাৰতবর্ষত ১ এপ্রিল ২০০৫ চনৰ পৰা 'ভেট্'ৰ প্রচলন কৰা হৈছিল।

১৭ নং **প্রশ্নৰ উত্তৰঃ** GST অর্থাৎ সামগ্রী আৰু সেৱা কৰ এবিধ বিস্তৃত কৰ ব্যৱস্থা। সামগ্রী আৰু সেৱাবোৰৰ নির্মাণ, বিক্রী আৰু উপভোগৰ বিভিন্ন স্তৰত এইবিধ কৰ ধার্য্য কৰা হয়। প্রশাসনীয় ভাবে ইয়াক ভাৰতৰ সংবিধানৰ ১২২ তম সংশোধনী আইন ২০১৪ চন বুলি অভিহিত কৰা হৈছে। সামগ্রী সেৱাৰ উপভোগৰ ওপৰত কেন্দ্রীয় চৰকাৰে লগোৱা ই এনে এবিধ কৰ যিয়ে বিভিন্ন পৰোক্ষকৰ যেনে আৱকাৰী কৰ,সেৱাকৰ আৰু ৰাজ্য চৰকাৰে ধার্য্য কৰা মূল্য সংযোজিত কৰ, সীমাশুল্ক আৰু বিলাসৰ কৰ ইত্যাদিক সামৰি লয় ।

১৮ নং প্ৰশ্নৰ উত্তৰঃ ভাৰতবৰ্ষত ২০১৪ চনত বিত্তমন্ত্ৰী অৰুণ জেটলীয়ে GST ৰ প্ৰচলন কৰে। এক জুলাই ২০১৭ চনৰ পৰা ই কাৰ্য্যকৰী হয়।

১৯ নং প্ৰশ্নৰ উত্তৰঃ ভাৰতবৰ্ষৰ GST কাউঞ্চিলৰ সভাপতি হৈছে ভাৰত চৰকাৰৰ কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকী। ইয়াৰ আন সদস্যসকল হৈছে কেন্দ্ৰীয় চৰকাৰৰ বিত্ত বিভাগৰ ৰাজ্যিক মন্ত্ৰী গৰাকী আৰু প্ৰত্যেক ৰাজ্যৰ বিত্তমন্ত্ৰীসকল।

৪.১৪ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ আয় কৰ বুলিলে কি বুজায় ?

প্ৰশ্ন ২ ঃ ব্যয় কৰৰ সংজ্ঞা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ নিগম কৰৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ দান কৰৰ ওপৰত এটা চমুটোকা লিখক।

ৰচনা ধৰ্ম্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ব্যয় কৰ কেনেকৈ আয় কৰতকৈ শ্ৰেষ্ঠ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ কিছুমান গুৰুত্বপূৰ্ণ কৰৰ বিষয়ে ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ সুবিধা আৰু অসুবিধা সহ মূলধন লাভ জনিত কৰৰ বিষয়ে ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ GST প্ৰয়োগৰ লগে লগে কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্য্যায়ত 'ভেট' ধাৰ্য্য কৰাৰ ক্ষেত্ৰত থকা সমস্যাসমূহ সমাধান কৰিব পৰা হ'ল- সিদ্ধান্তটো আলোচনা কৰক।

*** **** ***

অধ্যায় ৫ ঃ কৰ আৰু অৰ্থনীতি

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ কৰ অনুপাত আৰু কৰ সামৰ্থ
৫.৪ কৰৰ প্ৰভাৱ
৫.৪.১ উৎপাদনৰ প্ৰভাৱ
৫.৪.২ বিতৰণৰ প্ৰভাৱ
৫.৪.৩ অৰ্থনৈতিক স্থিৰতাৰ ওপৰত প্ৰভাৱ
৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৬ অধিক জানিবৰ বাবে
৫.৭ অগ্ৰগতিৰ খতিয়ান
৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কৰ অনুপাতৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- কৰ সামৰ্থৰ সংজ্ঞা দিব পাৰিব আৰু ইয়াৰ গুৰুত্ব মূল্যায়ণ কৰিব পাৰিব
- উৎপাদন, বিতৰণ আৰু অৰ্থনৈতিক স্থিৰতাৰ ওপৰত কৰৰ প্ৰভাৱ বিশ্লেষণ কৰিব পাৰিব।

৫.২ পৰিচয়

কৰ তত্ত্বত কৰ অনুপাতৰ ধাৰণা অতি গুৰুত্বপূৰ্ণ। ই অৰ্থনীতি এটাৰ কৰ সামৰ্থ সম্পৰ্কে এক সু-পৰিচয় দাঙি ধৰে। আনহাতে কৰৰ প্ৰভাৱ বহুলভাৱে অৰ্থনীতিৰ কৰ সামৰ্থৰ ওপৰত নিৰ্ভৰ কৰে। এই অধ্যায়ত কৰ অনুপাত আৰু কৰ সামৰ্থৰ ধাৰণা আলোচনা কৰা হ'ব আৰু অৰ্থনীতি এটাৰ বিভিন্ন ক্ষেত্ৰসমূহত কৰৰ প্ৰভাৱ সম্পৰ্কে বিশ্লেষণ কৰা হ'ব।

৫.৩ কৰ অনুপাত আৰু কৰ সামৰ্থ

কৰ অনুপাত (Tax Ratio) ঃ কৰ অনুপাত হ'ল দেশ এখনৰ মুঠ ঘৰুৱা উৎপাদন (GNP) আৰু কৰ গাঁথনিৰ অনুপাত। এইদৰে, ই হ'ল ৰাজহ আকাৰত সংগ্ৰহ কৰা GNPৰ শতাংশ। কৰ অনুপাত হ'ল দেশৰ কৰ সামৰ্থৰ এক সাধাৰণ সূচক আৰু ইয়াক

নির্ধাৰণ কৰা হয় জনমূৰি আয়, জীৱন ধাৰণৰ মানদণ্ড, জাতীয় আয় বৃদ্ধিৰ ধাৰা, আৰু কৰ ব্যৱস্থাপনাৰ কার্যকাৰিতাৰ ওপৰত। উল্লিখিত নির্ধাৰকসমূহৰ কথা বিবেচনা কৰিলে ওলাই পৰে যে, উন্নত দেশৰ তুলনাত অনুন্নত দেশ এখনত কৰ অনুপাত কম।

কৰ সামর্থ (Taxable Capacity) ঃ কৰ সামর্থ বুলিলে উৎপাদন আৰু অর্থনৈতিক কার্যকাৰিতাত প্রতি কুল প্রভাৱ নপৰাকৈ এজন ব্যক্তি বা এটা অর্থনীতিয়ে বহন কৰিব পৰা সর্বাধিক কৰৰ পৰিমাণক বুজায়। বিষয়নিষ্ঠ ধাৰণা হিচাপে বিভিন্ন অর্থবিজ্ঞানীয়ে কৰ সামর্থৰ সংজ্ঞা বিভিন্ন ধৰণেৰে আগবঢ়াইছে।

অসংখ্য সংজ্ঞা বিবেচনা কৰি, কৰ সামর্থৰ সংজ্ঞা এনেদৰে দিব পাৰি— ই হ'ল কোনো এটা জাতিৰ পৰা আহৰণ কৰিব পৰা সর্বাধিক ৰাজহ য'ত—

- সর্বোচ্চ উপভোগৰ স্তৰ,
- প্রচলিত জীৱন ধাৰণৰ মানদণ্ড, বা
- উৎপাদনৰ সামর্থ আৰু
- অর্থনৈতিক কার্যকাৰিতা ব্যাহত নহয়।

উপর্যুক্ত সংজ্ঞাৰ পৰা ক'ব পাৰি যে পৰম কৰ সামর্থ এক ধ্রুৱক মান নহয়, ৰৱং ই উৎপাদন সামর্থৰ পৰিৱর্তন, অর্থনৈতিক উন্নয়ন আৰু আয় আৰু সম্পদৰ বিতৰণৰ পৰিৱর্তনৰ লগে লগে অবিৰতভাৱে পৰিৱর্তন হয়।

পৰম আৰু আপেক্ষিক কৰ সামর্থ (Absolute and relative taxable capacity) ঃ পৰম কৰ সামর্থ হ'ল কোনো এক কৰদাতা বা কৰদাতা গোটৰ পৰা সর্বাধিক আকাৰত সংগ্রহ কৰিব পৰা কৰ ৰাজহৰ পৰিমাণ। যিহেতু কৰৰ সর্বাধিক পৰিমাণ এটা বিষয়নিষ্ঠ ধাৰণা, পৰম কৰ সামর্থৰ ধাৰণাক পৰিমাণত প্রকাশ কৰা আৰু এক বিশ্লেষণাত্মক আহিলালৈ ৰূপান্তৰ কৰাটো বৰ কঠিন।

ইয়াৰ বিপৰীতে, আপেক্ষিক কৰ সামর্থই দুই বা ততোধিক ব্যক্তিগত কৰদাতা, কৰদাতা গোট বা দেশসমূহৰ মাজৰ পৰম কৰ সামর্থৰ তুলনা কৰে। গতিকে আপেক্ষিক কৰ সামর্থ হ'ল কোনো এক কৰদাতা গোটৰ কৰ সামর্থ আৰু আন এক গোটৰ কৰ সামর্থৰ অনুপাত।

এইদৰে, যদি প্রথম এটা গোটৰ পৰম কৰ সামর্থ দ্বিতীয় গোটতকৈ দুগুণ হয়, তেনেহ'লে প্রথম গোটৰ আপেক্ষিক কৰ ক্ষমতা দ্বিতীয় গোটৰ দুগুণ হ'ব। আপেক্ষিক কৰ সামর্থৰ ভিত্তিত, দ্বিতীয় গোটতকৈ প্রথম গোটৰ ওপৰত উচ্চহাৰত কৰ আৰোপ কৰিব পাৰি।

তুলনামূলকভাৱে, পৰম কৰ সামর্থতকৈ আপেক্ষিক কৰ সামর্থৰ ধাৰণাটো অধিক অর্থপূর্ণ আৰু প্রায়োগিক। ইয়াৰ কাৰণ হ'ল আপেক্ষিক কৰ সামর্থৰ ধাৰণাটোৰে দুটা বা ততোধিক কৰদাতা গোটৰ তুলনা কৰিব পৰা ভিত্তি এটা দিয়ে।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট যে, কৰ সামৰ্থৰ ধাৰণাটো সঠিকভাৱে সংজ্ঞায়িত অথবা নির্দিষ্টকৈ পৰিমাণগত হিচাবে প্ৰকাশ কৰাটো কঠিন। সাধাৰণভাৱে, ই বহুবোৰ কাৰকৰ ওপৰত নির্ভৰ কৰে। সেইবোৰ হৈছে —

- **ৰাষ্ট্ৰীয় আয়ৰ আকাৰ ঃ** ৰাষ্ট্ৰীয় আয়ৰ পৰিমাণ যিমানেই বেছি হ'ব, কৰ সামৰ্থৰ পৰিমাণো সিমানেই বেছি হ'ব।
- **জনসংখ্যাৰ আকাৰ ঃ** কৰ সামৰ্থ জনসংখ্যাৰ আকাৰৰ ওপৰতো নির্ভৰ কৰে। জনসংখ্যাৰ আকাৰ যদি বৃহৎ হয়, তেতিয়া বৃহৎ সংখ্যক লোকে বৃহৎ পৰিমাণে আয় আহৰণ কৰিব বা ব্যয়ো কৰিব। ফলত, কৰ সামৰ্থ অধিক হ'ব।
- **আয় আৰু সম্পদৰ বিতৰণ ঃ** যিবোৰ সমাজত আয় আৰু সম্পদৰ বিতৰণ অসমতাপূৰ্ণ হয়, সেইবোৰ সমাজত কৰ সামৰ্থ অধিক হয়। ইয়াৰ কাৰণ হ'ল সমাজৰ ধনী শ্ৰেণীৰ ওপৰত চৰকাৰে অধিক হাৰৰ কৰ আৰোপ কৰিব পাৰে।
- **অৰ্থনৈতিক অৱস্থা ঃ** অৰ্থনৈতিক অৱস্থাৰ ওপৰতো কৰ সামৰ্থ নির্ভৰ কৰে। অৰ্থনীতিটোৱে যেতিয়া উন্নয়নৰ দিশত গতি কৰে, উৎপাদন, সেৱা আদি খণ্ডসমূহৰ কাম-কাজো বৃদ্ধি পাবলৈ ধৰে। ফলস্বৰূপে, অধিক পৰিমাণে কৰ সংগ্ৰহ কৰিব পাৰি।
- **চৰকাৰী ব্যয়ৰ প্ৰকৃতি আৰু আকাৰ ঃ** উৎপাদনশীল ক্ষেত্ৰত কৰা চৰকাৰী ব্যয়ে অৰ্থনীতিৰ বিকাশত সহায় কৰে। ফলস্বৰূপে, কৰ সামৰ্থও বৃদ্ধি পায়। ইয়াৰ বিপৰীতে, অনুৎপাদনশীল অৰ্থনৈতিক ক্ষেত্ৰ যথা - প্ৰতিৰক্ষা, চৰকাৰী ঋণৰ সুদ পৰিশোধ আদিয়ে দেশৰ উৎপাদন প্ৰক্ৰিয়াটোক প্ৰত্যক্ষভাৱে কোনোধৰণে সহায় নকৰে। গতিকে, এনে ধৰণৰ চৰকাৰী ব্যয় সমূহে কৰ সামৰ্থ বৃদ্ধিত কোনো প্ৰকাৰে অৰিহণা নোযোগায়।
- **জনসাধাৰণৰ ভোগৰ প্ৰৱণতা ঃ** দেশখনৰ জনসাধাৰণৰ ভোগৰ প্ৰৱণতাইও কৰ সামৰ্থক প্ৰভাৱান্বিত কৰিব পাৰে। সাধাৰণতে দেখা যায় যে, অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ ওপৰত অতি কম পৰিমাণৰ কৰ আৰোপ কৰা হয়; আকৌ, বিলাসী সামগ্ৰীসমূহৰ ওপৰত উচ্চহাৰৰ কৰ আৰোপ কৰা হয়। গতিকে আমি ক'ব পাৰোঁ যে, দেশখনৰ জনসাধাৰণে যদি তেওঁলোকৰ আয়ৰ বুজন অংশ অত্যাৱশ্যকীয় সামগ্ৰীৰ ক্ৰয়ত ব্যয় কৰে, তেতিয়া কৰ সামৰ্থ কম হ'ব। ইয়াৰ বিপৰীতে, বিলাসী সামগ্ৰীসমূহৰ ওপৰত অধিক ব্যয় কৰিলে কৰ সামৰ্থও অধিক হ'ব।
- **প্ৰশাসনিক দক্ষতা ঃ** এক দক্ষ প্ৰশাসন ব্যৱস্থাই কৰ ফাঁকি ৰোধ কৰিব পাৰে; ফলস্বৰূপে কৰ সামৰ্থও অধিক হ'ব।
- **অন্যান্য কাৰক ঃ** কৰ সামৰ্থক প্ৰভাৱান্বিত কৰা আন উল্লেখযোগ্য কাৰকসমূহ হৈছে কৰৰ ধৰণ, ইয়াৰ উদ্দেশ্য, দেশখনৰ ৰাজনৈতিক অৱস্থা, জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড আদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃশুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) কৰ অনুপাত হ'ল এক বৈধ আহিলা যাৰ ওপৰত কৰ আৰোপ কৰা হয়। (শুদ্ধ/অশুদ্ধ)

(খ) পৰম কৰ সামৰ্থই দুই বা ততোধিক কৰ দাতা গোটৰ মাজত কৰ সামৰ্থ তুলনা কৰে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ২ ঃ পৰম কৰ সামৰ্থ বুলিলে কি বুজায়? (৩০ টা শব্দৰ ভিতৰত)

৫.৪ কৰৰ প্রভাৱ

চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণৰ লগতে কৰ হ'ল এটি অতি গুৰুত্বপূর্ণ বিত্তীয় আহিলা। ইয়াৰ প্রাথমিক কার্য হ'ল সম্পদ সংগ্রহ। ইয়াৰ উপৰিও, অর্থনীতিৰ বিভিন্ন কাম্য উদ্দেশ্যসমূহ পূৰণৰ ক্ষেত্রত কৰ ব্যৱহাৰ কৰা হয়। এইদৰে, এক সাধাৰণ কৰ নীতিয়ে নিম্নোল্লিখিত লক্ষ্য কেইটাত উপনীত হোৱাত চেষ্টা কৰে -

- সম্পদৰ কাম্য আবণ্টন, যাতে সর্বাধিক উন্নয়নৰ হাৰত উপনীত হ'ব পৰা যায়,
- অর্থনীতিত এক গ্রহণযোগ্য নিয়োগৰ পৰিমাণ বজাই ৰাখি দৰ আৰু উৎপাদনৰ উত্থান-পতন ৰোধৰ দ্বাৰা অর্থনৈতিক স্থিৰতা বজাই ৰখা, আৰু
- পুনৰ বিতৰন প্রক্রিয়াৰ সহায়ত আয় আৰু সম্পদৰ সম বিতৰণ।

অর্থনীতিত কৰৰ সুদূৰ প্রসাৰী প্রভাৱৰ কথা লক্ষ্য কৰিলে এটা কথা ক'ব পাৰি যে এক ফলপ্রসূ কৰ নীতিয়ে উপর্যুক্ত উদ্দেশ্যসমূহ পূৰণ কৰাটো অতীৱ প্রয়োজন। পৰৱর্তী অনুচ্ছেদত আমি উৎপাদন, বিতৰণ আৰু স্থিৰতাৰ ওপৰত কৰৰ প্রভাৱ সম্পর্কে আলোচনা কৰিম।

জানি থোৱা ভাল



কৰে জনসাধাৰণৰ ব্যয়যোগ্য আয় হ্রাস কৰে; আনহাতে, কৰৰ জৰিয়তে বিত্ত যোগান ধৰা চৰকাৰী ব্যয়ে ইয়াক বৃদ্ধি কৰে। সেয়েহে চৰকাৰী ব্যয়ৰ প্রভাৱক আওকাণ কৰি অর্থনীতিৰ ওপৰত কৰৰ পৰিণাম সহজভাৱে বিশ্লেষণ কৰিব নোৱাৰি।

৫.৪.১ উৎপাদনৰ ওপৰত প্ৰভাৱ

ডেল্টনৰ মতে, কৰে উৎপাদনৰ ওপৰত নিম্নোলিখিত প্ৰভাৱসমূহ পেলায়—

- **কাম কৰাৰ, সঞ্চয় আৰু বিনিয়োগৰ সামৰ্থৰ ওপৰত প্ৰভাৱ ঃ** কৰে কৰদাতাৰ ক্ৰয় ক্ষমতা হ্ৰাস কৰে। এই পৰিণাম দুখীয়া শ্ৰেণীৰ ওপৰত ইমানেই বেছি যে এইসকল লোক কৰ আৰোপৰ বাবে অত্যাৱশ্যকীয় দ্ৰব্য আৰু সেৱা পৰ্যাপ্তভাৱে আহৰণ কৰাতো ব্যৰ্থ হ'ব পাৰে।

  যিহেতু কৰে জনসাধাৰণৰ ***ব্যয়যোগ্য আয়*** (disposable income) হ্ৰাস কৰে, সঞ্চয়ৰ ওপৰত ইয়াৰ প্ৰত্যক্ষ প্ৰতিকূল প্ৰভাৱ পৰে। সঞ্চয়ৰ হ্ৰাসে বিনিয়োগৰ উৎস বিঘ্নিত কৰে। গতিকে কৰে ব্যয় যোগ্য আয় হ্ৰাসৰ জৰিয়তে সঞ্চয় আৰু বিনিয়োগৰ পৰিমাণো হ্ৰাস কৰে।

- **কাম কৰাৰ, সঞ্চয় আৰু বিনিয়োগৰ ইচ্ছাৰ ওপৰত প্ৰভাৱ ঃ** কৰে বিভিন্ন ব্যক্তিৰ কাম কৰা, সঞ্চয় আৰু বিনিয়োগৰ ইচ্ছা বেলেগ বেলেগ ধৰণে প্ৰভাৱ পেলায়। ইয়াৰ কাৰণ হ'ল কাম কৰাৰ, সঞ্চয় আৰু বিনিয়োগৰ প্ৰতি কৰৰ পৰিপ্ৰেক্ষিতত ব্যক্তি বিশেষে দৃষ্টিভংগী বেলেগ বেলেগ হয়।

  যি ব্যক্তিয়ে নিজৰ জীৱন ধাৰণৰ মানদণ্ড বজাই ৰাখিব বিচাৰে কৰ আৰোপৰ পাছত তেনে ব্যক্তিয়ে অধিক শ্ৰম কৰি কাম কৰিব। তেওঁ কৰৰ বাবে ত্যাগ কৰিব লগা আয়ৰ ক্ষতিপূৰণৰ বাবে এনে কৰিব। আনহাতে, যদি কোনো ব্যক্তি কৰ আৰোপৰ পূৰ্বৰ জীৱন ধাৰণৰ মানদণ্ড বজাই ৰখাৰ প্ৰতি সচেতন নহয়, তেনেহ'লে কৰ আৰোপে তেনে ব্যক্তিৰ কাম কৰাৰ উৎসাহ হ্ৰাস কৰিব। এই ক্ষেত্ৰত ব্যক্তিয়ে কাম কৰাৰ যুক্তি দেখা নাপাব, কিয়নো উপাৰ্জনৰ এটা মোটা অংশ কৰৰ নামত গুচি যাব। এইখিনিতে উনুকিয়াই থোৱা ভাল হ'ব যে পৰোক্ষ কৰতকৈ প্ৰত্যক্ষ কৰৰ দ্বাৰা কাম কৰাৰ ইচ্ছা বেছি প্ৰতিকূলভাৱে প্ৰভাৱিত হয়।

  ব্যৱসায় প্ৰতিষ্ঠানৰ ক্ষেত্ৰত কাম কৰাৰ, সঞ্চয় আৰু বিনিয়োগৰ সিদ্ধান্ত বহুতো জটিল কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। ব্যৱসায় প্ৰতিষ্ঠানৰ মুখ্য উদ্দেশ্য যিহেতু লাভ আহৰণ কৰা, গতিকে কৰ আৰোপে এই উদ্দেশ্যত বেছি আঘাত নাহানে আৰু ব্যৱসায় প্ৰতিষ্ঠানৰ ক্ষেত্ৰত কাম কৰাৰ, সঞ্চয় আৰু বিনিয়োগ কৰাৰ ইচ্ছা কৰ আৰোপে প্ৰভাৱ পেলাব নোৱাৰে।

- **অৰ্থনৈতিক সম্পদৰ স্থানান্তৰৰ ওপৰত ঃ** কৰ আৰোপে উৎপাদনৰ আকাৰ আৰু বৃদ্ধিকেই প্ৰভাৱিত নকৰে, ই উৎপাদন গাঁথনিৰ ওপৰতো প্ৰভাৱ পেলায়। এইদৰে কোনো বিশেষ উদ্যোগৰ ওপৰত উচ্চ হাৰৰ কৰ আৰোপৰ জৰিয়তে চৰকাৰী কৰ্তৃপক্ষই এই উদ্যোগৰ পৰা অন্য উদ্যোগ বা উদ্যোগসমূহলৈ সম্পদ



ব্যয়যোগ্য আয় —

কৰ আদায় দিয়াৰ পাচত হাতত ৰৈ যোৱা আয়

স্থানান্তৰ কৰিব পাৰে। উদাহৰণস্বৰূপে, ধূমপান উদ্যোগৰ ওপৰত উচ্চ হাৰৰ কৰ আৰোপ কৰি ইয়াৰ পৰা সম্পদৰ অন্য উপযোগী উদ্যোগ যেনে বস্ত্ৰ, স্বাস্থ্য, শিক্ষা আদিলৈ স্থানান্তৰ কৰিব পাৰে।

একেদৰে, উন্নত অঞ্চল একোটাত উচ্চ হাৰৰ কৰ আৰোপৰ দ্বাৰা সম্পদ স্থানান্তৰ কৰি বা সাহাৰ্যৰ ৰূপত অনুন্নত অঞ্চললৈ আগবঢ়াব পাৰি। এইদৰে, কৰ ব্যৱস্থাক সমতাপূৰ্ণ অৰ্থনৈতিক বিকাশৰ আহিলা হিচাবে ব্যৱহাৰ কৰিব পাৰি।

৫.৪.২ বিতৰণৰ ওপৰত প্ৰভাৱ

চৰকাৰী বিত্তৰ এটা গুৰুত্বপূৰ্ণ উদ্দেশ্য হ'ল আয় আৰু সম্পদৰ বিতৰণৰ অসমতা হ্ৰাস কৰা। সেই অনুসৰি, কৰ ব্যৱস্থাক অধিক সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ বাবে আয় আৰু সম্পদৰ পুনৰ বিতৰণৰ এক প্ৰধান আহিলা হিচাবে ব্যৱহাৰ কৰা হয়।

প্ৰত্যক্ষ কৰ সাধাৰণতে ক্ৰমবৰ্ধমান (progressive) প্ৰকৃতিৰ, য'ত ধনীশ্ৰেণীক দুখীয়া শ্ৰেণীতকৈ অধিক হাৰত কৰ আৰোপ কৰা হয়। এনেদৰে সংগ্ৰহ কৰা সম্পদসমূহ দুখীয়া শ্ৰেণীৰ হিতৰ বাবে স্বাস্থ্য, গৃহ নিৰ্মাণ, শিক্ষা ইত্যাদি বিষয়ত চৰকাৰী ব্যয়ৰ বিত্ত যোগানৰ বাবে ব্যৱহৃত হয়। প্ৰত্যক্ষ কৰ দুখীয়া শ্ৰেণীৰ হকে আয় আৰু সম্পদৰ পূৰ্ণ বিতৰণত ব্যৱহৃত হয়।

কিন্তু ইয়াৰ বিপৰীতে, পৰোক্ষ কৰ ক্ৰমহ্ৰাসমান প্ৰকৃতি (regressive)ৰ। ইয়াক 'সামগ্ৰী কৰ' (Commodity tax) বুলিও কোৱা হয়। এই ধৰণৰ কৰ ধনী দুখীয়া নিৰ্বিশেষে সকলোৱে সমান পৰিমাণে পৰিশোধ কৰিব লাগে। এয়া সাধাৰণ সত্য যে কৰ আৰোপে ধনী লোকৰ তুলনাত দুখীয়া লোকক বেয়াকৈ প্ৰভাৱিত কৰে। পৰোক্ষ কৰৰ বোজা ধনী দুখীয়া নিৰ্বিশেষে সকলো ব্যক্তিৰ ওপৰতে সমানে পৰে বাবে ই দুখীয়া লোকক অধিক ক্ষতিগ্ৰস্ত কৰে।

অৱশ্যে, অতি সংবেদনশীলভাৱে সজালে পৰোক্ষ কৰ গাঁথনি ক্ৰমবৰ্ধমানো কৰিব পাৰি। যেনে, ধৰাহওঁক সৰহ সংখ্যক ধনী মানুহে উপভোগ কৰা বিলাসী সামগ্ৰীৰ ওপৰত উচ্চ হাৰৰ কৰ আৰোপ কৰি দুখীয়া শ্ৰেণীয়ে উপভোগ কৰা অত্যাৱশ্যকীয় সামগ্ৰীত ৰাজ সাহাৰ্য (subsidy) দিব পাৰি। এই ক্ষেত্ৰত পৰোক্ষ কৰ আৰোপৰ দ্বাৰাও আয় আৰু সম্পদৰ পুনৰ বিতৰণ সম্ভৱ হ'ব পাৰে।

৫.৪.৩ অৰ্থনৈতিক স্থিৰতাৰ ওপৰত প্ৰভাৱ

মুক্ত বজাৰ অৰ্থনীতিৰ এটা অন্তৰ্নিহিত পৰিঘটনা হ'ল অৰ্থনৈতিক উত্থান-পতনৰ স্তৰসমূহ। অস্বাভাৱিক মুদ্ৰাস্ফীতিৰ সৈতে সংলগ্ন উত্থানে অৰ্থনীতিৰ মূল্যস্তৰ বৃদ্ধি কৰে। ওলোটাকৈ, অৱস্ফীতি বা মুদ্ৰাক্ষয়ৰ সতে সংলগ্ন পতনে অৰ্থনীতিটোৰ

মূল্যস্তৰ হ্ৰাস কৰে।

এনেধৰণৰ দুয়োটা অৰ্থনৈতিক অৱস্থাতে মূল্যস্তৰৰ স্থিৰতা বজাই ৰখা এক বিত্তীয় আহিলা হিচাবে কৰ ব্যৱহাৰ কৰিব পাৰি। এইদৰে, অৰ্থনৈতিক উত্থাপনৰ সময়ত মানুহৰ হাতত থকা অত্যাধিক ক্ৰয় ক্ষমতা হ্ৰাস কৰণৰ জৰিয়তে মূল্য বৃদ্ধি ৰোধ কৰিব পাৰি। এয়া সম্ভৱ হয় প্ৰচলিত কৰৰ হাৰ বৃদ্ধি কৰি, নতুন কৰ সংযোজন কৰি আৰু ৰাজ সাহায্য উঠাই দি।

ইয়াৰ বিপৰীতে, অৰ্থনৈতিক পতনৰ সময়ত অতিৰিক্ত ক্ৰয়ক্ষমতা বৃদ্ধিৰ প্ৰয়োজন। এইদৰে অৱস্ফীতি ৰ মুদ্ৰাক্ষয়ৰ অৱস্থা প্ৰতিৰোধ কৰিবলৈ হ'লে প্ৰচলিত কৰৰ হাৰ হ্ৰাস কৰি, কিছুমান কৰ উঠাই দি আৰু ৰাজ সাহায্যৰ পৰিমাণ বৃদ্ধি কৰি ক্ৰয়ক্ষমতা বৃদ্ধি কৰিব পাৰি।

অগ্ৰগতিৰ নিৰীক্ষণ



প্ৰশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) সম্পদ আহৰণেই কৰৰ একমাত্ৰ উদ্দেশ্য। (শুদ্ধ/অশুদ্ধ)

(খ) এক বিশেষ উদ্যোগত উচ্চহাৰৰ কৰ আৰোপে ইয়াৰ পৰা সম্পদ অন্য উদ্যোগলৈ স্থানান্তৰত অৰিহণা যোগায়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৪ ঃ পৰোক্ষ কৰ কিয় ক্ৰম হ্ৰাসমান হয়? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কৰ অনুপাতে কৰ ৰাজহ হিচাপত সংগৃহীত মুঠ ৰাষ্ট্ৰীয় উৎপাদন (GNP)ৰ শতাংশক বুজায়।
- কৰ সামৰ্থ বুলিলে উৎপাদন আৰু অৰ্থনৈতিক কাৰ্যকাৰিতাত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ এজন ব্যক্তি বা এটা অৰ্থনীতিয়ে বহন কৰিব পৰা সৰ্বাধিক কৰৰ পৰিমাণক বুজায়।
- আপেক্ষিক কৰ সামৰ্থই দুই বা ততোধিক ব্যক্তিগত কৰদাতা, কৰদাতা গোট বা দেশসমূহৰ মাজৰ পৰম কৰ সামৰ্থৰ তুলনা কৰে।
- দেশ এখনৰ কৰ সামৰ্থ বহুবোৰ কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। মূল কাৰকসমূহ হৈছে ৰাষ্ট্ৰীয় আয়ৰ আকাৰ, জনসংখ্যাৰ আকাৰ, আয় আৰু সম্পদৰ বিতৰণ, অৰ্থনৈতিক অৱস্থা, চৰকাৰী ব্যয়ৰ আকাৰ আৰু প্ৰকৃতি, দেশখনৰ জনসাধাৰণৰ ভোগৰ প্ৰৱণতা,

প্ৰশাসনিক দক্ষতা আদি।

- ৰাজহ সংগ্ৰহৰ উপৰিও কৰ ব্যৱস্থাক সম্পদৰ কাম্য বণ্টন, অৰ্থনৈতিক সুস্থিৰতা বজাই ৰখা আৰু আয় আৰু সম্পদৰ বিতৰণত সমতা অনাৰ আহিলা হিচাবেও ব্যৱহাৰ কৰা হয়।
- কৰ আৰোপে কাম কৰাৰ, সঞ্চয় আৰু বিনিয়োগ কৰাৰ সামৰ্থ আৰু ইচ্ছাক প্ৰভাৱিত কৰি উৎপাদন প্ৰভাৱিত কৰে। বিভিন্ন ক্ষেত্ৰত নিয়োগ আৰু অঞ্চলভিত্তিক সম্পদৰ স্থানান্তৰণতো ই প্ৰভাৱ পেলায়।
- প্ৰত্যক্ষ কৰ ক্ৰমবৰ্ধমান প্ৰকৃতিৰ আনহাতে পৰোক্ষ কৰ ক্ৰমহ্ৰাসমান প্ৰকৃতিৰ। সম্পদ আৰু আয়ৰ বিতৰণৰ সমতা স্থাপনতো কৰ ব্যৱহাৰ কৰিব পাৰি।
- যথোপযুক্ত কৰনীতি ব্যৱহাৰ কৰি অৰ্থনীতিত মূল্যস্তৰৰ সুস্থিৰতা ৰক্ষা কৰিব পাৰি।

৫.৬ অধিক জানিবৰ বাবে

১) Lekhi, R. K. (2006). *Public Finance and Fiscal policy*. Ludhiana: Kalyani Publishers.

২) Menkar and Sarma. (2001). *Public Finance: Theory and Practice*. Mumbai: Himalaya Publishing House.

৩) Prakash, O. (2008). *Public Economics: Theory and Practice*. Jalandhar: Vishal Publishing Co.

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ, *ৰাজস্ব অৰ্থবিজ্ঞান*, যোৰহাট: ইউনিকা প্ৰকাশন।

৫.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ পৰম কৰ সামৰ্থ বুলিলে কৰ দাতাৰ পৰা সংগ্ৰহ কৰিব পৰা সৰ্বাধিক কৰৰ পৰিমাণক বুজায়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পৰোক্ষ কৰ ক্ৰমহ্ৰাসমান প্ৰকৃতিৰ, কাৰণ এই কৰ উপভাগ্যে প্ৰতি গোট দ্ৰব্য বা সেৱাৰ বাবে সমানে ধনী-দুখীয়া নিৰ্বিশেষে দিব লগা হয়। পৰিণাম স্বৰূপে, ধনী শ্ৰেণীতকৈ সমাজৰ দুখীয়া শ্ৰেণীৰ লোক প্ৰতিকূলভাৱে প্ৰভাৱিত হয়।

৫.৮ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক —

(ক) কৰ সামৰ্থ

(খ) কৰ অনুপাত

(গ) কৰ আৰু উৎপাদন

(ঘ) কৰ আৰু বিতৰণ

(ঙ) কৰ আৰু অৰ্থনৈতিক স্থিৰতা

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পৰম আৰু আপেক্ষিক কৰ সামৰ্থৰ পাৰ্থক্য নিৰূপণ কৰক।

প্ৰশ্ন ২ ঃ উৎপাদন, বিতৰণ আৰু অৰ্থনৈতিক স্থিৰতাৰ ওপৰত কৰৰ প্ৰভাৱ আলোচনা কৰক।

*** **** ***

অধ্যায় ৬ ঃ কৰৰ প্ৰাথমিক নীতিসমূহ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ কৰ ব্যৱস্থাত সমতাৰ ধাৰণা
৬.৩.১ কৰৰ সুবিধা তত্ত্ব
৬.৩.২ কৰ বহনৰ সামৰ্থ তত্ত্ব
৬.৪ কৰৰ হাৰ অনুসূচী
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবৰ বাবে
৬.৭ অগ্রগতিৰ খতিয়ান
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কৰত সমতাৰ ধাৰণা সম্পৰ্কে আলোচনা কৰিব পাৰিব
- কৰৰ সুবিধাৰ তত্ত্ব ব্যাখ্যা কৰিব পাৰিব
- কৰ বহনৰ সামৰ্থ তত্ত্ব মূল্যায়ন কৰিব পাৰিব
- কৰৰ হাৰ অনুসূচী ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

কৰ ৰাজহ হ'ল ৰাষ্ট্ৰৰ ৰাজহ আয়ৰ সবাতোকৈ গুৰুত্বপূৰ্ণ উৎস। কৰ ৰাজহ সংগ্রহ কৰোঁতে কৰদাতাসকলৰ মাজত কৰৰ বোজা বিতৰণ কৰিব লাগে। কৰ তত্ত্বসমূহে কৰ ব্যৱস্থাপনাৰ গাঁথনিৰ তাত্ত্বিক ভিত্তি এটা আগবঢ়ায়। কৰৰ বোজা কেনেকৈ নাগৰিকসকলৰ মাজত বণ্টন কৰা হ'ব এই তত্ত্বসমূহে সেয়া নির্ধাৰণ কৰে আৰু এনে বণ্টনৰ ভিত্তিৰ ন্যায্যতা প্রতিপন্ন কৰে।

৬.৩ কৰ ব্যৱস্থাত সমতাৰ ধাৰণা

এইটো সর্বজনগ্রাহ্য যে কৰ ব্যৱস্থাপনা সমতাপূৰ্ণ হোৱা উচিত। উল্লেখযোগ্য যে কৰ ব্যৱস্থাত সমতাৰ ধাৰণাটি সুষমতা আৰু ন্যায়ৰ ধাৰণাৰ সৈতে সাঙোৰ খাই আছে। অকল সেয়ে নহয়, কৰ দাতাসকলৰ মাজত কৰৰ বোজা কেনেদৰে বণ্টন কৰা উচিত তাৰ

সৈতেও ইয়াৰ সম্পৰ্ক আছে।

সমতাৰ তত্ত্ব হ'ল কৰ ব্যৱস্থাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ তত্ত্ব। ইয়াৰ দুটা মৌলিক ভিত্তি আছে, যথা –

- **আনুভূমিক সমতা** (horizontal equity) ঃ 'একে ধৰণৰ মানুহক একে ধৰণৰ আচৰণ কৰা উচিত।' ইয়াৰ অর্থ হ'ল যে একে অৱস্থাৰ মানুহৰ ওপৰত একে সমানে কৰ আৰোপ কৰা উচিত।
- **অভিলম্বীয় সমতা** (vertical equity) ঃ 'বেলেগ বেলেগ মানুহৰ ওপৰত বেলেগ বেলেগ ধৰণে কৰ আৰোপ কৰা উচিত।' ইয়াৰ অর্থ হ'ল যে বেলেগ বেলেগ অৱস্থাৰ মানুহৰ ওপৰত অসমানভাৱে কৰ আৰোপ কৰা উচিত।

কিন্তু বিগত সময়ছোৱাত সমতাৰ সর্বজনগ্রাহ্য সংজ্ঞা সম্পর্কে কোনো সহমত হোৱা নাই। ইয়াৰ উপৰি এই তত্ত্বটোৱে সন্মুখীন হোৱা আন এটা সমস্যা হ'ল – কেনেকৈ অসমানসকলৰ ওপৰত সমানভাৱে কৰ আৰোপ কৰা হ'ব, তাক স্পষ্ট কৰাটো।

যি নহওক আনুভূমিক আৰু অভিলম্বীয় সমতাৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত দুটা বিশেষ তত্ত্ব জড়িত হৈ আছে, যথা -

- কৰৰ সুবিধা তত্ত্ব, আৰু
- কৰ বহন সামর্থ তত্ত্ব।

৬.৩.১ কৰৰ সুবিধা তত্ত্ব

কৰৰ সুবিধা তত্ত্ব মতে কৰ হ'ল ৰাষ্ট্ৰৰ পৰা লাভ কৰা সুবিধাৰ মূল্য। এইদৰে, বিনিময় নীতিৰ ভিত্তিত ই ৰাষ্ট্ৰ আৰু কৰদাতাৰ মাজৰ এক বিনিময় সম্পৰ্ক হিচাপে বিবেচনা কৰে।

সুবিধা তত্ত্বৰ সৈতে তলৰ কথাকেইটা জড়িত —

- বজাৰৰ বিনিময়ৰ দৰে কৰ পৰিশোধ কৰা হয় চৰকাৰৰ পৰা লাভ কৰা দ্ৰব্য আৰু সেৱাৰ বিপৰীতে।
- এজন ব্যক্তিয়ে পৰিশোধ কৰা কৰৰ পৰিমাণ তেওঁ চৰকাৰৰ পৰা দ্ৰব্য আৰু সেৱাৰ ৰূপত লাভ কৰা প্ৰান্তিক সুবিধাৰ সমান হোৱা উচিত।
- চৰকাৰী দ্ৰব্যৰ মুঠ উপলব্ধতা ইয়াৰ মুঠ চাহিদাৰ সমান হোৱা উচিত। ইয়াৰ উপৰিও চৰকাৰী দ্ৰব্যৰ উপলব্ধতাৰ মুঠ ব্যয়, সংগৃহীত কৰ ৰাজহৰ সমান হোৱা উচিত।

সুবিধাৰ তত্ত্বটো দুটি বিশেষ ভিত্তিত ব্যাখ্যা কৰিব পাৰি —

- সেৱাৰ ব্যয়, আৰু
- সেৱাৰ মূল্যৰ ভিত্তিত।

সেৱাৰ ব্যয় মান অনুসৰি, এজন ব্যক্তিয়ে আগবঢ়োৱা কৰৰ অৱিহণাই তেওঁ উপভোগ কৰা চৰকাৰী দ্ৰব্যৰ উপলব্ধতাৰ ব্যয় সামৰি লোৱা উচিত।

আনহাতে, সেৱাৰ মূল্য মান প্ৰযোজ্য হয় তেতিয়া, যেতিয়া আগবঢ়োৱা চৰকাৰী দ্ৰব্যৰ ব্যয় নিৰ্ধাৰণ কৰিব নোৱাৰি। ইয়াত কৰদাতাৰ অৱিহণা নিৰ্ধাৰণ কৰা হয় তেওঁলৈ আগবঢ়োৱা চৰকাৰী দ্ৰব্যৰ মূল্যৰ ওপৰত ভিত্তি কৰি।

সমতা আৰু ন্যায়-নিষ্ঠতাৰ ভিত্তিত সুবিধা তত্ত্বই ব্যাপক সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ কাৰণ হ'ল, এই সুবিধা তত্ত্বটো মতে, চৰকাৰে আৰোপ কৰা কৰ ন্যায়সঙ্গত, যিহেতু চৰকাৰে আগবঢ়োৱা সেৱা আৰু দ্ৰব্যৰ বিপৰীতেহে কৰ আৰোপ কৰা হয়।

কৰৰ সুবিধা তত্ত্ব আদাম স্মিথ (Adam Smith)ৰ সময়ৰে পুৰণি যদিও ইয়াৰ আধুনিক সংস্কৰণ এৰিক লিন্দল (Erick Lindahl)-ৰ স্বেচ্ছা বিনিময় আৰ্হি (Voluntary Exchange Model)ত সুন্দৰভাৱে লিপিবদ্ধ হৈছে।

সুবিধাতত্ত্ব ব্যাপকভাৱে গ্ৰহণ কৰাৰ কাৰণ হ'ল সমতা আৰু ন্যায়-নিষ্ঠতা নীতিৰ সৈতে ইয়াৰ সামঞ্জস্যতা। জনসাধাৰণে লাভ কৰা সুবিধা অনুসৰি তেওঁলোকৰ ওপৰত কৰ আৰোপ কৰা উচিত, এই যুক্তি নিষ্ঠতাই সুবিধা তত্ত্বক সাৰ্বজনীন গ্ৰাহ্যতা প্ৰদান কৰিছে।

কিন্তু কৰৰ এই ধাৰণাই কৰ যে এক বাধ্যতামূলক বৰঙণি আৰু ই বিনিময় ব্যৱস্থাটিৰ অধীন নহয়, সেই কথাটিক অৱজ্ঞা কৰিছে। ইয়াৰ উপৰি, সুবিধা হ'ল এক বিষয় নিষ্ঠ ধাৰণা যাক বিশেষভাৱে জুখিব নোৱাৰি। সেয়েহে কৰদাতাই লাভ কৰা চৰকাৰী সুবিধা আৰু কৰ সমান কৰিব বিচৰাটো কাৰ্যতঃ অসম্ভৱ।

৬.৩.২ কৰ বহনৰ সামৰ্থ তত্ত্ব

কৰ হ'ল এক বাধ্যতামূলক বৰঙণি, য'ত ৰাষ্ট্ৰ আৰু কৰ দাতাৰ মাজত কোনো বিনিময় সম্পৰ্ক নাথাকে। সেয়ে এই সংজ্ঞা অনুসৰি সুবিধা তত্ত্বই কৰৰ প্ৰাথমিক উদ্দেশ্য পূৰণ কৰাত বিফল হয়।

কৰ বহনৰ সামৰ্থ তত্ত্বৰ মূল নীতি হ'ল - জনসাধাৰণক তেওঁলোকৰ কৰ বহনৰ সামৰ্থ অনুসৰি কৰ আৰোপ কৰা উচিত। কৰ বহনৰ সামৰ্থ তত্ত্ব অনুযায়ী, অধিক আয় আৰু সম্পদৰ লোকক আপেক্ষিকভাৱে কম আয় আৰু সম্পদৰ লোকতকৈ অধিক কৰ আৰোপ কৰিব লাগে, যাতে প্ৰত্যেক কৰদাতাই সমান ত্যাগ কৰিব লগা হয় বা তেওঁলোকে একে সমান কৰৰ বোজা বহন কৰে।

এইদৰে ডেল্টনৰ ভাষাত, *'কৰ বহনৰ সামৰ্থ নীতি মতে, কৰৰ বোজা এনেদৰে বিতৰণ কৰা উচিত যাতে সকলো কৰদাতাৰ ওপৰত কৰৰ প্ৰকৃত বোজা সমান হয়।'* কৰ বহন সামৰ্থৰ জোখ লোৱা বাবে তলৰ পদ্ধতি দুটা অৱলম্বন কৰা

হয়—

- বিষয়নিষ্ঠ বিশ্লেষণ আৰু
- বস্তুনিষ্ঠ বিশ্লেষণ
- **বিষয়নিষ্ঠ বিশ্লেষণ ঃ** কৰ বহনৰ সামৰ্থ তত্ত্বৰ বিষয়নিষ্ঠ বিশ্লেষণ মতে, কৰৰ বোজা ব্যাখ্যা কৰা হয় কৰদাতাই স্বীকাৰ কৰা ত্যাগৰ মাধ্যমত। এইদৰে, ইয়াত ধৰি লোৱা হয় যে কৰ বহনৰ সামৰ্থৰ তত্ত্ব তেতিয়াই কাৰ্যকৰী হ'ব, যেতিয়া কৰৰ বোজা সকলো কৰ দাতাৰ মাজত সমানভাৱে বণ্টন কৰা হ'ব।

আমি জানোঁ যে, আয় ক্ৰমহ্ৰাসমান উপযোগিতা বিধিৰ অধীন। এই অৰ্থত, কৰদাতাৰ ওপৰত সমান ত্যাগৰ প্ৰয়োগৰ অৰ্থ হ'ব এয়ে যে আপেক্ষিকভাৱে কম আয় আৰু সম্পদৰ লোকতকৈ ধনী লোকৰ ওপৰত অধিক কৰ আৰোপ কৰা উচিত, যাতে প্ৰকৃত কৰৰ বোজা আয় অনুযায়ী সমান হয়।

প্ৰকৃততে সমত্যাগ নীতিৰ তিনিটা পৃথক ব্যাখ্যা আছে—

- পৰম সম ত্যাগ (equal absolute sacrifice)
- সমানুপাতিক সম ত্যাগ, (equal proportional sacrifice) আৰু
- প্ৰান্তিক সম ত্যাগ (equal marginal sacrifice)।

পৰম সম ত্যাগ (equal absolute sacrifice) নীতি মতে, কৰ দাতাৰ আয়ৰ শ্ৰেণী বিভাগ নিৰ্বিশেষে, কৰ দাতা সমূহে কৰৰ বাবদ কৰা ত্যাগ সকলোৰে বাবে সমান হোৱা উচিত। অৰ্থাৎ, এই নীতিটো মতে, কম আয়ৰ তুলনাত উচ্চ আয় অৰ্জনকাৰী কৰদাতা এজনে তুলনামূলকভাৱে উচ্চ পৰিমাণৰ কৰ প্ৰদান কৰিব লাগে। প্ৰথম অৱস্থাত, এই নীতিটো অৰ্থবিজ্ঞানীসকলৰ মাজত খুব জনপ্ৰিয় আছিল। অৱশ্যে পাছলৈ ইয়াক খুব সমালোচনা কৰা হৈছে - যিহেতু এই নীতিটোৱে ক্ৰমহ্ৰাসমান কৰ (regressive taxation) ধাৰণাটোৰ প্ৰয়োগ বৃদ্ধি কৰিলে।

সমানুপাতিক সম ত্যাগ (equal proportional sacrifice) নীতি মতে, কৰৰ বাবদ হোৱা উপযোগিতাৰ ত্যাগ কৰ দাতা সকলৰ মুঠ আয়ৰ সমানুপাতত হোৱা উচিত। অৰ্থাৎ, এই নীতিটো মতে, কম আয়ৰ শ্ৰেণীটোৰ তুলনাত উচ্চ আয়ৰ শ্ৰেণীটোৱে অধিক কৰ পৰিশোধ কৰা উচিত; অৱশ্যে তেওঁলোকৰ মুঠ আয়ৰ তুলনাত কৰ পৰিশোধ কৰা অনুপাতটো একেই হোৱা উচিত।

প্ৰান্তিক সম ত্যাগ (equal marginal sacrifice) নীতিটোক 'সৰ্বনিম্ন মুঠ ত্যাগ নীতি' (Principle of Least Aggregate Sacrifice) বুলিও কোৱা হয়। অৰ্থবিজ্ঞানীসকলে আঙুলিয়াই দিছে যে আন নীতিকেইটাৰ তুলনাত এই নীতিটো শ্ৰেয়। এই নীতিটো ন্যায় সঙ্গত; আৰু ইয়াক সাম্যবাদী (utilatarian) নীতিৰ 'সৰ্বোচ্চ আনন্দ নীতি' (principle of maximum happiness) ৰ পৰা লোৱা হৈছে। এই নীতিটোৱে মূল যুক্তি হ'ল - দেশ এখনৰ লক্ষ্য হোৱা

উচিত সৰ্বোচ্চ অৰ্থনৈতিক কল্যাণত উপনীত হোৱাটো। আমি সকলোৱে জানোঁ যে, কৰ আদায়ৰ ফলত কৰ দাতা সকলৰ মনত অনুপযোগিতা (disutility)ৰ সৃষ্টি হয়। সেয়ে, জনসাধাৰণৰ মাজত কৰৰ বোজা 'সৰ্বনিম্ন মুঠ ত্যাগ নীতি'ৰ আধাৰত বণ্টন কৰা উচিত। ইয়াৰ অৰ্থ হ'ল - প্ৰত্যেকজন কৰদাতাৰ ওপৰত আৰোপ কৰা কৰৰ প্ৰান্তিক ত্যাগৰ বোজা সমান হোৱা উচিত। ইয়াৰ ফলত, জনসাধাৰণে ত্যাগ কৰা মুঠ ত্যাগ সৰ্বনিম্ন হ'ব; একে সময়তে কৰদাতা জনসাধাৰণৰ কল্যাণো সৰ্বোচ্চ হ'ব। সমত্যাগ নীতিৰ এই তিনিটা নীতিৰ ভিত্তিত, বিভিন্ন ধৰণৰ কৰ দেখা যায়।

- **বস্তুনিষ্ঠ বিশ্লেষণ ঃ** বিষয়নিষ্ঠ বিশ্লেষণৰ বিপৰীতে বস্তুনিষ্ঠ বিশ্লেষণে কৰদাতাৰ কৰ বহনৰ সামৰ্থৰ ভিত্তি হিচাবে আয় আৰু সম্পদক বিবেচনা কৰে। এই বিশ্লেষণত কৰ বহনৰ সামৰ্থৰ তিনিটা গুৰুত্বপূৰ্ণ সূচক আছে—
  - **আয় ঃ** আধুনিক অৰ্থনীতিত, কৰদাতাৰ কৰ বহনৰ সামৰ্থ হিচাপে সাৰ্বজনীনভাৱে আয়ক গ্ৰহণ কৰা হয়। এইদৰে, আপেক্ষিকভাৱে কম আয়ৰ লোকতকৈ বেছি আয়ৰ লোকৰ ওপৰত উচ্চ কৰ আৰোপ কৰা হ'ব।
  - **সম্পদ ঃ** আগতে সম্পদ বা সম্পতিক কৰ বহনৰ সামৰ্থৰ সবাতোকৈ গুৰুত্বপূৰ্ণ সূচক বুলি বিবেচনা কৰা হৈছিল। অধিক সম্পদ থকা লোকৰ ওপৰত বেছি কৰ আৰোপ কৰিব লাগে বুলি যুক্তি দিয়া হৈছিল। কিন্তু দেখা গ'ল যে সম্পদ নথকাকৈ সৰহ আয়ৰ লোকে কৰ এৰাই চলিব পাৰে, যদিহে সম্পদক কৰৰ মান হিচাপে লোৱা হয়। সমসাময়িক অৰ্থবিজ্ঞানত ব্যক্তিৰ কৰ বহনৰ সামৰ্থ নিৰূপণৰ ক্ষেত্ৰত সম্পদক আয়ৰ এক পৰিপূৰক হিচাপেহে ব্যৱহাৰ কৰা হয়।
  - **ভোগ ব্যয় ঃ** বহুতো সৰবৰহী অৰ্থবিজ্ঞানীয়ে মত পোষণ কৰে যে প্ৰকৃতাৰ্থত, ভোগ ব্যয়েহে কৰদাতাৰ কৰ বহনৰ সামৰ্থ প্ৰতিফলিত কৰে। ইয়াক সমৰ্থন কৰাৰ আন এক কাৰণ হ'ল - ই কাম, সঞ্চয় আৰু বিনিয়োগৰ ক্ষেত্ৰত নিৰুৎসাহকাৰী কাৰক হিচাপে কাম নকৰে। কিন্তু এই সূচকক সমতাৰ যুক্তিত সমালোচনা কৰি কোৱা হৈছে যে, অধিকসংখ্যক নিৰ্ভৰশীল লোক থকা ব্যক্তিক তেওঁৰ ভোগ ব্যয়ৰ ওপৰত ভিত্তি কৰি কৰ আৰোপ কৰিলে সমাজত অসমতাৰ সৃষ্টি হ'ব পাৰে।

সামৰণিত ক'ব পাৰি যে কৰৰ বোজা বণ্টনৰ ভিত্তি হিচাপে কৰ বহনৰ সামৰ্থ তত্ত্ব সাৰ্বজনীনভাৱে গ্ৰহণ কৰা হৈছে। ইয়াৰ কাৰণ হ'ল — ই আনুভূমিক আৰু অভিলম্বীয় সমতাৰ ধাৰণা দুটাৰ আদৰ্শখিনি ৰূপায়িত কৰিছে আৰু জনসাধাৰণৰ বাবে সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাৰ পথ প্ৰশস্ত কৰে।

কিন্তু এই বিশ্লেষণৰ দুৰ্বলতা হ'ল যে কৰ বহনৰ সামৰ্থৰ দ্ব্যৰ্থতাহীন কোনো সংজ্ঞা বা মানক নাই। বিষয়নিষ্ঠ বিশ্লেষণত কৰ বহন সামৰ্থৰ সমত্যাগ মান জুখিবলৈ বা সংজ্ঞা দিবলৈ কঠিন। একে ধৰণে বস্তুনিষ্ঠ বিশ্লেষণত কৰ বহন সামৰ্থৰ জোখাৰ সূচকৰ ক্ষেত্ৰত মতামতৰ ভিন্নতাই দেখা দিয়ে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰাক ঃ

(ক)সুবিধা তত্ত্বই কৰক বিনিময় ভিত্তিক এক লেনদেন বুলি বিবেচনা কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) কৰ বহনৰ সামৰ্থ তত্ত্বই সম্পদক কৰৰ একমাত্ৰ ভিত্তি বুলি বিবেচনা কৰে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ২ ঃ সমত্যাগ নীতিৰ তিনিটা ব্যাখ্যা উল্লেখ কৰক (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

৬.৪ কৰৰ হাৰ অনুসূচী

কৰ ব্যৱস্থাৰ তিনিটা পৃথক হাৰ অনুসূচী থাকে। সেইবোৰ হ'ল—

সমানুপাতিক কৰ (Proportional taxation) ঃ

সমানুপাতিক কৰ ব্যৱস্থাত, কৰদাতাৰ আয় যিয়েই নহওঁক সকলো কৰদাতাৰ ওপৰত একে হাৰতেই কৰ আৰোপ কৰা হয়। এইদৰে, ইয়াত প্ৰত্যেক কৰদাতাই তেওঁৰ আয়ৰ এটা নিৰ্দিষ্ট অংশ কৰ হিচাবে পৰিশোধ কৰে।

সমানুপাতিক কৰ ব্যৱস্থাত, আয়ৰ পৰিৱৰ্তনৰ সমানুপাতিকভাৱে কৰৰো পৰিৱৰ্তন হয়। ইয়াৰ অৰ্থ হ'ল যে কৰৰ ভিত্তি যিয়েই নহওঁক, কৰৰ বোজা আৰু কৰৰ ভিত্তিৰ অনুপাত সদায় স্থিৰ।

উদাহৰণস্বৰূপে, ধৰা হওঁক, এজন ব্যক্তিৰ আয় (কৰ ভিত্তি) ১০,০০০ টকাৰ পৰা ২০,০০০ টকালৈ বৃদ্ধি পালে আৰু তেওঁৰ ওপৰত একে হাৰতেই (অৰ্থাৎ, ১০% হাৰত) কৰ আৰোপ কৰা হ'ব। ইয়াৰ অৰ্থ হ'ল তেওঁৰ কৰৰ ভিত্তি দুগুণ হোৱাৰ লগে লগে কৰৰ বোজাও ১০০০ টকাৰ পৰা ২০০০ টকালৈ দুগুণ হ'ব।

সমানুপাতিক কৰ সমতাৰ ওপৰত প্ৰতিষ্ঠিত বাবে ইয়াক সমৰ্থন কৰা হয়। ইয়াৰ উপৰিও প্ৰত্যেককে একে হাৰত কৰ আৰোপ কৰা হয় বাবে ইয়াৰ প্ৰশাসন সুবিধাজনক।

কিন্তু, ধনীসকলৰ লগত একে হাৰতে কৰ আৰোপ কৰা বাবে দুখীয়া শ্ৰেণীৰ প্ৰকৃত কৰৰ বোজা অত্যধিক হয়; ই সমতাৰ নীতি উলংঘন কৰিছে। দৰাচলতে, এই কাৰণতে সমানুপাতিক কৰ ব্যৱস্থাক সমালোচনা কৰা হৈছে।

জানি থোৱা ভাল



কৰ ভিত্তি (Tax-base) বুলিলে বৈধভাৱে সংজ্ঞায়িত বস্তু বা বিষয় বুজোৱা হয়, যাৰ ওপৰত কৰ আৰোপ কৰা হয়। এইদৰে আয় কৰৰ কৰ ভিত্তি হৈছে কৰদাতাৰ আয়।

ক্ৰমবৰ্দ্ধমান কৰ (Progressive taxation) ঃ

ক্ৰমবৰ্দ্ধমান কৰ ব্যৱস্থাত, কৰ ভিত্তি বৃদ্ধিৰ তুলনাত কৰৰ বোজা সমানুপাততকৈ বেছি বৃদ্ধি হয়। ইয়াত কৰৰ বোজা আৰু কৰৰ ভিত্তিৰ অনুপাত কৰ ভিত্তি প্ৰসাৰৰ লগে লগে বৃদ্ধি হয়।

ক্ৰমবৰ্দ্ধমান কৰ ব্যৱস্থাত, আয় বেছি হ'লে কৰৰ হাৰো বেছি হয়। উদাহৰণস্বৰূপে, যদি ১০০০ টকা আয়ৰ ব্যক্তি এজনৰ ওপৰত ৫% হাৰত কৰ আৰোপ কৰা হয়, তেনেহ'লে ২০০০ টকা আৰু ৩০০০ টকা অধিক আয়ৰ ব্যক্তিৰ ওপৰত উচ্চ হাৰত ক্ৰমে ৭% আৰু ১০% কৰ আৰোপ কৰা হ'ব।

ক্ৰমবৰ্দ্ধমান কৰৰ মূল ভিত্তি হ'ল মুদ্ৰাৰ প্ৰান্তিক উপযোগিতা বিধি। এই বিধি মতে, দুখীয়া লোকৰ তুলনাত ধনী লোকৰ মুদ্ৰাৰ প্ৰান্তিক উপযোগিতা কম। সেয়ে, ধনী লোকক তুলনামূলকভাৱে উচ্চ হাৰত কৰ আৰোপ কৰা উচিত, যাতে সমাজত অৰ্থনৈতিক সমতা আনিব পৰা যায়।

আকৌ, আন এক যুক্তি মতে, আয় আৰু সম্পদৰ তুলনাত উৎপাদন ক্ষমতা বা ভোগৰ বৃদ্ধিৰ হাৰ অধিক। সেয়ে দুখীয়া লোকৰ তুলনাত ধনী লোকক উচ্চ হাৰৰ কৰ আৰোপ কৰাটো ন্যায়সঙ্গত।

ক্ৰমহ্ৰাসমান কৰ (Regressive taxation) ঃ

ক্ৰমহ্ৰাসমান কৰ ব্যৱস্থাত, কৰ ভিত্তিৰ প্ৰসাৰণ হোৱাৰ লগে লগে কৰৰ হাৰ কমি যায়। এইদৰে, এই ব্যৱস্থাত কৰৰ বোজা আৰু কৰৰ ভিত্তিৰ অনুপাত কৰৰ ভিত্তি বৃদ্ধিৰ লগে লগে কমি যায়।

এইদৰে, ক্ৰমহ্ৰাসমান কৰ হাৰ অনুসূচীত ধনী লোকক কম হাৰত কৰ আৰোপ কৰা হ'ব আৰু দুখীয়া লোকৰ ওপৰত উচ্চ হাৰত কৰ আৰোপ কৰা হ'ব। উদাহৰণস্বৰূপে, যদি ১০,০০০ টকা আয়ৰ ব্যক্তি এজনক ৫% হাৰত কৰ আৰোপ কৰা হয় আৰু ৫০০০ টকা আয়ৰ ব্যক্তিৰ ওপৰত ১০% হাৰত কৰ আৰোপ কৰা হয়, তেনেহ'লে ই হ'ব ক্ৰমহ্ৰাসমান কৰ হাৰ অনুসূচী।

এইটো স্পষ্ট যে ক্ৰমহ্ৰাসমান কৰ ব্যৱস্থা অসমতাপূৰ্ণ আৰু অন্যায়পূৰ্ণ, কাৰণ ই সমাজৰ দুখীয়া শ্ৰেণীৰ ওপৰত আটাইতকৈ বেছি বোজা আৰোপ কৰে। ইয়াৰ উপৰিও, ই নৈতিক দিশৰ পৰাও ন্যায় সংগত নহয়; আকৌ সামাজিকভাৱেও এই ব্যৱস্থা গ্ৰহণযোগ্য নহয়, যিহেতু ই সমাজত আয় আৰু সম্পদৰ অসমতা বৃদ্ধিহে কৰে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰকঃ

(ক) সমানুপাতিক কৰ ব্যৱস্থাত, কৰ ভিত্তি বৃদ্ধিৰ লগে লগে কৰৰ হাৰো বৃদ্ধি পায়। (শুদ্ধ/অশুদ্ধ)

(খ)ক্ৰমবৰ্দ্ধমান কৰ ব্যৱস্থাই সমতাৰ নীতি অনুসৰণ নকৰে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৪ ঃ সমানুপাতিক কৰ ব্যৱস্থা আৰু ক্ৰমবৰ্দ্ধমান কৰ ব্যৱস্থাৰ মাজৰ পাৰ্থক্য আলোচনা কৰক। (৬০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....



জানি থোৱা ভাল

কৰৰ স্থিতিস্থাপকতা (Elasticity of taxation)এ কৰৰ হাৰ বা কৰৰ পৰিসৰ পৰিৱৰ্তনৰ সৈতে মুঠ কৰ সংগ্ৰহৰ পৰিৱৰ্তনৰ জোখ লয়।



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কৰ তত্ত্বসমূহে অৰ্থনীতিৰ কৰৰ বোজা কেনেকৈ বণ্টন কৰা হ'ব তাক নিৰ্দ্ধাৰণ কৰে।
- কৰৰ সমতাৰ ধাৰণাই আনুভূমিক আৰু উলম্বিক সমতাৰ কথা কয়।
- সুবিধা তত্ত্বই কৰ ৰাষ্ট্ৰৰ পৰা লাভ কৰা সুবিধাৰ বিপৰীতে পৰিশোধ কৰা মূল্য বুলি বিবেচনা কৰে।
- কৰ বহনৰ সামৰ্থৰ নীতিয়ে উল্লেখ কৰে যে জনসাধাৰণৰ কৰ বহনৰ সামৰ্থৰ ওপৰত ভিত্তি কৰি কৰ আৰোপ কৰা উচিত।
- আধুনিক অৰ্থনীতিত, আয়ৰ পৰিমাণক কৰ বহনৰ সামৰ্থৰ আদৰ্শ মাপকাঠি হিচাবে গন্য কৰা হয়।
- কৰ ব্যৱস্থাত তিনিটা পৃথক হাৰ অনুসূচী আছে—
  - ➢ সমানুপাতিক কৰ,

- ক্ৰমবৰ্দ্ধমান কৰ, আৰু
- ক্ৰমহ্ৰাসমান কৰ।

৬.৬ অধিক জানিবৰ বাবে

১) Bhatia, H. . L. (2006). *Public Finance*. New Delhi : Vikas Publishing House Pvt. Ltd.

২) Lekhi, R. K. (2006). *Public Finance and Fiscal policy*. Ludhiana: Kalyani Publishers.

৩) Menkar and Sarma. (2001). *Public Finance: Theory and Practice*. Mumbai: Himalaya Publishing House.

৪) Prakash, O. (2008). *Public Economics: Theory and Practice*. Jalandhar: Vishal publishing Co, Ist Edition.

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ, *ৰাজস্ব অৰ্থবিজ্ঞান*, যোৰহাট : ইউনিকা প্ৰকাশন।

৬.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ সমত্যাগ নীতিৰ তিনিটা ব্যাখ্যা হ'ল —

- পৰম সম ত্যাগ,
- সমানুপাতিক সম ত্যাগ, আৰু
- প্ৰান্তিক সম ত্যাগ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ক্ৰমবৰ্দ্ধমান কৰ ব্যৱস্থাত, আয়ৰ বৃদ্ধিৰ লগে লগে কৰৰ হাৰবো বৃদ্ধি হয়। ইয়াৰ বিপৰীতে, ক্ৰমহ্ৰাসমান কৰ ব্যৱস্থাত, আয়ৰ বৃদ্ধিৰ লগে লগে কৰৰ হাৰ হ্ৰাসহে হয়।

ক্ৰমবৰ্দ্ধমান কৰ ব্যৱস্থাটোৰ যুক্তি হ'ল— দুখীয়া মানুহৰ তুলনাত ধনী মানুহৰ মুদ্ৰাৰ প্ৰান্তিক উপযোগিতা যিহেতু কম, সেয়েহে সমাজত সমতা প্ৰতিষ্ঠাৰ হকে দুখীয়া মানুহৰ তুলনাত ধনী মানুহক উচ্চ হাৰৰ কৰ আৰোপ কৰা উচিত। ইয়াৰ বিপৰীতে, ক্ৰমহ্ৰাসমান কৰ ব্যৱস্থা অন্যায়পূৰ্ণ আৰু অসমতামূলক। কাৰণ সমাজৰ দুখীয়া শ্ৰেণীৰ ওপৰত ই অত্যধিক বোজা আৰোপ কৰে। নৈতিক দিশৰ পৰাও এই কৰ ব্যৱস্থাক সমালোচনা কৰা হৈছে। সামাজিক দৃষ্টিভঙ্গীৰ ফালৰ পৰাও ই গ্ৰহণযোগ্য নহয়, যিহেতু ই সমাজত সম্পদ আৰু আয়ৰ অসমতা বৃদ্ধিহে কৰে।

৬.৮ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কৰ ব্যৱস্থাত সমতাৰ ধাৰণা ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ সুবিধা তত্ত্বৰ এটা গুণ আৰু এটা দোষ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সম্পদ বা ভোগ ব্যয়তকৈ আয়ক কৰ বহন সামৰ্থৰ এক শ্ৰেয় সূচক বুলি কিয় বিবেচনা কৰা হয়?

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কৰৰ হাৰ অনুসূচী তিনিটা ব্যাখ্যা কৰক। এইবোৰৰ সুবিধা আৰু অসুবিধাসমূহ পৰীক্ষা কৰক।

প্ৰশ্ন ২ ঃ কৰৰ সুবিধা তত্ত্বক কৰ বহনৰ সামৰ্থ তত্ত্বৰ সৈতে তুলনা কৰক। কাৰ্যতঃ কোনটো শ্ৰেষ্ঠ? ব্যাখ্যা কৰক।

*** **** ***

অধ্যায় ৭ ঃ চৰকাৰী ব্যয়

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ চৰকাৰী ব্যয়ৰ অর্থ
৭.৪ চৰকাৰী ব্যয়ৰ নীতি
৭.৫ চৰকাৰী ব্যয়ৰ তত্ত্বসমূহ
৭.৫.১ সর্বাধিক সামাজিক সুবিধা তত্ত্ব
৭.৫.২ সর্বাধিক সামূহিক উপকাৰিতা তত্ত্ব
৭.৬অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবৰ বাবে
৭.৮ অগ্রগতিৰ খতিয়ান
৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- চৰকাৰী ব্যয়ৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- চৰকাৰী ব্যয়ৰ নীতিসমূহ বিশ্লেষণ কৰিব পাৰিব
- চৰকাৰী ব্যয়ৰ তত্ত্বসমূহ আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

ৰাজকোষীয় নীতিত ব্যৱহাৰ কৰা এক মুখ্য আহিলা হৈছে চৰকাৰী ব্যয়। উৎপাদন, বিতৰণ আৰু সুস্থিৰতাৰ ক্ষেত্রতো চৰকাৰী ব্যয়ৰ ব্যাপক ভূমিকা আছে। এই অধ্যায়ত চৰকাৰী ব্যয় আৰু ইয়াৰ লগত জড়িত বিভিন্ন তত্ত্ব অধ্যয়ন কৰা হৈছে। সাম্প্রতিক কালত চৰকাৰী বিত্তত চৰকাৰী ব্যয়ৰ বর্দ্ধিত গুৰুত্বৰ বিষয়েও ই ব্যাখ্যা আগবঢ়াইছে।

৭.৩ চৰকাৰী ব্যয়ৰ অর্থ

চৰকাৰী ব্যয় হ'ল চৰকাৰী কর্তৃপক্ষ (কেন্দ্রীয় ৰাজ্য বা স্থানীয় চৰকাৰ)ৰ দ্বাৰা

- নাগৰিকৰ সামূহিক প্রয়োজন পূৰণ,
- অর্থনৈতিক আৰু সামাজিক কল্যাণৰ উৎকর্ষ সাধন, আৰু
- বহিঃ আক্রমণৰ পৰা দেশৰ প্রতিৰক্ষাৰ বাবে বহন কৰা ব্যয়।

পৰম্পৰাগতভাৱে, অৰ্থবিজ্ঞানৰ পৰিভাষাত, চৰকাৰী ব্যয়ক এক অপৰিহাৰ্য বেয়া কথা বুলি বিবেচনা কৰা হৈছিল আৰু ইয়াক ৰাষ্ট্ৰৰ তিনিটা প্ৰাথমিক কৰ্তব্য যেনে, আইন শৃংখলা বজাই ৰখা, বহিঃ আক্ৰমণৰ পৰা প্ৰতিৰক্ষা আৰু বিভিন্ন চৰকাৰী কামতেই সীমাবদ্ধ ৰাখিব লাগে বুলি উপদেশ দিয়া হৈছিল। এনে এক দৃষ্টিভংগীৰ কাৰণ আছিল 'অহস্তক্ষেপ' (Laissezfaire) নীতিৰ সৰ্বজন গ্ৰাহ্যতা, যাৰ মতে, অৰ্থনীতিত চৰকাৰী হস্তক্ষেপ নকৰাটো আছিল বাঞ্ছনীয়। ইয়ে 'যি ৰাষ্ট্ৰই অতি কম শাসন কৰে, সেই ৰাষ্ট্ৰই উত্তম' এই ধাৰণাৰ জন্ম দিয়ে।

তথাপিও শেহতীয়াভাৱে বিশেষতঃ ১৯৩০ৰ মহামন্দাৰস্থাৰ পাছৰে পৰা, বিত্তীয় নীতিৰ এক গুৰুত্বপূৰ্ণ আহিলা হিচাপে চৰকাৰী ব্যয়ৰ ভূমিকাই অধিকৰ পৰা অধিকতৰ স্বীকৃতি লাভ কৰিছে। এইদৰে, উল্লিখিত পৰম্পৰাগত কাৰ্যাৱলীৰ বাহিৰেও —

- সম্পদৰ কাম্য বণ্টন,
- গ্ৰহণযোগ্য উন্নয়ন আৰু নিয়োগৰ জৰিয়তে অৰ্থনৈতিক সুস্থিৰতা বজাই ৰখা, আৰু
- আয় আৰু সম্পদৰ সমবিতৰণ আহৰণৰ দায়িত্বও চৰকাৰী কৰ্তৃপক্ষৰ আওতালৈ আহিছে।

এই সকলোবোৰ উদ্দেশ্যত উপনীত হ'বলৈ অন্যান্য বিত্তীয় আহিলা চৰকাৰী ৰাজহ আৰু চৰকাৰী ঋণৰ লগতে চৰকাৰী ব্যয় ব্যৱহাৰ কৰি চেষ্টা কৰা হয়।

৭.৪ চৰকাৰী ব্যয়ৰ নীতি

চৰকাৰী ব্যয়ৰ নীতিসমূহে চৰকাৰী পুঁজিৰ ন্যায়সংগত ব্যৱহাৰৰ বিধিসমূহক সূচায়। কেতবোৰ নীতিয়ে চৰকাৰী ব্যয়ৰ প্ৰশাসনিক নিৰাপত্তাৰ বিভিন্ন দিশ সামৰি লয়। আনবোৰে নিৰ্দ্ধাৰিত লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'বৰ বাবে চৰকাৰী ব্যয়ৰ কাৰ্যদক্ষ পদক্ষেপ ল'বলৈ চৰকাৰী কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

- **মিতব্যয়িতাৰ নীতি** (Canon of economy) ঃ যিহেতু সম্পদসমূহ সীমিত আৰু সম্পদসমূহ বিভিন্ন উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰি; সেয়েহে চৰকাৰী ব্যয় যাতে অপচয় নহয় সেয়া বাঞ্ছনীয়। ত্ৰুটীপূৰ্ণ পৰিকল্পনা, দুৰ্বল কাৰ্য ৰূপায়ণ, দুৰ্নীতি, দায়বদ্ধতাহীনতা, এৰাই চলিব পৰা বিলম্ব আৰু খৰচৰ পৰা হ'ব পৰা চৰকাৰী ব্যয়ৰ অপচয় আঁতৰ কৰাটো প্ৰয়োজন।
- **উপকাৰিতাৰ নীতি** (Canon of benefit) ঃ যি কোনো ধৰণৰ চৰকাৰী ব্যয় মূল্যায়ন কৰা উচিত ইয়াৰ পৰা আহৰণ কৰা উপকাৰিতাৰ মাধ্যমত। চৰকাৰী ব্যয়ৰ পৰা অহা উপকাৰিতা নিশ্চিত হয় সম্পদ আহৰণ, দৰৰ সুস্থিৰতা, উন্নয়ন, আয় আৰু সম্পদৰ বিতৰণৰ ওপৰত পৰা ইতিবাচক প্ৰভাৱৰ জৰিয়তে। এই নীতিটো *সৰ্বাধিক সামাজিক*

*সুবিধা নীতি*ৰ স'তে সাদৃশ্য আছে। এই নীতি অনুযায়ী চৰকাৰী ব্যয় এনে ধৰণে বিতৰণ কৰিব লাগে যাতে ই সামাজিক উপকাৰিতা সৰ্বাধিক কৰি তোলে।

- **আৱণ্টনৰ নীতি** (Canon of sanction) ঃ এই নীতিৰ বাবে প্ৰয়োজন হয় যে চৰকাৰী ব্যয় বহনৰ বাবে পূৰ্বৰ আৱণ্টন সামঞ্জস্য পূৰ্ণ হ'ব লাগিব। ইয়াৰ উপৰিও ইয়াৰ বাবে প্ৰয়োজনীয় কথা এটা হ'ল- যি শিতানত যথাযথভাৱে সেই চৰকাৰী ব্যয় আৱণ্টন কৰা হৈছে অকলমাত্ৰ সেই শিতানতে তেনে ব্যয় কৰা, এই নীতিৰ ফলত অদৰকাৰী আৰু অসাধু ব্যয় হ্ৰাস কৰিব পাৰি আৰু পুঁজিৰ অনুপযুক্ত ব্যৱহাৰো ৰোধ কৰিব পাৰি। গণতান্ত্ৰিক প্ৰক্ৰিয়াত আৱণ্টন কৰ্তৃপক্ষ হ'ল এক বিধান মণ্ডল, যিয়ে বিভিন্ন চৰকাৰী ব্যয় বহনৰ এজেঞ্চিৰ বাবে বিভিন্ন কৰ্তৃত্বশীল কৰ্তৃপক্ষ গঠন কৰে।
- **ৰাহিৰ নীতি** (Canon of surplus) ঃ এই নীতিয়ে নিশ্চিত কৰে যে চৰকাৰে ইয়াৰ সম্পদৰ পৰিসীমাৰ ভিতৰত কাম কৰা উচিত। ইয়াৰ লক্ষ্য হোৱা উচিত চলিত আয়ৰ দ্বাৰা চলিত ব্যয়ৰ বিত্ত যোগান ধৰা। আকৌ, এই নীতি অনুযায়ী, চৰকাৰে ৰাহি গঠনৰ চেষ্টা কৰা উচিত যাতে কোনোবা বৰ্ষত হ'ব পৰা অপৰিহাৰ্য ঘটি পূৰণ কৰিব পৰা যায়।

  কিছু বছৰৰ পৰা এই দৃষ্টিভংগীৰ পৰিৱৰ্তন হৈছে। ইয়াৰ কাৰণ হ'ল বৰ্তমান চৰকাৰী ব্যয়ক অৰ্থনীতিৰ সুস্থিৰতা বজাই ৰখা এক গুৰুত্বপূৰ্ণ আহিলা হিচাপে বিবেচনা কৰা হয়। গতিকে, ৰাহি বাজেট আৰু ঘাটি বাজেট এতিয়া চৰকাৰী ব্যয়ৰ নীতিতকৈ অৰ্থনীতিৰ প্ৰয়োজনৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হয়।
- **স্থিতিস্থাপকতাৰ নীতি** (Canon of elasticity) ঃ এই নীতি অনুসৰি, চৰকাৰী ব্যয় নীতি অনমনীয় হোৱা উচিত নহয়; বৰং নমনীয় হোৱা উচিত যাতে অৰ্থনীতিৰ পৰিৱৰ্তিত প্ৰয়োজন মতে ইয়াক খাপ খুৱাই ল'ব পাৰি। এইদৰে, চৰকাৰী ব্যয়ৰ পৰিমাণ স্থিতিস্থাপক হোৱা উচিত যাতে দেশৰ পৰিৱৰ্তিত পৰিস্থিতিত ইয়াক হ্ৰাস বা বৃদ্ধি কৰিব পাৰি।
- **উৎপাদনশীলতাৰ নীতি** (Canon of productivity) ঃ চৰকাৰী ব্যয় উৎপাদনশীল হোৱা উচিত। ইয়াৰ অৰ্থ এয়ে যে উৎপাদন আৰু উৎপাদনশীলতাৰ বৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰী ব্যয়ৰ এক যোগাত্মক প্ৰভাৱ থকা উচিত। এই নীতিয়ে ভৱিষ্যৎ প্ৰজন্মৰ বাবে উচ্চ আয় আৰু অধিক কল্যাণৰ পথ প্ৰশস্ত কৰিব পাৰে।
- **নিশ্চয়তাৰ নীতি** (Canon of certainty) ঃ কিমান পৰিমাণে আৰু কি উদ্দেশ্যে খৰচ কৰা হ'ব সেয়া নিশ্চিত হোৱাৰ পাছতহে চৰকাৰী ব্যয় কৰা উচিত। অৰ্থাৎ, চৰকাৰী ধন খিনিৰ সৈতে জৰিত ব্যয়কাৰী কৰ্তৃপক্ষটোৱে খৰচৰ বাবে পৰ্যাপ্ত ধনৰ পৰিমাণ আৰু খৰচ কৰাৰ উদ্দেশ্য সম্পৰ্কে নিশ্চিত হোৱা উচিত। সাধাৰণতে, চৰকাৰী বাজেট এখনে এই নীতি প্ৰতিপালন কৰা দেখা যায়, যাৰফলত চৰকাৰী ধনৰ অপচয় ৰোধ কৰিব পাৰি।

- **আঁচনিৰ নীতি** (Canon of programmes) ঃ যিহেতু কেতবোৰ পূৰ্ব নিৰ্দ্ধাৰিত উদ্দেশ্য আগত ৰাখিহে চৰকাৰী ব্যয় বহন কৰা হয়, সেয়ে পুঁজিৰ দক্ষতাপূৰ্ণ আৰু কাম্য ব্যৱহাৰ নিশ্চিত হোৱাকৈ বিশেষ কৰ্ম আঁচনি প্ৰস্তুত কৰা উচিত।
  আঁচনিসমূহৰ উপস্থিতিয়ে ব্যয় কাৰী কৰ্তৃপক্ষক পৰিচালিত কৰে আৰু লগতে আঁচনিসমূহৰ অগ্ৰাধিকাৰ বাজেট আৰু সময়সূচী মানি চলাত সহায় কৰে।
- **পাৰদৰ্শিতাৰ নীতি** (Canon of performance) ঃ এই নীতি অনুসৰি, চৰকাৰী ব্যয়ৰ একোটা ফলাফল থকা উচিত। পাৰদৰ্শিতামূলক বাজেট ব্যৱস্থা তথা ইয়াৰ সময়োপযোগী পৰ্যবেক্ষণে ব্যয়কাৰী কৰ্তৃপক্ষবোৰৰ দায়বদ্ধতা, সৰ্বাত্মক প্ৰচেষ্টা তথা ব্যয়ৰ ক্ষেত্ৰত সাৱধানতা নিশ্চিত কৰে। অৰ্থাৎ, ই মূল্যৱান ৰাজহুৱা সম্পদসমূহৰ সৰ্বাধিক দক্ষতাপূৰ্ণ ব্যৱহাৰ নিশ্চিত কৰে।

জানি থোৱা ভাল



চৰকাৰী ব্যয়ৰ বাবে চৰকাৰী ৰাজহৰ দ্বাৰা বিত্ত যোগান ধৰা হয়। চৰকাৰী ব্যয় বহনৰ বাবে যদি চৰকাৰী ৰাজহ পৰ্যাপ্ত নহয়, এই সুৰুঙা চৰকাৰী ঋণৰ দ্বাৰা জোৰা মৰা হয়। ইয়াকে 'ঘাটি বিত্ত' (deficit financing) বুলি কোৱা হয়।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ১ ঃশুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) চৰকাৰী ব্যয়ৰ নীতিয়ে চৰকাৰী ব্যয়ৰ অপচয় সূচায়। (শুদ্ধ/অশুদ্ধ)

(খ) আধুনিক অৰ্থবিজ্ঞানীসকলে চৰকাৰী ব্যয় সমৰ্থন নকৰে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ২ ঃ চৰকাৰী ব্যয়ৰ 'উপকাৰিতাৰ নীতি' বুলিলে কি বুজায়? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন ৩ ঃ চৰকাৰী ব্যয়ৰ 'ৰাহিৰ নীতি' বুলিলে কি বুজায়? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৭.৫ চৰকাৰী ব্যয়ৰ তত্ত্বসমূহ

পূৰ্বৰ যিসকল অৰ্থবিজ্ঞানীয়ে চৰকাৰী ৰাজহৰ ওপৰত গুৰুত্ব দিছিল তেওঁলোকে চৰকাৰী বিত্তত চৰকাৰী ব্যয়ৰ বিষয়টো উপেক্ষা কৰিছিল। কিন্তু ১৯৩০ চনৰ মহামন্দাৰস্থাৰ পাছত চৰকাৰী ব্যয় তত্ত্বই লাহে লাহে স্বীকৃতি লাভ কৰিলে। আধুনিক চৰকাৰী বিত্তত চৰকাৰী ব্যয় এক অপৰিহাৰ্য অংগ; আৰু অৰ্থনীতিটোৰ সম্পদ আহৰণ, বিতৰণ আৰু সুস্থিৰতাৰ ক্ষেত্ৰত ইয়াৰ বিশেষ গুৰুত্ব আছে।

চৰকাৰী ব্যয়ৰ বিভিন্ন তত্ত্বৰ ভিতৰত আমি তলত দুটা গুৰুত্বপূৰ্ণ তত্ত্ব এই খণ্ডত আলোচনা কৰিম—

- সৰ্বাধিক সামাজিক সুবিধা তত্ত্ব (The Theory of Maximum Social Advantage), আৰু
- সৰ্বাধিক সামূহিক উপকাৰ তত্ত্ব (The Theory of Maximum Social Benefit)।

৭.৫.১ সৰ্বাধিক সামাজিক সুবিধা তত্ত্ব


সৰ্বাধিক সামাজিক সুবিধা তত্ত্ব (The Theory of Maximum Social Advantage)টো আগবঢ়াইছিল হ' ডেল্টন (Hugh Dalton)এ। এই তত্ত্ব অনুসৰি, চৰকাৰী ব্যয় সিমানখিনিলৈকে কৰা উচিত, য'ত চৰকাৰী ব্যয়ৰ প্ৰান্তিক বৃদ্ধিৰ পৰা আহৰণ কৰা সুবিধা চৰকাৰী ব্যয়ৰ বিত্ত যোগান ধৰিবলৈ প্ৰয়োজন হোৱা কৰৰ প্ৰান্তিক বৃদ্ধিৰ সমতাপূৰ্ণ হয়। এইদৰে ডেল্টনৰ ভাষাত, চৰকাৰী ব্যয় প্ৰত্যেকটো দিশতে তেতিয়ালৈকে নিশ্চিতভাৱেই কৰিব লাগে, যেতিয়ালৈকে ইয়াৰ জৰিয়তে যিকোনো এটা দিশতে বৃদ্ধি পোৱা সামাজিক সুবিধাখিনিৰ বিপৰীতে বৰ্দ্ধিত কৰ আৰোপ বা অন্য উৎসৰ পৰা আয় আহৰণ কৰাৰ বাবদ উৎপন্ন হোৱা অসুবিধাখিনি সমান হয়। ই চৰকাৰী আয় আৰু চৰকাৰী ব্যয় - দুয়োক্ষেত্ৰতে এক আদৰ্শ হিচাবে কাম কৰে।

এইদৰে, চৰকাৰী ব্যয় হিতাধিকাৰী সকলৰে সুবিধা আগবঢ়ায়; আনহাতে, সেই চৰকাৰী ব্যয়ৰ বিত্ত যোগান ধৰিবলৈ আৰোপ কৰা কৰ হৈছে কৰদাতাসকলৰ বাবে ত্যাগ। যেতিয়ালৈকে প্ৰান্তিক কৰ আৰোপৰ লগত জড়িত ত্যাগতকৈ চৰকাৰী ব্যয় হিচাপে সম্প্ৰসাৰণ কৰা সম্পদৰ পৰা আহৰণ কৰা প্ৰান্তিক সুবিধা অধিক হৈ থাকিব, তেতিয়ালৈকে চৰকাৰী ব্যয় বৃদ্ধি কৰি থাকিব পাৰি। চৰকাৰী ব্যয়ৰ আদৰ্শ স্তৰটোত তেতিয়া উপনীত হোৱা যায়, যেতিয়া চৰকাৰী ব্যয়ৰ প্ৰান্তিক গোটৰ সুবিধা আৰু ইয়াৰ বিত্ত যোগানৰ বাবে আৰোপ কৰা প্ৰান্তিক কৰৰ ব্যয় একে সমান হ'ব। ডেল্টনৰ মতে, চৰকাৰী ব্যয়ৰ এই কাম্য অৱস্থাই সমাজলৈ সৰ্বাধিক সুবিধা প্ৰদান কৰে।

সর্বাধিক সামাজিক সুবিধাৰ তত্ত্বটো সমপ্রান্তিক প্রতিদান (equi-marginal returns) বিধিৰ ব্যৱহাৰ কৰিও ব্যাখ্যা কৰিব পাৰি। এইদৰে আমি ক'ব পাৰোঁ যে চৰকাৰী ব্যয়ৰ পৰা সর্বাধিক সুবিধা তেতিয়া আহৰণ কৰা হয়, যেতিয়া বেলেগ বেলেগ চৰকাৰী দ্রব্যত ব্যয় কৰা প্রান্তিক মুদ্রাই একে সমান উপযোগিতা প্রদান কৰে।

উদাহৰণ স্বৰূপে, ধৰা হ'ল চৰকাৰী ব্যয় কৰিব লগা দুটা বিষয় হ'ল শিক্ষা আৰু স্বাস্থ্য। এতিয়া যদি শিক্ষাৰ চৰকাৰী ব্যয়ৰ প্রান্তিক উপযোগিতা (MU_E) স্বাস্থ্যৰ চৰকাৰী ব্যয়ৰ প্রান্তিক উপযোগিতা (MU_H) তকৈ অধিক হয়, তেনেহ'লে স্বাস্থ্যৰ পৰা শিক্ষালৈ সম্পদৰ স্থানান্তৰ কৰিব লাগিব। প্রকৃততে সম্পদ স্থানান্তৰ তেতিয়ালৈকে চলি থাকা উচিত, যেতিয়ালৈকে দুয়োটা শিতানৰে চৰকাৰী ব্যয়ৰ প্রান্তিক উপযোগিতা একে নহয়।

চিত্র ৭.১ ঃ স্বাস্থ্য আৰু শিক্ষাত চৰকাৰী ব্যয়



চিত্র ৭.১ত দেখা গৈছে যে, স্বাস্থ্য খণ্ডত আৰম্ভণিতে OM পৰিমাণৰ চৰকাৰী ব্যয় কৰা হৈছিল। এইক্ষেত্রত, স্বাস্থ্যৰ প্রান্তিক উপযোগিতা ৰেখা MU_Hত স্বাস্থ্যৰ প্রান্তিক উপযোগিতা আছিল PM। কিন্তু শিক্ষাৰ প্রান্তিক উপযোগিতা (UR) তকৈ কম, ইয়াৰ বিপৰীতে খণ্ডটোত ব্যয় কৰা চৰকাৰী ব্যয়ৰ পৰিমাণ হৈছে OR।

সর্বাধিক সামাজিক সুবিধাৰ অৱস্থাত উপনীত হ'বলৈ চৰকাৰী ব্যয় স্বাস্থ্যৰ পৰা শিক্ষালৈ পুনৰ স্থানান্তৰ কৰিব লাগিব যেতিয়ালৈকে শিক্ষাত খৰচৰ পৰিমাণ ORৰ পৰা OSলৈ বৃদ্ধি নহয়; অর্থাৎ, RS পৰিমাণৰ অতিৰিক্ত বিনিয়োগ কৰিব লাগিব। আনহাতে, স্বাস্থ্যৰ ব্যয়ৰ পৰিমাণ OMৰ পৰা ONলৈ হ্রাস কৰিব লাগিব।

অর্থাৎ, খণ্ডটোৰ পৰা MN পৰিমাণৰ চৰকাৰী ব্যয় হ্রাস কৰিব লাগিব। ইয়ে স্বাস্থ্য আৰু শিক্ষাত চৰকাৰী ব্যয়ৰ প্রান্তিক উপযোগিতা সমান হোৱাটো নিশ্চিত কৰিব।

অর্থাৎ ON = TS

$\Rightarrow MU_H = MU_E$

এই তত্ত্বটো ব্যৱহাৰিক ক্ষেত্রত প্রয়োগ কৰাটো অতি কঠিন। ইয়াৰ কাৰণ হ'ল প্রান্তিক উপযোগিতাৰ ধাৰণাটো অতি বিষয়নিষ্ঠ আৰু সঠিকভাৱে নির্দ্ধাৰণ কৰিবলৈ কঠিন। তথাপিও বিভিন্ন বিষয়ত চৰকাৰী ব্যয় কেনেকৈ বিতৰণ কৰা উচিত, ই তাৰ এক বিস্তৃত ইংগিত দিয়ে।

৭.৫.২ সর্বাধিক সামূহিক উপকাৰিতা তত্ত্ব


সর্বাধিক সামূহিক উপকাৰিতাৰ তত্ত্বটো এ. চি. পিগু. (A.C. Pigou)এ আগবঢ়াইছিল। এই তত্ত্বটো ডেল্টনৰ সর্বাধিক সামাজিক সুবিধা তত্ত্বৰ লগত বহুখিনি একে। ইয়াত পিগুৱে কৈছে যে চৰকাৰী ব্যয় এনে ধৰণে কৰা উচিত, যাতে ইয়াৰ পৰা সমাজলৈ সর্বাধিক সামূহিক উপকাৰিতা আহে। তেওঁৰ মতে, *'ব্যয় সকলো দিশতে সঠিক সীমালৈকে বঢ়াব লাগে অর্থাৎ, মুদ্রাৰ শেষ গোটটোলৈকে যেতিয়ালৈকে চৰকাৰে আগবঢ়োৱা সেৱাৰ পৰা পোৱা সন্তুষ্টি লাভ, শেষ গোটটোৰ পৰা হোৱা সন্তুষ্টিৰ লোকচানৰ একে সমান হয়।'* অন্য কথাত চৰকাৰী ব্যয় অবিৰতভাৱে তেতিয়ালৈকে বৃদ্ধি কৰিব লাগে যেতিয়ালৈকে ইয়াৰ পৰা আহৰণ কৰা প্রান্তিক উপযোগিতা ইয়াৰ বাবে প্রয়োজন হোৱা বিত্তৰ বাবে আৰোপ কৰা কৰৰ সৈতে জড়িত প্রান্তিক উপযোগিতাতকৈ অধিক হৈ থাকে। চৰকাৰী ব্যয়ৰ আদর্শ স্তৰ সেই বিন্দুত নির্দ্ধাৰিত হয়, য'ত চৰকাৰী ব্যয়ৰ পৰা উদ্ভৱ হোৱা প্রান্তিক উপযোগিতা কৰ আৰোপৰ ফলত লোকচান হোৱা প্রান্তিক ত্যাগৰ সমান হয়।

এইটো স্পষ্ট যে, এই তত্ত্বই চৰকাৰী ব্যয়ৰ আদর্শ স্তৰটো নির্দ্ধাৰণ কৰে, যিয়ে সমাজৰ বাবে সর্বাধিক সামূহিক উপকাৰিতা নির্দ্ধাৰণ কৰে। ইয়াৰ উপৰিও একে সময়তে ৰাষ্ট্রই আৰোপ কৰিব লগা কৰৰ পৰিমাণো ই নির্দ্ধাৰণ কৰে।

পিগুৰ তত্ত্বটো সমপ্রান্তিক প্রতিদান বিধি (Law of equi-marginal returns)ৰ ওপৰত প্রতিষ্ঠিত। ক'ব পাৰি যে, 'চৰকাৰী ব্যয়ে সর্বাধিক সামূহিক উপকাৰিতা আনিব পাৰে, যদি বিভিন্ন শিতানত খৰচ কৰা শেষ মুদ্রাটোৰ প্রান্তিক উপযোগিতা সমান হয়।'

ইয়াৰ উপৰিও সর্বাধিক সামূহিক উপকাৰিতা লাভৰ বাবে প্রান্তিক সামাজিক উপকাৰিতা আৰু প্রান্তিক সামাজিক ত্যাগ সমান হোৱা উচিত। ইয়াক চিত্র ৭.২ৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। চিত্রত, আনুভূমিক অক্ষত বাজেটৰ আকাৰ (অর্থাৎ চৰকাৰী ব্যয়ৰ পৰিমাণ) দেখুওৱা হৈছে। আনহাতে, চৰকাৰী ব্যয়ৰ প্রান্তিক সামাজিক উপকাৰিতা আৰু কৰৰ প্রান্তিক সামাজিক ত্যাগ উলম্ব অক্ষত দেখুওৱা হৈছে।

চিত্র ৭.২ ঃ সর্বাধিক সামাজিক উপকাৰিতা আহৰণ



চিত্রটিত মন কৰিলে দেখা যায় যে,

BB→ প্রান্তিক সামাজিক উপকাৰিতা ৰেখা (MSB)।

SS→ প্রান্তিক সামাজিক ত্যাগ ৰেখা MSS । আৰু

NN→ প্রকৃত প্রান্তিক সামাজিক উপকাৰিতা ৰেখা (NSB) (যাক বিভিন্ন বাজেট আকাৰত উপকাৰিতা আৰু ত্যাগৰ বিয়োগফল (অর্থাৎ MSB-MSS) হিচাবে দেখুওৱা হয়।)

এতিয়া তলৰ কথাকেইটা মন কৰক—

(i) বাজেটৰ আকাৰ যেতিয়া OU,

MSB (অর্থাৎ, প্রান্তিক সামাজিক উপকাৰিতা) = LU আৰু

MSS (অর্থাৎ, প্রান্তিক সামাজিক ত্যাগ) = UV

$\Rightarrow$ NSB (MSB-MSS) = LU – UV = MU

ইয়াত NSB যোগাত্মক। গতিকে, চৰকাৰী ব্যয় বৃদ্ধি কৰা উচিত; অর্থাৎ অধিক চৰকাৰী ব্যয় আৰু অধিক কৰ আৰোপ দুয়োটাই সম্ভৱপৰ।

(ii) আকৌ, যেতিয়া বাজেটৰ আকাৰ OC,

MSB = AC আৰু MSS = CD, য'ত MSB = MSS

$\therefore$ (AC–CD) = 0

এয়ে হ'ল চৰকাৰী বাজেটৰ আদর্শ স্তৰ — য'ত সমাজলৈ সর্বাধিক সামাজিক উপকাৰিতা আহে।

(iii) বাজেটৰ আকাৰ = OY হ'লে

MSB = XY আৰু MSS = YZ

$\therefore$ NSB = MSB – MSS

= XY – YZ = (–) YV

এই ক্ষেত্রত অত্যধিক চৰকাৰী ব্যয় কৰা হৈছে। যাৰ পৰিমাণত ঋণাত্মক সামাজিক উপকাৰিতাৰ সৃষ্টি হৈছে। ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট যে বাজেটৰ আকাৰ OC সমাজৰ বাবে প্রকৃত আদর্শ স্তৰ। সামৰণিত ইয়াকে ক'ব পাৰি যে যদিও সর্বাধিক সামাজিক উপকাৰিতা তত্ত্ব গাঁথনিগতভাৱে অতি আকর্ষণীয়, কিন্তু ব্যৱহাৰিক ক্ষেত্রত ই ফলদায়ক নহয়। ইয়াৰ কাৰণ হ'ল MSB আৰু MSSৰ মান নির্দ্ধাৰণৰ কোনো বস্তুনিষ্ঠ পদ্ধতি নাই। তথাপিও ডেল্টনে আগবঢ়োৱা তত্ত্বৰ দৰেই ইও চৰকাৰী ব্যয় কেনেকৈ আৰু কিমান পৰিমাণে কৰা উচিত তাৰ এক সাধাৰণ নির্দেশনা আগবঢ়ায়।

জানি থোৱা ভাল



➢ চৰকাৰী ব্যয়ৰ পৰা সর্বাধিক সামাজিক সুবিধা তেতিয়া আহৰণ কৰা হয় যেতিয়া চৰকাৰী ব্যয়ৰ প্রান্তিক সুবিধা কৰৰ প্রান্তিক ব্যয়ৰ সমান হয়।

➢ চৰকাৰী ব্যয়ৰ আধুনিক তত্ত্বসমূহে এৰিক লিন্দল (Erick Lindahl) ৰ স্বেচ্ছামূলক বিনিময় তত্ত্ব (Voluntary Exchange Theory) আৰু প'ল ছেমুৱেলচন (Paul Samuelson)ৰ উপকাৰিতা তত্ত্ব (Benefit Theory) অন্তর্ভুক্ত কৰিছে। এই তত্ত্বসমূহ আমাৰ বর্তমান অধ্যয়নৰ পৰিসীমাৰ বাহিৰত।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন ৪ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) পিগুৱে সর্বাধিক সামাজিক সুবিধা তত্ত্বটো আগবঢ়াইছে। (শুদ্ধ/অশুদ্ধ)

(খ) সর্বাধিক সামাজিক সুবিধা তেতিয়া আহৰণ কৰা হয়, যেতিয়া চৰকাৰী ব্যয়ৰ সকলোবোৰ শিতানৰ প্রান্তিক উপযোগিতা সমান হয়। (শুদ্ধ/অশুদ্ধ)

(গ) আদর্শ বাজেটৰ আকাৰ তাতেই নির্দ্ধাৰিত হয় য'ত প্রকৃত সামাজিক উপকাৰিতা (NSB) যোগাত্মক হয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৫ ঃ ডেল্টনে কি যুক্তিত চৰকাৰী ব্যয় বহন কৰাৰ পোষকতা কৰিছে? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চৰকাৰী ব্যয় হ'ল চৰকাৰী কৰ্তৃপক্ষ, অৰ্থাৎ কেন্দ্ৰীয়, ৰাজ্য আৰু স্থানীয় চৰকাৰৰ দ্বাৰা বহন কৰা ব্যয়।
- পৰম্পৰাগত কাৰ্যাৱলী যথা আইন শৃংখলা বজাই ৰখা, প্ৰতিৰক্ষা আৰু ৰাজহুৱা কামৰ এক আদৰ্শ স্তৰৰ বাহিৰেও চৰকাৰী ব্যয়ে সম্পদ আহৰণ, অৰ্থনৈতিক সুস্থিৰতা বজাই ৰখা আৰু সমতাপূৰ্ণ উন্নয়ন আৰু বিতৰণত উপনীত হোৱাৰ চেষ্টা কৰে।
- চৰকাৰী ব্যয়ৰ নীতিসমূহে চৰকাৰী পুঁজিৰ ন্যায়সংগত ব্যৱহাৰৰ নীতিসমূহক সূচায়।
- ডেল্টন আৰু পিগুই আগবঢ়োৱা চৰকাৰী ব্যয়ৰ তত্ত্বসমূহৰ একেটাই উদ্দেশ্য, অৰ্থাৎ সৰ্বাধিক সামাজিক সুবিধা বা উপকাৰিতা অৰ্জন কৰা।



৭.৭ অধিক জানিবৰ বাবে

১) Bhatia, H. L. (2006). *Public Finance*. New Delhi : Vikas Publishing House Pvt. Ltd.

২) Lekhi, R. K. (2006). *Public Finance and Fiscal policy*. Ludhiana : Kalyani Publishers.

৩) Menkar and Sarma. (2001). *Public Finance: Theory and Practice*. Mumbai: Himalaya Publishing House.

৪) Prakash, O. (2008). *Public Economics: Theory and Practice*. Jalandhar: Vishal publishing Co, Ist Edition.

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ, *ৰাজস্ব অৰ্থবিজ্ঞান*, যোৰহাট : ইউনিকা প্ৰকাশন।

৭.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ, (খ) অশুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ চৰকাৰী ব্যয়ৰ উপকাৰিতা নীতি অনুসৰি, যি কোনো ধৰণৰ চৰকাৰী ব্যয় মূল্যায়ন কৰা উচিত ইয়াৰ পৰা আহৰণ কৰা উপকাৰিতাৰ মাধ্যমত। চৰকাৰী ব্যয়ৰ পৰা অহা উপকাৰিতা নিশ্চিত হয় সম্পদ আহৰণ, দৰ সুস্থিৰতা উন্নয়ন, আয় আৰু সম্পদৰ বিতৰণৰ ওপৰত পৰা ইতিবাচক প্রভাৱৰ জৰিয়তে।

৩ নং প্রশ্নৰ উত্তৰ ঃ চৰকাৰী ব্যয়ৰ ৰাহিৰ নীতি অনুসৰি, চৰকাৰে ইয়াৰ সম্পদৰ পৰিসীমাৰ ভিতৰত কাম কৰা উচিত। ইয়াৰ লক্ষ্য হোৱা উচিত চলিত আয়ৰ দ্বাৰা চলিত ব্যয়ৰ বিত্ত যোগান ধৰা। আকৌ, এই নীতি অনুযায়ী, চৰকাৰে ৰাহি গঠনৰ চেষ্টা কৰা উচিত যাতে কোনোবা বর্ষত হ'ব পৰা অপৰিহার্য ঘটি পূৰণ কৰিব পৰা যায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ চৰকাৰী ব্যয়ৰ যুক্তিযুক্তা দেখুৱাবলৈ গৈ ডেল্টনে সর্বাধিক সামাজিক সুবিধা তত্ত্বটোৰ অৱতাৰণা কৰিছে। ডেল্টনৰ মতে, চৰকাৰী ব্যয় সিমানখিনিলৈকে কৰা উচিত, য'ত চৰকাৰী ব্যয়ৰ প্রান্তিক বৃদ্ধিৰ পৰা আহৰণ কৰা সুবিধা চৰকাৰী বিত্তৰ যোগান ধৰিবলৈ প্রয়োজন হোৱা কৰৰ প্রান্তিক বৃদ্ধিৰ সমতাপূর্ণ হয়। তেওঁৰ মতে চৰকাৰী ব্যয়ৰ এনে আদর্শ স্তৰটোত উপনীত হ'ব পাৰিলে সর্বাধিক সামাজিক সুবিধাৰ স্তৰত উপনীত হ'ব পাৰি।

৭.৯ আৰ্হি প্রশ্ন

চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ চৰকাৰী ব্যয় বুলিলে কি বুজায়?

প্রশ্ন ২ ঃ চৰকাৰী ব্যয়ৰ নীতিসমূহ উল্লেখ কৰি যিকোনো দুটাৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ৩ ঃ চমুটোকা লিখক ঃ

ক) সর্বাধিক সামাজিক সুবিধা তত্ত্ব খ) সর্বাধিক সামাজিক উপকাৰিতা তত্ত্ব

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ আধুনিক অর্থনীতিত চৰকাৰী ব্যয়ৰ প্রয়োজনীয়তা আলোচনা কৰক।

প্রশ্ন ২ ঃ চৰকাৰী ব্যয়ৰ প্রকৃত কার্যত চৰকাৰী ব্যয়ৰ নীতিসমূহৰ গুৰুত্ব মূল্যায়ন কৰক।

প্রশ্ন ৩ ঃ পিগুৱে আগবঢ়োৱা চৰকাৰী ব্যয় তত্ত্বটো ব্যাখ্যা কৰক। ই কেনেকৈ সর্বাধিক সামাজিক সুবিধা তত্ত্বৰ পৰা পৃথক?

*** **** ***

অধ্যায় ৮ ঃ চৰকাৰী ব্যয়ৰ প্ৰভাব

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩চৰকাৰী ব্যয়ৰ প্ৰভাৱ

৮.৩.১ উৎপাদনৰ ওপৰত প্ৰভাৱ

৮.৩.২ বিতৰণৰ ওপৰত প্ৰভাৱ

৮.৩.৩ অৰ্থনৈতিক স্থিৰতাৰ ওপৰত প্ৰভাৱ

৮.৪ উন্নয়নশীল অৰ্থনীতিত চৰকাৰী ব্যয়ৰ ভূমিকা

৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৬অধিক জানিবৰ বাবে

৮.৭ অগ্ৰগতিৰ খতিয়ান

৮.৮আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি —

- উৎপাদন, বিতৰণ আৰু অৰ্থনৈতিক স্থিৰতাৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাৱ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- উন্নয়নশীল অৰ্থনীতিত চৰকাৰী ব্যয়ৰ ভূমিকা বৰ্ণনা কৰিব পৰা হ'ব
- সামগ্ৰিক ভাবে অৰ্থনীতিত চৰকাৰী ব্যয়ৰ ভূমিকাৰ ওপৰত প্ৰাধান্য দিব পাৰিব।

৮.২ পৰিচয়

চৰকাৰী ব্যয় বা ৰাজহুৱা ব্যয় বুলিলে সাধাৰণতে দেশখনৰ নাগৰিকক সুৰক্ষা প্ৰদানৰ বাবে অথবা তেওঁলোকৰ অৰ্থনৈতিক আৰু সামাজিক কল্যাণৰ বাবে চৰকাৰী কৰ্ত্তৃপক্ষই কৰা খৰচ বা ব্যয়ক বুজোৱা হয়। দেশ এখনৰ সামগ্ৰিক অৰ্থব্যৱস্থাৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাব অপৰিসীম। এই অধ্যায়ত অৰ্থনীতি এটাৰ বিভিন্ন ক্ষেত্ৰসমূহত চৰকাৰী ব্যয়ৰ পৰিণাম সম্পৰ্কে বিশ্লেষণ কৰা হ'ব।

৮.৩ চৰকাৰী ব্যয়ৰ প্ৰভাৱ

উৎপাদন, বিতৰণ আৰু অৰ্থনৈতিক কাৰ্য্যৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাৱ সম্পৰ্কে তলত আলোচনা কৰা হ'ল-

৮.৩.১ উৎপাদনৰ ওপৰত প্ৰভাৱ

চৰকাৰী ব্যয়ে দেশ এখনৰ অৰ্থব্যৱস্থাত উৎপাদনৰ উচ্চ স্তৰ লাভ কৰাত বিভিন্ন ধৰণে সহায় কৰিব পাৰে। উৎপাদনৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাৱ তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পৰা যায়-

- **আন্তঃ গাঁথনিৰ উন্নয়ন** ঃ যি কোনো এটা অৰ্থব্যৱস্থাৰ উন্নয়নৰ বাবে এটা উন্নত আন্তঃ গাঁথনিৰ প্ৰয়োজন অতি বেছি। আন্তঃ গাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰত কৰা চৰকাৰী ব্যয়ে দেশখনৰ অৰ্থনৈতিক উৎপাদনৰ স্তৰ বৃদ্ধিৰ পথ প্ৰশস্ত কৰে। পথ পৰিবহন, ৰেল পৰিবহন, জল পৰিবহন, জলসিঞ্চনৰ সুবিধা , শক্তিসম্পদৰ উদ্ভাৱন ইত্যাদিয়ে উৎপাদনৰ ক্ষমতা আৰু দক্ষতা দুয়োটাই বৃদ্ধি কৰে। সাধাৰণতে এনে সুবিধা বোৰ (আন্তঃ গাঁথনিৰ সুবিধা)ৰ উন্নয়ন ব্যক্তিগত খণ্ডৰ পৰা আশা কৰিব পৰা নাযায়, সেয়েহে আন্তঃ গাঁথনিৰ উন্নয়নৰ বাবে চৰকাৰী ব্যয় অপৰিহাৰ্য্য। চৰকাৰী ব্যয়ৰ জৰিয়তেহে আন্তঃ গাঁথনিৰ উন্নয়ন কৰিব পৰা যায়।
- **সক্ৰিয় চাহিদাৰ পৰিমাণ বৃদ্ধি** ঃ উন্নয়নশীল আৰু উন্নত দুয়োধৰণৰ দেশতে সক্ৰিয় চাহিদাৰ ক্ষেত্ৰত সমস্যা থাকিব পাৰে। উন্নতদেশবোৰত চৰকাৰী ব্যয়ে প্ৰত্যক্ষ ভাবে সক্ৰিয় চাহিদাৰ স্তৰত সংযোগ সাধন কৰে। ই বজাৰ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত অনুকূল অৱস্থাৰ সৃষ্টি কৰি উৎপাদন বৃদ্ধিত জোৰ দিয়ে, আনহাতে উন্নয়নশীল দেশবোৰৰ ক্ষেত্ৰত উৎপাদন ক্ষমতা যিহেতু অৰ্দ্ধব্যৱহৃত অৱস্থাত থাকে, সেয়েহে এনে দেশবোৰত চৰাকাৰী ব্যয় এনেদৰে পৰিকল্পিতভাবে ব্যৱহাৰ কৰিব লাগে যাৰ ফলত এনেবোৰ দেশত মানুহৰ ক্ৰয়শক্তি বৃদ্ধি পায়, যিয়ে নেকি ইয়াৰ বৰ্দ্ধিত ক্ৰয় শক্তিৰ সৰহ অংশ সক্ৰিয় চাহিদা বৃদ্ধিৰ বাবে ব্যয় কৰে।
- **ব্যক্তিগত খণ্ডৰ উদ্যোগলৈ উৎসাহ প্ৰদান** ঃ বিভিন্ন বস্তুৰ চাহিদা সৃষ্টি কৰি ব্যক্তিগত খণ্ডৰ উৎপাদন চলাই নিবলৈ চৰকাৰী ব্যয় ব্যৱহাৰ কৰিব পাৰি। ব্যক্তিগত খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানবোৰক ৰেহাই মূল্যত কেচাঁমাল, যন্ত্ৰপাতি আদি উৎপাদনৰ আহিলা আৰু আন আন প্ৰযুক্তিগত সেৱাৰ যোগান ধৰাৰ বাবেও চৰকাৰী ব্যয় ব্যৱহাৰ কৰিব পৰা যায়। অন্যান্য উদ্যোগ প্ৰতিষ্ঠানৰ বাবে প্ৰয়োজনীয় যন্ত্ৰপাতি, উৎপাদনৰ আহিলা, কাৰিকৰী বিশেষজ্ঞ আদি আমদানি কৰিবৰ বাবেও চৰকাৰী ব্যয় খটুৱাব পৰা যায়। এনে পদক্ষেপবোৰে ব্যক্তিগত উদ্যোগ প্ৰতিষ্ঠানবোৰক উৎপাদন বৃদ্ধি কৰিবলৈ উৎসাহ প্ৰদান কৰিব পাৰে।
- **উৎপাদনৰ ক্ষেত্ৰত পুনৰ প্ৰয়োগৰ প্ৰভাব** ঃ উৎপাদনৰ গঠন আৰু আৰ্হিৰ পৰিবৰ্তন কৰি চৰকাৰী ব্যয়ে উৎপাদনৰ স্তৰ বৃদ্ধি কৰিব পাৰে। চৰকাৰী সহায় আৰু ৰেহাইৰ সুবিধা প্ৰদানৰ জৰিয়তে চৰকাৰী ব্যয়ে কম প্ৰয়োজনীয় বস্তুৰ সলনি অধিক প্ৰয়োজনীয় বস্তুৰ উৎপাদনৰ ক্ষেত্ৰত সম্পদবোৰ ব্যৱহাৰ কৰিব পাৰে। তেনেদৰে

বৰ্ত্তমানৰ আৰু ভবিষ্যতৰ বাবে উপভোগৰ সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত সম্পদৰ পুনৰ প্ৰয়োগ কৰি উৎপাদন কাৰ্য্য আগুৱাই নিব পাৰে। একেদৰে জলসিঞ্চন, বানপানী নিয়ন্ত্ৰণ, শক্তিক্ষেত্ৰ, পৰিবহন আৰু যোগাযোগ ব্যৱস্থা আদিৰ ক্ষেত্ৰত কৰা চৰকাৰী ব্যয়ে উৎপাদন বৃদ্ধিৰ জৰিয়তে ভৱিষ্যতৰ নাগৰিকসকলক উপকৃত কৰিব পাৰে।

৮.৩.২ বিতৰণৰ ওপৰত প্ৰভাৱ

উন্নয়নশীল দেশৰ অর্থ নীতিত আয় আৰু সম্পদৰ বিতৰণৰ ক্ষেত্ৰত সাধাৰণতে বৈষম্য দেখা যায়। যথোপযুক্ত পৰিকল্পিত চৰকাৰী ব্যয়ে ধনী শ্ৰেণীৰ পৰা দুখীয়া শ্ৰেণীলৈ সম্পদৰ প্ৰবাহ সলনি কৰি আয় আৰু সম্পদ বিতৰণৰ ক্ষেত্ৰত থকা বৈষম্য বহু পৰিমানে হ্ৰাস কৰিব পাৰে। বিতৰণৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাব তলত উল্লেখ কৰা দিশবোৰৰ পৰা বুজিব পৰা যায়-

- **দুৰ্ব্বল শ্ৰেণীলৈ সুবিধা প্ৰদান** ঃ সমাজৰ দুৰ্ব্বল শ্ৰেণীৰ ক্ষেত্ৰত কৰা চৰকাৰী ব্যয়ে ধনী আৰু দুখীয়াৰ মাজত থকা পার্থক্য হ্ৰাস কৰে। শিক্ষা, স্বাস্থ্য সেৱাৰ সুবিধা, খাদ্যশস্য আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰী ৰেহাইমূল্যত যোগান ধৰা আদিৰ ক্ষেত্ৰত কৰা চৰকাৰী ব্যয়ে দুখীয়া মানুহবোৰৰ কৰ্মদক্ষতা বৃদ্ধি কৰাৰ লগতে তেওঁলোকৰ আয়ৰ স্তৰ বৃদ্ধি কৰাতো সহায় কৰে। বৃদ্ধকালৰ পেঞ্চন, নিবনুৱা ভাট্টা, চিকিৎসা আৰু দুর্ঘটনাৰ বাবে আগবঢ়োৱা সুবিধা, জীৱন বীমাৰ ব্যৱস্থা আদিৰ দৰে সামাজিক নিৰাপত্তামূলক ব্যৱস্থাৰ বাবে কৰা চৰকাৰী ব্যয়ে আয় আৰু সম্পদৰ বিতৰণৰ ক্ষেত্ৰত থকা পার্থক্য হ্ৰাস কৰাত সহায় কৰিব পাৰে।
- **দৰমহা বা মজুৰিৰ গাঁথনি আৰু উচ্চ হাৰৰ প্ৰকৃত আয়** ঃ এটা উপযুক্ত দৰমহা গাঠনিৰ ব্যৱস্থাৰ জৰিয়তে চৰকাৰী ব্যয়ে সমাজত থকা আয়ৰ বৈষম্য হ্ৰাস কৰিব পাৰে, যিয়ে উচ্চহাৰৰ মজুৰি পোৱা লোক আৰু নিম্নহাৰৰ মজুৰি পোৱা লোকসকলৰ ক্ষেত্ৰত থকা আয়ৰ প্ৰভেদ কমাই আনে। বিনামূলীয়া থকা ঘৰৰ ব্যৱস্থা,ৰেহাই মূল্যত প্ৰয়োজনীয় বস্তু সামগ্ৰীৰ যোগান, পদোন্নতিৰ ব্যৱস্থা, বিনামূলীয়া চিকিৎসা সেৱাৰ ব্যৱস্থা কৰা, কর্মচাৰীসকলৰ ল'ৰা-ছোৱালীক বিনামূলীয়া শিক্ষা লাভৰ সুবিধা প্ৰদানৰ ব্যৱস্থাই দুৰ্বল শ্ৰেণীৰ লোকসকলৰ প্ৰকৃত আয় বৃদ্ধি কৰি আয়ৰ বিতৰণৰ ক্ষেত্ৰত থকা বৈষম্য হ্ৰাস কৰিব পাৰে।
- **পিছপৰা অঞ্চলৰ উন্নয়ন** ঃ কৃষি আৰু উদ্যোগৰ ক্ষেত্ৰত পিছপৰা অঞ্চলবোৰত বর্দ্ধিত চৰকাৰী ব্যয়ৰ জৰিয়তে তেনে অঞ্চলবোৰত বসবাস কৰা মানুহৰ প্ৰকৃত আয় বৃদ্ধি কৰাৰ লগতে তেওঁলোকৰ জীৱনধাৰণৰ মানদণ্ডৰ উন্নতি কৰিব পৰা যায়। ৰেহাই হাৰত সাৰৰ যোগান, উচ্চ উৎপাদনশীল বীজৰ যোগানৰ ব্যৱস্থা কৰা আদিৰ দৰে কৃষি ক্ষেত্ৰত কৰা চৰকাৰী ব্যয়ে উপান্ত বা ক্ষুদ্ৰকৃষক আৰু ভূমিহীন শ্ৰমিকসকলক যথেষ্ট সহায় কৰে। পিছপৰা অঞ্চলবোৰত উদ্যোগৰ উন্নতি সাধনৰ

জৰিয়তে গাওঁঅঞ্চলৰ নিবনুৱালোকলৈ নিয়োগৰ সুবিধা প্ৰদান কৰিব পৰা যায়, এইবোৰ ব্যৱস্থাৰ বিতৰণ- বিপাক (Distributional effect) বৰ বেছি হোৱা দেখা যায়।

৮.৩.৩ অৰ্থনৈতিক স্থিৰতাৰ ওপৰত প্ৰভাৱ

এখন দেশৰ অৰ্থনৈতিক স্থিৰতা চৰকাৰী ব্যয়ৰ ওপৰত নিৰ্ভৰ কৰে। মুদ্ৰাস্ফীতি বা মুদ্ৰা সংকোচন নোহোৱাকৈ দেশ এখনৰ অৰ্থব্যৱস্থাত পূৰ্ণনিয়োগ সুনিশ্চিত হোৱাতোকে অৰ্থনৈতিক স্থিৰতা বোলে। চৰকাৰী ব্যয়ৰ জৰিয়তে অৰ্থনৈতিক স্থিৰতা লাভ কৰাৰ গুৰুত্বপূৰ্ণ উপায়সমূহ হৈছে-

- **মুদ্ৰাস্ফীতি প্ৰতিৰোধ কৰা** ঃ মুদ্ৰাস্ফীতিৰ সময়ত সাধাৰণ মূল্যস্তৰ বা দ্ৰব্যমূল্য বৃদ্ধি পায়। চাহিদাৰ তুলনাত বস্তু আৰু সেৱাৰ যোগান কম হয়। দেশখনৰ অৰ্থনীতিক মুদ্ৰাস্ফীতিৰ পৰা ৰক্ষা কৰিবৰ কাৰণে মানুহৰ হাতত থকা অতিৰিক্ত ক্ৰয় শক্তি আতৰাই পঠিয়াব লাগে। অনুৎপাদনশীল কাৰ্য্যত কৰা ব্যয়ৰ পৰিমাণ হ্ৰাস কৰি উৎপাদনশীল কাৰ্য্যত ব্যয় বৃদ্ধি কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত।। একে দৰে কম গুৰুত্বপূৰ্ণ চৰকাৰী ব্যয় বাদ দিব পৰা যায়। উদাহৰণ স্বৰূপে অনুৎপাদনশীল ভাৰতবৰ্ষত মন্ত্ৰী আৰু আমোলা বিষয়া সকলৰ ভ্ৰমণ ব্যয় আদিৰ দৰে হোৱা নিয়মিত ব্যয়বোৰ কৰ্তন কৰি অলাগতিয়াল চাহিদা হ্ৰাস কৰিব পৰা যায়।
- **মুদ্ৰাসংকোচন বা মুদ্ৰা অৱস্ফীতি দূৰ কৰা** ঃ মুদ্ৰাসংকোচন আৰু মন্দা অবস্থাত বিনিয়োগৰ পৰিমাণতকৈ সঞ্চয়ৰ পৰিমাণ বেছি হয়। ইয়াৰ ফলত মুঠ চাহিদাৰ স্তৰ আয়ৰ স্তৰ, মূল্যস্তৰ, সঞ্চয়, বিনিয়োগ আৰু প্ৰান্তিক উপভোগৰ স্তৰ নিম্নগামী হয়। এনে এক পৰিস্থিতিত দেশখনৰ অৰ্থব্যৱস্থাত অতিৰিক্ত ক্ৰয় শক্তি সংযোগ কৰিবলগা হয় যাতে সক্ৰিয় চাহিদাৰ স্তৰ বৃদ্ধি পায়।

জানি থোৱা ভাল



চৰকাৰী ব্যয় হৈছে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ বা স্থানীয় চৰকাৰে কৰা ব্যয় ।এনে ধৰণৰ ব্যয় সাধৰণতে নাগৰিকৰ সুৰক্ষা বা তেওঁলোকৰ আৰ্থ-সামাজিক কল্যাণ বৃদ্ধিৰ বাবে কৰা হয়। উৎপাদন, বিতৰণ আৰু আৰ্থিক কাৰ্য্যৱলীৰ ওপৰত চৰকাৰী ব্যয়ে কেতবোৰ প্ৰভাৱ পেলোৱা দেখা যায়।

আন্তঃগাঁথনিৰ উন্নয়ন, সক্ৰিয় চাহিদা বৃদ্ধি, ব্যক্তিগতখণ্ডৰ উদ্যোগক উদগনি দিয়া আৰু সম্পদ পুনৰ নিৰ্দ্ধাৰণ বিপাক আদিৰ জৰিয়তে চৰকাৰী ব্যয়ে উৎপাদনৰ ওপৰত প্ৰভাৱ পেলায় বা ক্ৰিয়া কৰে।

সুপৰিকল্পিত চৰকাৰী ব্যয়ে সমাজৰ ধনীশ্ৰেণীৰ পৰা দুখীয়া শ্ৰেণীৰ লোকসকললৈ সম্পদৰ প্ৰবাহৰ ধাৰা সলনি কৰি আয় আৰু সম্পদৰ বিতৰণৰ ক্ষেত্ৰত থকা বৈষম্য হ্ৰাস কৰে। সমাজৰ

দুৰ্ব্বলশ্ৰেণীৰ লোকক বিভিন্ন সুবিধা প্ৰদান কৰি, মজুৰিৰ হাৰৰ উন্নতি সাধন কৰি আৰু পিছপৰা অঞ্চলৰ উন্নতি সাধন কৰি চৰকাৰী ব্যয়ে অর্থব্যৱস্থাত বিতৰণৰ ক্ষেত্ৰত পৰিবৰ্তন আনে। মুদ্ৰাস্ফীতি আৰু মুদ্ৰাসংকোচনৰ সময়ত চৰকাৰী ব্যয়ে অর্থনৈতিক স্থিৰতা ৰক্ষাকৰাত সহায় কৰে। মুদ্ৰাসংকোচনৰ সময়ত জনসাধাৰণৰ আয় বৃদ্ধিৰ বাবে চৰকাৰী ব্যয় ব্যৱহাৰ কৰিব লাগে আৰু মুদ্ৰাস্ফীতিৰ সময়ত চৰকাৰী ব্যয় পৰিকল্পিত ভাবে অনুৎপাদনশীল ক্ষেত্ৰৰ পৰা উৎপাদানশীল ক্ষেত্ৰত ব্যৱহাৰ কৰিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ চৰকাৰী ব্যয় মানে কি বুজায়? চৰকাৰী ব্যয়ৰ প্ৰভাৱবোৰ কি কি? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন ২ ঃ উৎপাদনৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাৱ ব্যাখ্যা কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন ৩ ঃ বিতৰণৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাৱ ব্যাখ্যা কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন ৪ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

চৰকাৰী ব্যয়ে ধনী আৰু দুখীয়াৰ মাজত থকা পার্থক্য দূৰ কৰে। (শুদ্ধ/অশুদ্ধ)

৮.৪ উন্নয়নশীল অৰ্থনীতিত চৰকাৰী ব্যয়ৰ ভূমিকা

উন্নয়নশীল অৰ্থনীতি এখনে বহু সমস্যা আৰু নাটনিৰ সন্মুখীন হ'ব লগা হয়। দ্ৰুত অৰ্থনৈতিক উন্নয়নৰ বাবে বিভিন্ন খণ্ডত বৃহৎ পৰিমাণৰ ব্যয় কৰাৰ আৱশ্যক হয়। এই ক্ষেত্ৰত সামাজিক আৰু অৰ্থ নৈতিক আন্তঃগাঁথনিৰ নিৰ্মাণ, উদ্যোগিক ভেটি নিৰ্মাণ, কৃষিৰ আধুনিকীকৰণ, ৰাজহুৱা সা-সুবিধা বা ৰাজহুৱা উপযোগিতা সেৱাৰ ব্যৱস্থা কৰা ইত্যাদি বিষয়বোৰ ইয়াৰ ভিতৰত অৰ্ন্তভূক্ত হৈ থাকে। এই বিস্তৰ পৰিমাণৰ বিনিয়োগ কৰিবলৈ ব্যক্তিগত খণ্ড অসমৰ্থ হোৱা দেখা যায়, কাৰণ এনে শিতানবোৰত কৰা বিনিয়োগৰ পৰা পোৱা প্ৰতিদানৰ বাবে দীৰ্ঘকালৰ বাবে আপেক্ষা কৰিবলগা হয় আৰু লাভৰ পৰিমান কম হোৱা দেখা যায়। সেয়েহে উন্নয়নশীল অৰ্থব্যৱস্থা এটাত দৰিদ্ৰতাৰ পাকচক্ৰ ভাঙি উন্নয়ন আৰু প্ৰগতিৰ পথ প্ৰশস্ত কৰিবৰ কাৰণে চৰকাৰী ব্যয়ে বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লগা হয়।

তলত উল্লেখ কৰা দৃষ্টিকোণৰ পৰা উন্নয়নশীল অৰ্থব্যৱস্থা এটাত চৰকাৰী ব্যয়ৰ ভূমিকা বুজিব পৰা যায়-

- **সুষম বা ভাৰসাম্য আঞ্চলিক উন্নয়ন** ঃ উন্নয়নশীল অৰ্থব্যৱস্থা বোৰত আঞ্চলিক বৈষম্য থকা দেখা যায়। পিচপৰা আৰু অনুন্নত অঞ্চলৰ ক্ষেত্ৰত ব্যয় বৃদ্ধিৰ ওপৰত প্ৰাধান্য দি চৰকাৰী ব্যয়ে এই বৈষম্যবোৰ দূৰ কৰিব পাৰে। কৃষিৰ উন্নয়ন সাধনৰ জৰিয়তে বা এনে অঞ্চলবোৰত নতুন উদ্যোগিক গোট বোৰ স্থাপন কৰি পিছ পৰি থকা অঞ্চলবোৰৰ উন্নতি সাধন কৰিব পৰা যায়। ইয়াৰ ফলত এনে অঞ্চলবোৰত এফালে উৎপাদনৰ পৰিমাণ, আয়ৰ স্তৰ আৰু নিয়োগ বৃদ্ধি হোৱাৰ লগতে বিভিন্ন ক্ষেত্ৰত থকা বৈষম্যও হ্ৰাস পাব।
- **আন্তঃ গাঁথনি উন্নয়ন** ঃ উন্নয়নশীল অৰ্থনীতিৰ দেশবোৰে সন্মুখীন হোৱা আন এটা প্ৰধান সমস্যা হৈছে ইয়াৰ দুৰ্ব্বল আন্তঃগাঁথনি। ৰাস্তাঘাট, ৰেল পথ আৰু বিভিন্ন প্ৰকাৰৰ পৰিবহন ব্যৱস্থা, শক্তি সম্পদৰ যোগান ইত্যাদিৰ উন্নয়নৰ বাবে কৰা চৰকাৰী ব্যয়ে এনে দেশবোৰত উদ্যোগিক উন্নয়নৰ বাবে আকৰ্ষণ কৰে। শিক্ষা, স্বাস্থ্যসেৱাৰ সুবিধা প্ৰদানৰ বাবে কৰা চৰকাৰী ব্যয়ৰ দ্বাৰা দেশখনৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰিব পৰা যায়, সেয়েহে আন্তঃগাঁথনিৰ উন্নয়নে দেশখনৰ অৰ্থব্যৱস্থাক উন্নয়নৰ পথত আগুৱাই নিয়ে।
- **অৰ্থনৈতিক সম্পদৰাজিৰ পূৰ্ণাঙ্গ ব্যৱহাৰ ঃ** উন্নয়নশীল অৰ্থব্যৱস্থাবোৰত বৃহৎ পৰিমান প্ৰাকৃতিক সম্পদ আৰু মানৱ সম্পদ অব্যৱহৃত অৱস্থাতে থকা দেখা যায়। যদি এই সম্পদবোৰৰ যথোপযুক্ত ব্যৱহাৰ কৰিব পৰা যায়, তেনেহলে সেইবোৰে দেশখনৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বৰঙণি যোগাব পাৰে। এনেবোৰ কামৰ বাবে প্ৰয়োজনীয় বিনিয়োগ কৰিবলৈ চৰকাৰী খণ্ড আগবাঢ়ি আহিব লাগে যাতে তাৰ ফলত দেশখনৰ সম্পদৰাজিৰ যথোপযুক্ত ব্যৱহাৰ হয়। মানৱসম্পদ আৰু প্ৰাকৃতিক সম্পদৰ পূৰ্ণ ব্যৱহাৰে কেবল যে উৎপাদনেই বৃদ্ধি কৰে, এনে নহয়, ইয়াৰ ফলত নিয়োগ সাম্ভাব্যতাও বৃদ্ধি পায়।
- **দৰিদ্ৰতা নিৰ্মূল কৰণ বা দূৰীকৰণৰ আঁচনি** ঃ দৰিদ্ৰতাৰ সমস্যা উন্নয়নশীল দেশৰ এটা

প্ৰধান সমস্যা। এই সমস্যাটো লাঘব কৰাৰ কাৰণে চৰকাৰে আয় আৰু সম্পদৰ বৈষম্য আৰু দৰিদ্ৰতা দূৰীকৰণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিব পাৰে। দৰিদ্ৰতা নিৰ্মূলকৰণৰ আঁচনিসমূহে সমাজৰ দুখীয়া শ্ৰেণীটোক চৰকাৰে আগবঢ়োৱা সুবিধা সমূহ গ্ৰহণ কৰি তেওঁলোকৰ আৰ্থিক অৱস্থা টনকিয়াল কৰাত সহায় কৰে। উদাহৰণ স্বৰূপে ভাৰতবৰ্ষত দৰিদ্ৰতা নিৰ্মূল কৰণৰ বাবে গ্ৰহণ কৰা সংহতিপূৰ্ণ গ্ৰাম্য বিকাশ আঁচনি, ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি , গাওঁত থকা ভূমিহীনলোকৰ নিয়োগ নিশ্চিত কৰণ আঁচনি আদিৰ কথা উল্লেখ কৰিব পৰা যায়।

- **ৰাজহুৱা খণ্ড আৰু মূল উদ্যোগ ঃ** লো-তীখা, চিমেণ্ট, ইঞ্জিনীয়াৰিং সামগ্ৰী ইত্যাদিৰ দৰে প্ৰধান উদ্যোগ কিছুমান আছে যাৰ অবিহনে দেশখনৰ উন্নয়ন সম্ভপৰ নহয়। কৃষিখণ্ডই নহয় দেশখনৰ আন বিভিন্ন উদ্যোগেও মূল উদ্যোগবোৰৰ উৎপাদিত বস্তুৰ ওপৰত নিৰ্ভৰ শীল হোৱা দেখা যায় । এই মূল আৰু বৃহৎ উদ্যোগ বোৰত চৰকাৰী খণ্ডইহে বিনিয়োগ কৰিব লাগে, কাৰণ উৎপাদন প্ৰক্ৰিয়াটো দীঘলীয়া হোৱা এনে মূল আৰু বৃহৎ উদ্যোগবোৰত বিনিয়োগৰ বাবে ব্যক্তিগত খণ্ডই ইচ্ছা নেদেখুৱায়।
- **কৃষিৰ উন্নয়ন আৰু ভূমি সংস্কাৰ ঃ** ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰত নিম্ন উৎপাদনশীলতা, ক্ষুদ্ৰ উৎপাদন ব্যৱস্থা, বতৰ আৰু জলবায়ুৰ ওপৰত অধিক নিৰ্ভৰশীলতা, উদ্বৃত্ত শ্ৰমিক আৰু ছদ্মবেশী নিৰনুৱাৰ সমস্যা আদি বৈশিষ্ট্য বোৰ কৃষিখণ্ডত দেখা যায়। চৰকাৰী ব্যয়ে কৃষিৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা উৎপাদন কৌশল আৰু উৎপাদনশীলতাক যথেষ্ট প্ৰভাবান্বিত কৰে। জলসিঞ্চয়নৰ সুবিধা আৰু বানপানী নিয়ন্ত্ৰণৰ ব্যৱস্থা, উচ্চ উৎপাদনশীল বীজ, ৰাসায়নিক সাৰৰ যোগান ধৰা, কৃষিৰ বাবে উন্নত বিধৰ আহিলা যোগান ধৰা আদিৰ বাবে কৰা চৰকাৰী ব্যয়ে কৃষিখণ্ডৰ উৎপাদন বৃদ্ধি কৰাৰ লগতে জনসাধাৰণৰ আয় বৃদ্ধি কৰে। উপযুক্ত ভূমিসংস্কাৰ ব্যৱস্থা বোৰৰ লগতে সমবায় কৃষিপামৰ ব্যৱস্থা কৰিলে কৃষি খণ্ডত কাম কৰা দুৰ্বল শ্ৰেণীটোৰ অৱস্থাৰ উন্নতি সাধন কৰিব পৰা যায়।
- **আৰ্থ-সামাজিক কল্যাণ ঃ** এখন দেশৰ আৰ্থ-সামাজিক কল্যাণ দেশখনে আৰ্থ - সামাজিক আঁচনিবোৰত কৰা চৰকাৰী ব্যয়ৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে। শ্ৰমিক কল্যাণ, শিশু কল্যাণ, নাৰী কল্যাণ, শাৰিৰীক আৰু মানসিকভাবে বাধাগ্ৰস্তলোকৰ কল্যাণ, অনুসূচীত জাতি আৰু জনজাতিৰ বাবে গ্ৰহণ কৰা আৰ্থ-সামাজিক আঁচনিবোৰৰ কাৰণে বৃহৎ পৰিমাণৰ চৰকাৰী ব্যয়ৰ প্ৰয়োজন হয়।
- **জনসংখ্যা নিয়ন্ত্ৰণ আৰু পৰিয়াল কল্যাণ ঃ** উন্নয়নশীল অৰ্থনীতিবোৰে অত্যাধিক জনসংখ্যাৰ ভাৰ বা হেচাঁ বহন কৰিব লগা হয়। বৃহৎ সংখ্যাৰ জনসংখ্যা বুলিলে সাধাৰণতে কম জাতীয় আয়, নিম্ন জনমুৰি আয় আৰু বৃহৎ আয়তনৰ নিবনুৱালোকৰ সংখ্যাক বুজায় । চৰকাৰে এনেক্ষেত্ৰত জনসংখ্যা নিয়ন্ত্ৰণ আঁচনি গ্ৰহণ কৰাৰ লগতে মাতৃমঙ্গল আঁচনি, শিশুৰ স্বাস্থ্যৰ আঁচনি আদি গ্ৰহণ কৰিব পাৰে। সেয়েহে এই ক্ষেত্ৰবোৰত চৰকাৰী ব্যয়ৰ পৰিমান বৃদ্ধিৰ জৰিয়তে উৎপাদনশীলতা আৰু জনমুৰি আয় বৃদ্ধিৰ লগতে নিবনুৱা লোকৰ সংখ্যা হ্ৰাস কৰিব পৰা যায়।

- **অৰ্থনৈতিক স্থিৰতা ঃ** মূল্যস্তৰৰ স্থিৰতাৰ সৈতে অৰ্থনৈতিক বিকাশ বৰ্ত্তাই ৰখাটো উন্নয়নশীল অৰ্থব্যৱস্থাবোৰৰ বাবে অতি প্ৰয়োজনীয়। উন্নয়নশীল দেশবোৰত চৰকাৰী ব্যয়ৰ পৰিমানে অৰ্থনৈতিক স্থিৰতা নিৰ্দ্ধাৰণ কৰে। মন্দা অৱস্থাৰ সময়ত বিনিয়োগৰ পৰিমাণ বৃদ্ধি, মূলধন গঠনৰ হাৰ বৃদ্ধি আৰু নিয়োগ সৃষ্টিৰ হাৰ বৃদ্ধি কৰাৰ লগতে অৰ্থব্যৱস্থাবোৰক মন্দা অৱস্থাৰ অসুবিধাবোৰৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰী ব্যয় উচ্চহাৰত বৃদ্ধি কৰিবলগীয়া হয়। আনহাতে অৰ্থব্যৱস্থাৰ প্ৰাচুৰ্য্য বা সমৃদ্ধিৰ স্তৰত চৰকাৰী ব্যয় এনেদৰে কৰিব লগা হয় যাতে তাৰফলত উৎপাদনৰ পৰিমান বৃদ্ধি হোৱাৰ লগতে অৰ্থব্যৱস্থাটোত মূল্যস্তৰ বৃদ্ধিৰ পৰিমানো নিয়ন্ত্রিত হয়।
- **শ্ৰম নিবিড় উদ্যোগৰ উন্নয়ন ঃ** উন্নয়ন শীল দেশৰ অৰ্থনীতিৰ এটা বৈশিষ্ট্য হৈছে বৰ্দ্ধিত জনসংখ্যা আৰু কৃষিখণ্ডত প্ৰয়োজনতকৈ অধিক শ্ৰমিকৰ নিযুক্তি অৰ্থাৎ কৃষিখণ্ডৰ উদ্বৃত্ত শ্ৰমিকৰ প্ৰয়োগ। এই অতিৰিক্ত বা উদ্বৃত্ত শ্ৰমিক সকলৰ নিযুক্তিৰ উপায় হৈছে ক্ষুদ্ৰ উদ্যোগৰ উন্নতিসাধন কৰা । ক্ষুদ্ৰ উদ্যোগবোৰৰ উন্নতি সাধনৰ জৰিয়তে কৃষি খণ্ডত নিযুক্ত হৈ থকা অতিৰিক্ত শ্ৰমিক সকলক নিযুক্তি দিব পৰা যায়। ক্ষুদ্ৰ উদ্যোগৰ উন্নয়নৰ বাবে ব্যৱহাৰ কৰা চৰকাৰী ব্যয়ৰ জৰিয়তে এনে উদ্যোগবোৰে উন্নয়নৰ বাবে অনুপ্ৰেৰণা মূলক আঁচনি গ্ৰহণ কৰিব পাৰে আৰু এনে কাৰ্য্যৰ দ্বাৰা উদ্বৃত্ত শ্ৰমিকসকলক লাভজনক ভাবে নিয়োগ কৰাত সহায় কৰিব পাৰে।

জানি থোৱা ভাল



দেশবোৰৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বিশেষকৈ উন্নয়নশীল দেশবোৰত চৰকাৰী ব্যয়ৰ এক বৃহৎ ভুমিকা আছে। এনে দেশবোৰৰ অৰ্থব্যৱস্থাত বিভিন্ন নাটনি পৰিলক্ষিত হয়, সেয়েহে ব্যক্তিগত খণ্ডই দীৰ্ঘকালৰ বাবে প্ৰয়োজন হোৱা বৃহৎ পৰিমানৰ বিনিয়োগ সামৰি ল'ব নোৱাৰে।

বিলাতী মাটিৰ উদ্যোগ, তীক্ষা উদ্যোগ আদিৰ দৰে কিছুমান মূল আৰু প্ৰধান উদ্যোগৰ স্থাপন আৰু উন্নয়নৰ ব্যৱস্থা চৰকাৰী খণ্ডইহে কৰিব লাগে।

কৃষি আৰু ভূমি সংস্কাৰৰ বাবে কৰা চৰকাৰী ব্যয়ে কৃষিখণ্ডৰ উৎপাদনৰ কৌশল আৰু পৰিমানৰ ওপৰত বিশেষ প্ৰভাব পেলাব পাৰে।

চৰকাৰী ব্যয়ৰ সহায়ত অৰ্থনৈতিক আৰু সমাজকল্যাণৰ লগতে জনসংখ্যা নিয়ন্ত্রণ আৰু পৰিয়াল কল্যাণ ব্যৱস্থাৰো উন্নতি সাধন কৰিব পৰা যায়।

চৰকাৰী ব্যয়ৰ পৰিমানে দেশ এখনৰ অৰ্থনৈতিক স্থিৰতা নিৰ্দ্ধাৰণ কৰে। সেয়েহে চৰকাৰী ব্যয়ে মূল্যস্তৰৰ স্থিৰতাৰে সৈতে অৰ্থনৈতিক বিকাশ হোৱাতো সহায় কৰে।

ক্ষুদ্ৰ আৰু কুটিৰ উদ্যোগৰ উন্নয়নৰ লগে লগে উন্নয়নশীল অৰ্থনীতিত থকা উদ্বৃত্ত শ্ৰমিকবোৰক লাভজনক ভাবে নিয়োগৰ ব্যৱস্থা কৰিব পৰা যায়। শ্ৰম নিবিড় উদ্যোগৰ ক্ষেত্ৰত কৰা চৰকাৰী ব্যয়ে এনে শ্ৰমিকবোৰক নিয়োগকৰাত সহায় কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ উন্নয়নশীল দেশবোৰত চৰকাৰী ব্যয়ৰ ভূমিকা আলোচনা কৰক । (১৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন ৬ ঃ এখন দেশৰ অৰ্থব্যৱস্থাত অৰ্থনৈতিক স্থিৰতা বজায় ৰখাত চৰকাৰী ব্যয়ে কেনেদৰে সহায় কৰে? ব্যাখ্যা কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দেশখনৰ নাগৰিকৰ প্ৰতিৰক্ষা আৰু আৰ্থ - সামাজিক কল্যাণৰ উৎকৰ্ষ সাধনৰ বাবে চৰকাৰী কৰ্ত্তৃপক্ষই কৰা ব্যয়কে চৰকাৰী ব্যয় বোলে। সমগ্ৰ অৰ্থব্যৱস্থাটোৰ ওপৰত চৰকাৰী ব্যয়ে বহুতো প্ৰভাব পেলায়। উৎপাদন, বিতৰণ আৰু অৰ্থনৈতিক কাৰ্য্যাৱলীৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাৱ দেখা যায়।
- আন্তঃ গাঁথনিৰ উন্নয়ন, সক্ৰিয় চাহিদা বৃদ্ধি, ব্যক্তিগতখণ্ডৰ উদ্যোগবোৰৰ প্ৰতি দিয়া উৎসাহ ও প্ৰেৰণা আৰু সম্পদৰাজিৰ পুনৰ নিয়োগ আদিৰ ওপৰত পেলোৱা প্ৰভাৱৰ পৰা চৰকাৰী ব্যয়ৰ উৎপাদনৰ ওপৰত থকা প্ৰভাবৰ বিষয়ে জানিব পৰা যায়।
- বিতৰণৰ ওপৰ ত পৰা চৰকাৰী ব্যয়ৰ প্ৰভাবৰ বিষয়ে দুৰ্ব্বল শ্ৰেণীটোৱে লাভ কৰা সা-সুবিধা, মজুৰি আৰু প্ৰকৃত আয় বৃদ্ধি আৰু পিছপৰা অঞ্চলবোৰৰ উন্নয়ন আদিৰ পৰা অধ্যয়ন কৰিব পৰা যায়।
- মুদ্ৰাস্ফীতি প্ৰতিৰোধ কৰা আৰু মুদ্ৰাসংকোচন কৰাৰ ক্ষেত্ৰত পেলোৱা প্ৰভাবৰ পৰা অৰ্থনৈতিক স্থিৰতাৰ ওপৰত পৰা চৰকাৰী ব্যয়ৰ প্ৰভাবৰ বিষয়ে অধ্যয়ন কৰিব পৰা যায়।
- উন্নয়নশীল অৰ্থব্যৱস্থা এটাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী ব্যয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ভাৰসাম্য আঞ্চলিক উন্নয়নৰ লগতে অৰ্থনৈতিক স্থিৰতা ৰক্ষা কৰা, অৰ্থনৈতিক

সম্পদৰাজিৰ পূৰ্ণ ব্যৱহাৰ কৰা আৰু এনে দেশৰ আৰ্থ-সামাজিক উন্নয়ন আদিৰ জৰিয়তে চৰকাৰী ব্যয়ে এনে দেশবোৰৰ অৰ্থনৈতিক উন্নয়নত প্ৰভাব পেলায়। আন্তঃগাঁথনিৰ উন্নয়ন, কৃষি, চৰকাৰী খণ্ড আৰু প্ৰধান উদ্যোগসমূহৰ উন্নয়নৰ ক্ষেত্ৰতো চৰকাৰী ব্যয়ে গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে।

৮.৬ অধিক জানিবৰ বাবে

১) Basotia, G. R. (2005). *Public Finance.* Jaipur: Shree Niwas Publications.

২) Bhatia, H. L. (2012). *Public Finance.* New Delhi: Vikas Publishing House Pvt. Ltd.

৩) Choudhury R. K. and Chakraborty R. C. (2016). *Public Finance and Fiscal Policy.* Ludhiana: Kalyani Publisher.

৪) Jhingan M. L. (2013). *Money, Banking, International Trade and Public Finance.* New Delhi: Vrinda Publications.

৫) Paul R. R. (2009). *Money, Banking and Public Finance.* Ludhiana: Kalyani Publisher.

৮.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ নাগৰিকসকলক সুৰক্ষা প্ৰদান কৰা আৰু আৰ্থ-সামাজিক কল্যাণৰ উন্নতিৰ বাবে চৰকাৰী কৰ্ত্তৃপক্ষই কৰা খৰচকে চৰকাৰী ব্যয় বোলে। চৰকাৰী ব্যয়ৰ প্ৰ ভাব সমূহ হৈছে-

- উৎপাদনৰ ওপৰত প্ৰভাব
- বিতৰণৰ ওপৰত প্ৰভাব
- অৰ্থনৈতিক স্থিৰতাৰ ওপৰত প্ৰভাৱ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ তলত উল্লেখ কৰা বিষয়বোৰৰ সহায়ত উৎপাদনৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাব ব্যাখ্যা কৰিব পৰা যায়-

- আন্তঃ গাঁথনিৰ উন্নয়নঃ দেশখনৰ অৰ্থব্যৱস্থাৰ উন্নয়নৰ বাবে এক উন্নত আন্তঃ গাঁথনিৰ প্ৰয়োজন হয়। ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা খণ্ডত থকা আন্তঃ গাঁথনিৰ উন্নয়নৰ নামত কৰা চৰকাৰী ব্যয়ে উৎপাদন বৃদ্ধিত সহায় কৰে।
- সক্ৰিয় চাহিদা বৃদ্ধিঃ উন্নত আৰু উন্নয়নশীল দুই প্ৰকাৰ দেশতে সক্ৰিয় চাহিদাগত সমস্যা থাকিব পাৰে। উভয়ক্ষেত্ৰতে চৰকাৰী ব্যয়ে সক্ৰিয় চাহিদাৰ স্তৰ বৃদ্ধি কৰিব পাৰে। উন্নত দেশবোৰত চৰকাৰী ব্যয়ে প্ৰত্যক্ষ ভাবে সক্ৰিয় চাহিদাত সংযোগ সাধন

কৰিব পাৰে। বজাৰ শক্তিৰ অনুকূলে কাম কৰি ই উৎপাদন বৃদ্ধিৰ বাবে অৱিহণা যোগায়। আনহাতে উন্নয়নশীল দেশবোৰত উৎপাদন ক্ষমতা অৰ্দ্ধব্যৱহৃত অৱস্থাত থাকে । তেনেদেশবোৰত চৰকাৰী ব্যয় এনেধৰণে পৰিকল্পিত ভাবে কৰিব লাগে যিয়ে উপভোক্তাসকলৰ ক্ৰয় শক্তি বঢ়োৱাৰ লগতে তেওঁলোকৰ ব্যয়ৰ পৰিমান বৃদ্ধি কৰি সক্ৰিয় চাহিদাৰ স্তৰ বৃদ্ধিত সংযোগ সাধন কৰে।

- ব্যক্তিগত খণ্ডৰ উদোগবোৰলৈ উৎসাহ প্ৰদানঃ ব্যক্তিগত খণ্ডৰ উদ্যোগবোৰক ৰেহাই মূল্যত প্ৰয়োজনীয় কেঁচামাল, উৎপাদনৰ আহিলা আৰু আন আন কাৰিকৰী সেৱা যোগান ধৰাৰ বাবেও চৰকাৰী ব্যয়ে ভূমিকা পালন কৰিব পাৰে। উন্নতদেশবোৰৰ পৰা আন আন উদ্যোগবোৰলৈ যন্ত্ৰপাতি, কাৰিকৰী অভিজ্ঞতাসম্পন্ন বিশেষজ্ঞ আৰু আহিলাপাতি আদি আমদানিৰ বাবে চৰকাৰী ব্যয় ব্যৱহাৰ কৰি দেশখনৰ উদ্যোগিক খণ্ডৰ বিকাশত সহায় কৰিব পাৰে।
- উৎপাদনৰ ওপৰত সম্পদৰ পুনৰ নিৰ্দ্ধাৰণ বা বিতৰণৰ প্ৰভাবঃ উৎপাদন প্ৰক্ৰিয়া আৰু গঠনৰ পৰিবৰ্তন কৰি চৰকাৰী ব্যয়ে উৎপাদনৰ স্তৰ বৃদ্ধি কৰাতো সহায় কৰিব পাৰে। ভৰতুকি আৰু ৰেহাই ৰ ব্যৱস্থাকৰি চৰকাৰী ব্যয়ে কম প্ৰয়োজনীয় বস্তুৰ উৎপাদনৰ পৰিবৰ্তে অতি প্ৰয়োজনীয় বস্তু সামগ্ৰী উৎপাদনৰ বাবে সম্পদৰ পুনৰ বিতৰণ নিৰ্দ্ধাৰণ কৰিব পাৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বিতৰণৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাব তলত দিয়া দৃষ্টিকোনৰ পৰা ব্যাখ্যা কৰিব পৰা যায়।

- দুৰ্ব্বল শ্ৰেণীলৈ সুবিধা প্ৰদান ঃ- সমাজৰ দুৰ্ব্বলশ্ৰেণীৰ ওপৰত কৰা চৰকাৰী ব্যয়ে ধনী-দুখীয়াৰ মাজত থকা পাৰ্থক্য কিছু পৰিমানে হ্ৰাস কৰিব পাৰে। শিক্ষা, স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদান, ৰেহাইমূল্যত খাদ্য শস্য আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰা আদিৰ বাবে কৰা চৰকাৰী ব্যয়ে দুখীয়া মানুহখিনিৰ কৰ্ম্মক্ষমতা বৃদ্ধি কৰা আৰু আয়ৰস্তৰ বৃদ্ধি কৰাত সহায় কৰে।
- মজুৰিৰ গাঁথনি আৰু বৃহত্তৰ প্ৰকৃত আয় ঃ মজুৰিৰ গাঁথনিৰ জৰিয়তে সমাজত থকা আয় ব্যয়ৰ বৈষম্য হ্ৰাস কৰিব পাৰা যায়। যিয়ে উচ্চ হাৰত মজুৰী উপাৰ্জনকাৰী আৰু নিম্নহাৰৰ মজুৰি উপাৰ্জনকাৰীৰ মাজত থকা পাৰ্থক্য কমাই আনিব পাৰে। বিনামূলীয়া থকা ঘৰ, সুলভমূল্যৰ বস্তু সামগ্ৰীৰ যোগান,পদোন্নতি আৰু কৰ্ম্মচাৰীসকলৰ ল'ৰা-ছোৱালীলৈ স্বাস্থ্যসেৱা আৰু শিক্ষাৰ সুবিধা প্ৰদান কৰা ইত্যাদি ব্যৱস্থাই দুৰ্ব্বলশ্ৰেণীটোৰ প্ৰকৃত আয় বৃদ্ধি কৰাৰ লগতে আয়ৰ বৈষম্যও হ্ৰাস কৰে।
- পিছপৰা অঞ্চলৰ উন্নয়ন ঃ পিচপৰা অঞ্চলবোৰক কৃষি আৰু উদ্যোগিক ক্ষেত্ৰত উন্নয়নৰ পথত আগুৱাই নিবলৈ কৰা চৰকাৰী ব্যয়ে মানুহবোৰৰ আয়ৰ স্তৰ বৃদ্ধি কৰাৰ লগতে তেওঁলোকৰ জীৱনধাৰণৰ মানদণ্ড বৃদ্ধি কৰিব পাৰে। ৰেহাই মূল্যত সাৰ, উচ্চ উৎপাদনক্ষম বীজ আৰু কৃষি ঋণৰ ব্যৱস্থা আদিৰ বাবে কৃষি ক্ষেত্ৰত কৰা চৰকাৰী ব্যয়ে

ক্ষুদ্ৰ খেতিয়ক আৰু ভূমিহীন শ্ৰমিকক সহায় কৰে। পিছপৰা অঞ্চলবোৰত কৰা উদ্যোগবোৰৰ উন্নয়নে গাওঁ অঞ্চলৰ নিবনুৱাসকলৰ বাবে নিয়োগৰ সুযোগ সৃষ্টি কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ উন্নয়নশীল অৰ্থনীতি এখনত চৰকাৰী ব্যয়ৰ ভূমিকা তলত উল্লেখ কৰা দিশবোৰৰ পৰা বুজিবপৰা যায়-

- ভাৰসাম্য বা সুষম আঞ্চলিক উন্নয়নঃ পিছপৰা আৰু অনুন্নত অঞ্চলৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপকৰি চৰকাৰী ব্যয়ে আঞ্চলিক বৈষম্য দূৰ কৰিব পাৰে।
- আন্তঃগাঁথনিৰ উন্নয়ন ঃ উন্নয়নশীল অৰ্থনীতিবোৰে সন্মুখীন হোৱা এটা প্ৰধান সমস্যা হৈছে দুৰ্ব্বল আন্তঃগাঁথনি, এইক্ষেত্ৰত চৰকাৰী ব্যয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- অৰ্থনৈতিক সম্পদৰ পূৰ্ণ ব্যৱহাৰ ঃ উন্নয়নশীল অৰ্থনীতিবোৰত বৃহৎ পৰিমাণৰ প্ৰাকৃতিক সম্পদ আৰু মানবসম্পদ অব্যৱহৃত আৰু অৰ্দ্ধ ব্যৱহৃত অৱস্থাত থকা দেখা যায় আৰু এনে সম্পদবোৰৰ উপযুক্ত ব্যৱহাৰৰ ক্ষেত্ৰত চৰকাৰী খণ্ডই প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে।
- দৰিদ্ৰতা নিৰ্মূলকৰণ আঁচনি ঃ উন্নয়নশীল অৰ্থনীতিবোৰে দৰিদ্ৰতাৰ সমস্যাত ভুগি থকা দেখা যায় আৰু এই সমস্যা হ্ৰাস কৰিবলৈ চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।
- কৃষিৰ উন্নয়ন আৰু ভূমিসংস্কাৰ ঃ উৎপাদন বৃদ্ধি কৰি চৰকাৰী ব্যয়ে উন্নয়নশীল দেশৰ কৃষি খণ্ডক বিশেষভাবে প্ৰভাৱন্বিত কৰিব পাৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ চৰকাৰী ব্যয়ৰ পৰিমানে এখন দেশৰ অৰ্থনৈতিক স্থিৰতা নিৰ্দ্ধাৰণ কৰে। মন্দা অৱস্থাৰ সময়ত বৃহৎ পৰিমানে চৰকাৰী ব্যয় কৰি বিনিয়োগ বৃদ্ধি, মূলধন গঠন আৰু নিয়োগৰ ব্যৱস্থা কৰিলে মন্দা অৱস্থাৰ অশুভ প্ৰভাবৰ পৰা অৰ্থব্যৱস্থাক ৰক্ষা কৰিব পাৰে। আনহাতে সমৃদ্ধি বা প্ৰাচুৰ্য্যৰ সময়ত এনেধৰণে চৰকাৰী ব্যয় কৰিব লাগে যাতে তাৰফলত মূল্যস্তৰৰ বৃদ্ধি নোহোৱাকৈ উৎপাদনৰ পৰিমাণ বৃদ্ধি পায়।

৮.৭ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰকাৰী ব্যয়ে উৎপাদনৰ ওপৰত কেনেদৰে প্ৰভাব পেলায়?

প্ৰশ্ন ২ ঃ অৰ্থনৈতিক স্থিৰতাৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাব কি কি?

প্ৰশ্ন ৩ ঃ চৰকাৰী ব্যয়ে কেনেদৰে মুদ্ৰাস্ফীতি আৰু মুদ্ৰাসংকোচন নিয়ন্ত্ৰন কৰাত সহায় কৰে চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ এখন উন্নয়নশীল অৰ্থনীতিত চৰকাৰী ব্যয়ে আঞ্চলিক বৈষম্য দূৰকৰাত কেনেদৰে সহায় কৰে চমুকৈ ব্যাখ্যা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অৰ্থনৈতিক কাৰ্য্যৱলীৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাৱ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ অৰ্থনৈতিক স্থিৰতা আৰু উৎপাদনৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাৱ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ উন্নয়নশীল অৰ্থব্যৱস্থা এটাত চৰকাৰী ব্যয়ৰ ভূমিকা আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ " উন্নয়নশীল অৰ্থব্যৱস্থাত সুপৰিকল্পিত ভাবে কৰা চৰকাৰী ব্যয়ে ধনী মানুহৰ পৰা দুখীয়া মানুহৰ ক্ষেত্ৰত সম্পদৰ ব্যৱহাৰ সলনি কৰি আয় আৰু সম্পদৰ ক্ষেত্ৰত থকা বৈষম্য হ্ৰাস কৰিব পাৰে।" সিদ্ধান্তটো ব্যাখ্যা কৰক।

*** **** ***